● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*জনাটোৱেই যথেষ্ট নহয়, যদি তাক কাৰ্যকৰী কৰা নহয়। ইচ্ছা প্ৰকাশেই যথেষ্ট নহয়, তাক কৰি দেখুৱাব লাগিব।*

জোহান বল্‌ফগেং ৰন গেটে
*জাৰ্মান লেখক*




www.dainikagradoot.in

৫ ২০২১ত ভাৰতত অৰ্বুদপতি ১২৬ লৈ বৃদ্ধি
১৫ প্ৰথম টেষ্টৰ দ্বিতীয় দিনৰ খেল পৰিত্যক্ত
৪ শ্ৰমৰ পৃথিৱীত প্ৰযুক্তিৰ আগ্ৰাসন

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮২তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১২ পুহ ১৪২৮ ভাস্কৰাব্দ ২৮ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 28 December 2021 মূল্য ঃ ৯.০০ টকা

■ ৰাজ্যলৈ সতৰ্কবাণী প্ৰেৰণ কেন্দ্ৰীয় গৃহ সচিবৰ ■ দৰবৰ পৰা অক্সিজেন সৰবৰাহলৈ সকলো দিশতে প্ৰস্তুত হ'বলৈ নিৰ্দেশ ৰাজ্য চৰকাৰক ■ ক'ভিড বিধি পালনত শিথিলতাক প্ৰশ্ৰয় নিদিব

# অ'মিক্ৰনৰ আতংকত কঁপিছে দেশ



অগ্ৰদূত প্ৰতিবেদক/ষ্টাফ ৰিপ'টাৰ
নতুন দিল্লী/গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ অ'মিক্ৰনৰ আতংকত কঁপিছে দেশ। ক'ভিডৰ এই নতুন প্ৰজাতিয়ে দেশলৈ তৃতীয় ঢৌ আনিব বুলি আশংকাৰ সৃষ্টি হোৱাৰ সময়তে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ৰাজ্যসমূহলৈ সতৰ্কবাণী প্ৰদান কৰি জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। পুনৰ দেশত ক'ভিড আক্ৰান্তৰ সংখ্যাৰ লগতে অ'মিক্ৰনৰ আক্ৰান্তৰ সংখ্যাও বৃদ্ধি পোৱাত ৰাজ্যসমূহলৈ প্ৰেৰণ কৰা এক পত্ৰত কেন্দ্ৰই স্পষ্ট কৰি কয় যে অ'মিক্ৰন নিয়ন্ত্ৰণত সকলো দিশৰ পৰা যেন সাজু হৈ থাকে ৰাজ্যসমূহ। দৰবৰ পৰা আৰম্ভ কৰি অক্সিজেন সৰবৰাহত যেন কোনো অভাৱ নাথাকে। কেন্দ্ৰীয় গৃহ সচিব অজয় ভল্লাৰ পত্ৰত এইদৰে কোৱা হয়, 'দেশজুৰি সামগ্ৰিকভাৱে ক'ভিডৰ সংখ্যা হ্ৰাস পাইছে। অৱশ্যে নতুন প্ৰজাতি অ'মিক্ৰন ডেল্টাতকৈ তিনিগুণে অধিক সংক্ৰামক বুলি কোৱা হৈছে আৰু ই ক'ভিড প্ৰতিৰোধী ১০ পৃষ্ঠাত চাওক



নতুন পেঞ্চন নীতি বাতিলৰ দাবীত শিক্ষক কৰ্মচাৰীৰ ধৰ্ণা, তেজপুৰত সোমবাৰে।

## বছৰান্তত

■ সঞ্জীৱ সভাপণ্ডিত
২৬/১২/২০২১
পানাজী, গোৱা



১৯৭৬। ১২ এপ্ৰিল। ব'হাগ বিহুৰ সময়। দুদিনমানৰ পাছতে আমাৰ প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষা। তেতিয়াৰ দিনত তেনেকৈ কৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰাক্ স্নাতক পৰীক্ষা বুলি কৈছিল। আজি-কালি হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা বুলি কয়। আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আছিলো।

১৯৭৫ত এই পৰীক্ষাটো শিক্ষকসকলে বৰ্জন কৰিছিল। শিক্ষকসকলৰ ১০ পৃষ্ঠাত চাওক

টিকাইটৰ ঘোষণা

## কেন্দ্ৰই পুনৰ কৃষি আইন প্ৰণয়ন কৰিলে আন্দোলন আৰম্ভ কৰিম

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশত ভাবমূৰ্তি হানি হোৱাকৈ ক্ষমা মাৰ্জনা বিচাৰিব নালাগে বুলি মন্তব্য কৰিও ভাৰতীয় কিষাণ ইউনিয়নৰ নেতা ৰাকেশ টিকাইটে সকীয়নি দি কয় ১০ পৃষ্ঠাত চাওক

## ৰেছনকাৰ্ডবিহীন পৰিয়ালক ৰেছনকাৰ্ড প্ৰদানৰ নিৰ্দেশ

ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক ৰেছন কাৰ্ডবিহীন পৰিয়ালক ৰেছন প্ৰদান কৰা নিৰ্দেশ জাৰি কৰিছে। উল্লেখ যে বিভিন্ন সাত পৃষ্ঠাত চাওক

## ঔপন্যাসিক নন্দিতা দেৱী-প্ৰকাশক নগেন শৰ্মালৈ প্ৰকাশন পৰিষদ বঁটা


ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** চলিত বৰ্ষৰ 'প্ৰকাশন পৰিষদ সাহিত্য বঁটা' আগবঢ়োৱা হৈছে ঔপন্যাসিক নন্দিতা দেৱীলৈ। 'বঙল বহু দূৰ' উপন্যাসৰ বাবে ইয়াৰ লেখিকা দেৱীয়ে এই বঁটা ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২৪° | ১২° |
| ডিব্ৰুগড় | ২৩° | ১২° |
| দিল্লী | ২১° | ১১° |
| কলকাতা | ২৭° | ১৮° |
| মুম্বাই | ২৯° | ২২° |
| চেন্নাই | ৩০° | ২৪° |
| বাংগালুৰু | ২৮° | ১৬° |
| শ্বিলং | ১৪° | ০৬° |

*২৭ ডিচেম্বৰ, ২০২১*

## চেঙা তেল



*তোক ধাৰে লোৱা টকা মাফ দিবলৈ মই কি চৰকাৰ নেকি? যেনেকৈ লৈছিলি তেনেকৈ ঘূৰাই দে!*

■ ৰাজনৈতিক নেতাক দেহৰক্ষী এৰিবলৈ মুখ্যমন্ত্ৰী শৰ্মাৰ আহ্বান
■ অধিকাংশই বিজেপিৰ ঃ বিমোৰত পৰিছে বহু জিলাৰ আৰক্ষী

## ষ্টেটাছ চিম্বল ? দেহৰক্ষী বিচাৰি নেতা-পালিনেতাৰ আবেদনৰ দ'ম

ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** ষ্টেটাছ চিম্বল নে সঁচাকৈয়ে নিৰাপত্তাহীনতাত ভুগিছে ৰাইজৰ সেৱক? কিয়নো ব্যক্তিগত দেহৰক্ষী বিচাৰি ৰাজনীতিকে কৰা আবেদনে জিলাই জিলাই আৰক্ষীৰ মেজত দ'ম বান্ধিছে। অসম আৰক্ষীৰ সূত্ৰত প্ৰকাশ যে ৰাজ্যত নতুন চৰকাৰ গঠনৰ পাছৰ পৰা এনে আবেদন দাখিলৰ সংখ্যা অধিক বৃদ্ধি পাইছে। স্বাভাৱিকভাৱে আবেদনকাৰীসকলৰ বেছিভাগেই হ'ল বিজেপিৰ নেতা-পালিনেতা। ৰাজ্যিক পৰ্যায়ৰ নেতাৰ উপৰি দলটোৰ অধিকাংশ জিলাৰ সভাপতি, উপ-সভাপতি, সম্পাদকো এই তালিকাত আছে। ইয়াকে লৈ বিমোৰত পৰিছে জিলা আৰক্ষী। সেয়েহে সমগ্ৰ বিষয়টো ৰাজ্যিক পৰ্যায়ত বিবেচনা ১০ পৃষ্ঠাত চাওক

■ ব্ৰহ্মপুত্ৰৰ ঠায়ে ঠায়ে খনন কৰি জলপথেৰে অসম-বাংলাদেশৰ ব্যৱসায় ত্বৰান্বিত কৰা হ'ব ঃ কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ ঘোষণা

## পাণ্ডুত জাহাজ মেৰামতি কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত জল পৰিবহণ প্ৰাধিকৰণৰ



ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** মহানগৰীৰ পাণ্ডুস্থিত ভাৰত চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ প্ৰাধিকৰণৰ কাৰ্যালয়ত আজি অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত কেন্দ্ৰীয় জাহাজ, বন্দৰ আৰু জল পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰি বৈঠকৰ অন্তত পাণ্ডুত জাহাজ মেৰামতি কাৰখানা নিৰ্মাণৰ কথা ঘোষণা কৰে। আজিৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয় যে অহা ২০২২ৰ মে'ত আধাৰশিলা স্থাপন কৰিবলগীয়া জাহাজ মেৰামতি কাৰখানাৰ নিৰ্মাণকাৰ্য দুবছৰৰ সাত পৃষ্ঠাত চাওক

## লোকশিল্পী খগেন গগৈক পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান

মৃত্যু দিৱসত গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞীক স্মৰণ কৰিলে আছুৱে

ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে বঁটা আজি শিল্পীগৰাকীৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট লোকশিল্পী খগেন গগৈক প্ৰদান কৰে সদৌ অসম ছাত্ৰ সন্থাই। চান্দমাৰিস্থিত ছহিদ উদ্যানত পদ্মশ্ৰীগৰাকীলৈ আছুৰ নেতৃত্বই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি গগৈক ২০২১ বৰ্ষৰ বঁটা প্ৰদান কৰে আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল সাত পৃষ্ঠাত চাওক



খগেন গগৈক প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান, সোমবাৰে।

■ গাড়ী-মটৰ চাইকেলৰ চাবি ছাত্ৰ পৰিষদৰ সদস্যৰ দেহত ভৰাই আঘাত কৰিছিল আছুৰ সদস্যই ■ মহাবিদ্যালয় নিৰ্বাচনত ছাত্ৰ পৰিষদৰ উত্থানত শংকিত হৈ পৰিছে আছু

## হত্যাৰ চেষ্টা চলাই ছহিদ ভৱনত সোমাই থাকিলেই দোষমুক্ত নহয়



মিথ্যাচাৰ নহয় যুক্তি-তথ্যৰে ন্যায়ালয়ত যুঁজ দিবলৈ আছুক প্ৰত্যাহ্বান ছাত্ৰ পৰিষদৰ

ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত সদৌ অসম ছাত্ৰ সন্থা আৰু অসম ছাত্ৰ পৰিষদৰ মাজত সংঘটিত সংঘৰ্ষৰ ঘটনাক কেন্দ্ৰ কৰি উত্তেজনা অব্যাহত থকাৰ সময়তে সত্যক লুকুৱাই, অপৰাধীক ৰক্ষণাবেক্ষণৰ চেষ্টা চলাই তথা ৰাইজক বিভ্ৰান্ত কৰি আছুৰ নেতৃত্বই চৰম মিথ্যাচাৰৰ আশ্ৰয় লোৱা বুলি অভিযোগ উত্থাপন কৰিছে অসম গণ পৰিষদৰ ছাত্ৰ সংগঠন অসম ছাত্ৰ পৰিষদে। ঘটনাৰ সন্দৰ্ভত আছুৱে কালি তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধ ঘোষণা ১০ পৃষ্ঠাত চাওক



## উত্তৰ প্ৰদেশৰ নিৰ্বাচনৰ পাছত কংগ্ৰেছলৈ নেতাৰ সোঁত ব'ব ঃ ৰিপুন



ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰাই আজি কয় যে উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ পাছতেই কংগ্ৰেছলৈ বিভিন্ন দলৰ নেতা-কৰ্মীৰ সোঁত ব'ব। ১০ পৃষ্ঠাত চাওক

## চিৰাঙৰ ভূটান সীমান্তত কাঠকটীয়াক 'এনকাউণ্টাৰ' বন বিভাগৰ

অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ২৭ ডিচেম্বৰ ঃ** ৰাজ্যত এইবাৰ বন বিভাগৰ দ্বাৰা সংঘটিত হ'ল 'এনকাউন্টাৰ'ৰ ঘটনা। বনৰক্ষীৰ গুলিত আহত হ'ল এজন চোৰাং কাঠকটীয়া। আজি পুৱতি নিশা প্ৰায় তিনি বজাত এই ঘটনা সংঘটিত হয় চিৰাং জিলাৰ ভূটান সীমান্তৰ ৰিপু চিৰাং সংৰক্ষিত বনাঞ্চলৰ লাউপানী, ঢোলপানীত। গুলিবিদ্ধ সাত পৃষ্ঠাত চাওক

■ পুনৰ নগাঁৱত কণ্টেইনাৰ বাহনসহ ২৯টা গৰু জব্দ কৰিলে

## গৰুৰ চোৰাং সৰবৰাহত জড়িত আৰক্ষীক গ্ৰেপ্তাৰ, পলায়ন গৃহৰক্ষীৰ

বিশেষ সংবাদদাতা
**নগাঁও, ২৭ ডিচেম্বৰ ঃ** নগাঁৱৰ একাংশ আৰক্ষীয়ে ধনৰ লোভত গৰুৰ চোৰাং সৰবৰাহকাৰীক সহযোগ কৰাৰ তথ্য পোহৰলৈ অহাত সম্প্ৰতি জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কালি নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই বৰঘাট আৰক্ষী চকীৰ এজন কনিষ্টবল আৰু এজন গৃহৰক্ষী জোৱানৰ লগতে আন একাংশ আৰক্ষী থানাৰো কেতবোৰ তলখাপৰ আৰক্ষী এই চোৰাং সৰবৰাহকাৰী চক্ৰৰ স'তে জড়িত থকাৰ তথ্য লাভ কৰা বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰিছিল। আনকি তেওঁলোকক এই সন্দৰ্ভত সোধপোছ কৰা বুলিও আৰক্ষী অধীক্ষকজনে অৱগত কৰিছিল। ইয়াৰ পাছতে আজি নগাঁও আৰক্ষী অধীক্ষকৰ নিৰ্দেশত নগাঁও আৰক্ষীয়ে গৰুৰ চোৰাং সৰবৰাহকাৰী ১০ পৃষ্ঠাত চাওক

গ্ৰেপ্তাৰ কৰা আছু কৰ্মীক শীঘ্ৰে মুক্তিৰ দাবী

## মুখ্যমন্ত্ৰীৰ নেতৃত্বত চলা অত্যাচাৰী শাসন মানি নলওঁ ঃ সকীয়নি ভট্টাচাৰ্যৰ

ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** ডিব্ৰু মহাবিদ্যালয়ৰ একতা সভাত নিৰ্বাচনৰ ফলাফলক কেন্দ্ৰ কৰি আছু আৰু ছাত্ৰ পৰিষদৰ সংঘাতে ৰক্তাক্ত ৰূপ ধাৰণ কৰাৰ পাছত কে'বাজনো আছু সদস্যক ডিব্ৰুগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যত অত্যাচাৰী শাসন চলা বুলি অভিযোগ উত্থাপন কৰিছে আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। আজি চান্দমাৰিৰ এক অনুষ্ঠানত ভট্টাচাৰ্যই গ্ৰেপ্তাৰ কৰা আছুৰ সদস্যসকলক শীঘ্ৰে মুকলি আৰু দোষীক শাস্তি দিয়াৰ দাবী তুলি কয় যে ডিব্ৰুগড় ছাত্ৰ সন্থাৰ কাৰ্যালয় অৰ্থাৎ ছহিদ ন্যাস ভৱন সাত পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত উত্তেজনা অব্যাহত, জুমুঠি দাহ

বিশেষ সংবাদ দাতা
**ডিব্ৰুগড়, ২৭ ডিচেম্বৰ ঃ** 'অসমৰ ৮৫৫জন ছহিদক যেন পুনৰবাৰ ভৰিৰে গছকি মোহাৰিলে ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই। এয়া কেৱল অপমানেই নহয়, অসম আৰু অসমীয়াৰ স্বাভিমানত কুঠাৰাঘাত কৰা হৈছে।' এই মন্তব্য আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি সাত পৃষ্ঠাত চাওক

■ মহিলাৰ যোগদান কম বুলি আক্ষেপ ঃ যুৱতীসকললৈ আহ্বান

## অসম আৰক্ষীত মহাপৰিদৰ্শক পদত প্ৰথম মহিলা ভায়োলেট বৰুৱা



ষ্টাফ ৰিপ'টাৰ
**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** অসম আৰক্ষীত প্ৰথমবাৰৰ বাবে এগৰাকী মহিলা বিষয়াই আজি মহাপৰিদৰ্শক (আই জি পি) পদলৈ পদোন্নতি লাভ কৰে। সম্প্ৰতি বিটিএডিৰ আৰক্ষী উপ-মহাপৰিদৰ্শকৰূপে কৰ্মৰত ভায়োলেট বৰুৱাই উক্ত পদলৈ পদোন্নতি লাভৰ লগে লগে অসম আৰক্ষীয়েও নতুন মাত্ৰা লাভ কৰে। ১৯৯২ৰ অসম আৰক্ষী সেৱাৰ বিষয়া আৰু ২০০৪ত ভাৰতীয় আৰক্ষী সেৱালৈ মনোনীত হোৱা বৰুৱাই কৰ্মক্ষেত্ৰত দক্ষতাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী বঁটাকে ধৰি বিভিন্ন সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ সাত পৃষ্ঠাত চাওক

■ ১২০ ঘণ্টাৰ তালাচীৰ জব্দ নগদ ২৮৪ কোটি টকা ■ ৫০ ঘণ্টাৰ জেৰাৰ অন্তত গ্ৰেপ্তাৰ

## পৰ্বতসম সম্পত্তিৰ অধিকাৰী হৈও সাধাৰণ স্কুটাৰত ঘূৰিছিল ব্যৱসায়ী পীয়ুষ জৈনে

■ দেশ-বিদেশত আছে বিপুল পৰিমাণৰ সম্পত্তি ■ ২৩ কেজি সোণ, ছশ কেজি চন্দনসহ প্ৰায় ১৭ কোটিৰ সামগ্ৰীও জব্দ ■ তিনিটাকৈ যন্ত্ৰৰে দুদিন ধৰি টকাৰ পাহাৰ গণিবলগীয়া হ'ল আয়কৰ বিষয়াই ■ জিএছটি ফাকি দিয়াৰ বাবেই কৰিছিল নগদ লেনদেন ■ পান মছলা কোম্পানীক সুগন্ধি যোগান ধৰিয়েই বিপুল সম্পত্তিৰ গৰাকী



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** দেশৰ আয়কৰ বিভাগৰ ইতিহাসত সৰ্ববৃহৎ নগদ ধন জব্দৰ ঘটনাত অৱশেষত গ্ৰেপ্তাৰ হ'ল কানপুৰস্থিত ব্যৱসায়ী পীয়ুষ জৈন। সুদীৰ্ঘ ৫০ ঘণ্টাৰ জেৰাৰ অন্তত কৰ ফাকি দিয়াৰ অভিযোগত ব্যৱসায়ী জৈনক আজি গ্ৰেপ্তাৰ কৰা হয়। ইতিমধ্যে সাত পৃষ্ঠাত চাওক

## মাদাৰ টেৰেছাৰ সংস্থা মিছনেৰীজ অৱ চেৰিটীৰ বেংক একাউণ্ট বন্ধক লৈ ৰহস্য




■ নিউজ ব্যুৰ'
**কলকাতা, ২৭ ডিচেম্বৰ ঃ** মাদাৰ টেৰেছাৰ দ্বাৰা প্ৰতিষ্ঠিত মিছনেৰী অৱ চেৰিটী নামৰ সংস্থাটোৰ বেংক একাউণ্ট বন্ধ কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি সংস্থাটোৰ সকলোবোৰ বেংক একাউণ্ট বন্ধ কৰি দিয়াৰ বাতৰি বিয়পি পৰে যদিও ইয়াকে লৈ স্পষ্ট ভাষ্য প্ৰকাশিত নোহোৱাত ৰহস্যৰ সৃষ্টি হৈছে। আজি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু চিপিএমৰ ৰাজ্যিক সাধাৰণ সাত পৃষ্ঠাত চাওক

# চীনত সন্তান জন্ম দিলে অভিভাৱকে লাভ কৰিব ঋণ

**নিউজ ব্যুৰ', বেইজিং, ২৭ ডিচেম্বৰ ঃ** চীনৰ কে'বাখনো ৰাজ্যই দম্পতীসকলক সন্তান জন্ম দিয়াৰ বাবে উৎসাহিত কৰিবলৈ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। জিলিন প্ৰদেশত শেহতীয়াভাৱে বেংকে সন্তান জন্ম দিয়া দম্পতীক ঋণ প্ৰদানৰ আঁচনি প্ৰৱৰ্তন কৰিছে। উত্তৰ -পূব চীনৰ এইখন প্ৰদেশত বিবাহিত দম্পতীয়ে সন্তান জন্ম দিলে দুই লাখ য়ুআন ধন বেংকৰ পৰা ঋণ হিচাপে লাভ কৰিব। চীনৰ জনসংখ্যা হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি দেশখনৰ কে'বাখনো ৰাজ্যই জনসংখ্যা বৃদ্ধিৰ লক্ষ্যৰে এনে আকৰ্ষণীয় আঁচনি গ্ৰহণ কৰিছে। জিলিন প্ৰদেশত প্ৰশাসনে গ্ৰহণ কৰা নতুন আঁচনি অনুসৰি অঞ্চলটোৰ দুটা বা তিনিটা



সন্তান থকা ক্ষুদ্ৰ ব্যৱসায়ীসকলে কৰৰ ক্ষেত্ৰত বিশেষ ৰেহাই লাভ কৰিব। যোৱা সপ্তাহত জিলিন প্ৰদেশৰ প্ৰশাসনে এই আঁচনি ঘোষণা কৰিছিল। উল্লেখ্য যে চীনৰ তিনি ৰাজ্য ক্ৰমে জিলিন, লায়'নিং আৰু হাইলংগঝিয়াংগৰ অন্যতম এক সমস্যা হৈছে এই অঞ্চলৰ জনসংখ্যা যথেষ্ট হ্ৰাস পাইছে। অঞ্চলটোৰ বাসিন্দা যুৱ প্ৰজন্মই বিবাহৰ প্ৰতি অনীহা প্ৰদৰ্শন কৰাৰ লগতে বিবাহিতসকলে সন্তান জন্ম দিয়াৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰাৰ পৰা বিৰত আছে। ফলত অঞ্চলটো প্ৰশাসনে বিবাহিত লোকসকলক জনসংখ্যা বৃদ্ধিৰ প্ৰতি উৎসাহিত কৰিবলৈ নানা পদক্ষেপ গ্ৰহণ কৰিছে।

# এশ কোটিৰ গুণ্ডাকৰৰ গোচৰত দেশমুখৰ বিৰুদ্ধে অভিযোগনামা অচিৰে দাখিল কৰিব ই ডিয়ে



**নিউজ ব্যুৰ', মুম্বাই, ২৭ ডিচেম্বৰ ঃ** মুম্বাইৰ পানশালা, ৰেস্তোৰাঁৰ পৰা মাহে এশ কোটি টকাৰ গুণ্ডাকৰ সংগ্ৰহ কৰাৰ অভিযোগৰ তদন্তকাৰী প্ৰৱৰ্তক সঞ্চালকালয়ে (ই ডি) অচিৰে এই গোচৰত অভিযুক্ত মহাৰাষ্ট্ৰৰ প্ৰাক্তন গৃহমন্ত্ৰী অনিল দেশমুখৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিব। অবৈধ ধন লেনদেনৰ গোচৰত ই ডিয়ে যোৱা দুই নৱেম্বৰত দেশমুখক গ্ৰেপ্তাৰ কৰিছিল। আনহাতে, দেশমুখৰ ব্যক্তিগত সচিব সন্দীপ পলাণ্ডে আৰু ব্যক্তিগত সহায়ক কুন্দন সিন্ধেক যোৱা জুনত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। এই দুজন ব্যক্তিৰ বিৰুদ্ধে ই ডিয়ে যোৱা ২৪ আগষ্টত অভিযোগনামা দাখিল কৰিছিল। দেশমুখৰ বিৰুদ্ধে মুম্বাই আৰক্ষীৰ প্ৰাক্তন আয়ুক্ত পৰমবীৰ সিঙে গুণ্ডাকৰ সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰিছিল। সিঙৰ অভিযোগ অনুসৰি, কেইজনমান আৰক্ষীৰ জৰিয়তে তদানীন্তন গৃহমন্ত্ৰী দেশমুখে মুম্বাইৰ পানশালা আৰু ৰেস্তোৰাঁৰ পৰা মাহে এশ কোটি টকা সংগ্ৰহ কৰিছিল। এই ঘটনাৰে তদন্ত ই ডিয়ে অব্যাহত ৰাখিছে।

# অমৰিন্দৰ-শ্বাহৰ সাক্ষাতত মৰ্চা গঠনৰ ঘোষণা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** কংগ্ৰেছ ত্যাগ কৰি পঞ্জাৱ লোক কংগ্ৰেছ দল গঠন কৰা পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙে আজি দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। দিল্লীস্থিত গৃহমন্ত্ৰীৰ বাসগৃহত দুয়োজন নেতাই পঞ্জাৱৰ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ সন্দৰ্ভত আলোচনা কৰে। বৈঠকৰ পাছত কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ শেখাৱটে কয় যে বিজেপি, অমৰিন্দৰ সিং আৰু সুখদেৱ সিঙৰ দলে একেলগে মৰ্চা গঠন কৰি পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। শেখাৱটে লগতে কয় যে আসনৰ ভাগ-বাটোৱাৰা আৰু ঘোষণাপত্ৰৰ দৰে বিষয়ৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ বাবে তিনিওটা দলৰ দুজনকৈ সদস্যৰে এখন সমিতি গঠন কৰা হ'ব। উল্লেখ্য যে অমৰিন্দৰে শ্বাহক বাসগৃহত সাক্ষাৎ কৰাৰ সময়ত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাও উপস্থিত আছিল।

# পাঁচ ৰাজ্যত নিৰ্বাচন হ'ব নে? জানুৱাৰীত সিদ্ধান্ত ল'ব আয়োগে

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** দেশৰ পাঁচ ৰাজ্যত ২০২২ত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ সন্দৰ্ভত অহা জানুৱাৰীত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব নিৰ্বাচন আয়োগে। আয়োগে ২০২২ৰ জানুৱাৰীত স্বাস্থ্য বিভাগৰ বিষয়াৰ স'তে এখন বৈঠকত মিলিত হ'ব আৰু ইয়াৰ পাছতে পাঁচ ৰাজ্যত নিৰ্বাচন অনুষ্ঠিত কৰা অথবা স্থগিত ৰখাৰ সন্দৰ্ভত সিদ্ধান্ত ল'ব। দৰাচলতে আজি নিৰ্বাচন আয়োগে স্বাস্থ্য বিভাগৰ বিষয়াৰ স'তে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছিল। এই বৈঠকত পাঁচ ৰাজ্য উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, গোৱা, পঞ্জাৱ আৰু মণিপুৰৰ কৰ'না সংক্ৰমণৰ বিষয়টো আলোচনা কৰে। এই পাঁচ ৰাজ্যত ২০২২ত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। আয়োগে পাঁচ ৰাজ্যৰ ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগৰ পৰামৰ্শ অনুসৰি অহা জানুৱাৰীত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সন্দৰ্ভত চূড়ান্ত সিদ্ধান্তত উপনীত হ'ব।




## দেশৰ অৰ্বুদপতিৰ শীৰ্ষত আছে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানী ঃ দ্ৰুতগতিত সম্পত্তি বৃদ্ধি গৌতম আদানীৰ

# ২০২১ বৰ্ষত ভাৰতত অৰ্বুদপতিৰ সংখ্যা ১২৬ জনলৈ বৃদ্ধি

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** ২০২১ বৰ্ষতো ভাৰতৰ উদ্যোগপতি আৰু বিনিয়োগকাৰীৰ বাবে উল্লেখযোগ্য আছিল। প্ৰকাশিত তথ্য অনুসৰি, চলিত বৰ্ষত দেশত অৰ্বুদপতিৰ সংখ্যা ১২৬ জনলৈ বৃদ্ধি পালে। দেশৰ অৰ্বুদপতিৰ তালিকাত শীৰ্ষ স্থানত আছে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানী। বিগত ডেৰ বছৰ ধৰি দেশৰ পুঁজি বজাৰৰ প্ৰদৰ্শন যথেষ্ট উন্নত হোৱাত অৰ্বুদপতিৰ সংখ্যাও বৃদ্ধি পায়। এক বিলিয়ন ডলাৰ অৰ্থাৎ প্ৰায় ৭৫,০০০ কোটি টকাৰ সম্পত্তি আহৰণ কৰা ব্যৱসায়ী-উদ্যোগপতিৰ সংখ্যা ভাৰতত ২০২০ বৰ্ষত ৮৫ জন আছিল। চলিত বৰ্ষত এক বিলিয়ন ডলাৰ বা ততোধিক সম্পত্তিৰ গৰাকী হোৱা ভাৰতীয়ৰ সংখ্যা ১২৬ জনলৈ বৃদ্ধি পালে। এইসকল দেশীয় অৰ্বুদপতিৰ মুঠ সম্পত্তিৰ পৰিমাণ বৰ্তমানে ৭২৮ বিলিয়ন ডলাৰ অৰ্থাৎ প্ৰায়




৫৪.৬ লাখ কোটি টকা হ'ব। ২০২০ৰ ডিচেম্বৰত ভাৰতত অৰ্বুদপতিৰ হাতত থকা মুঠ সম্পত্তিৰ পৰিমাণ আছিল ৪৯৪ বিলিয়ন ডলাৰ অৰ্থাৎ ৩৭ লাখ কোটি টকা।

প্ৰতিবেদনৰ তথ্য অনুসৰি, দেশৰ ১২৬ অৰ্বুদপতিৰ হাতত থকা মুঠ সম্পত্তিৰ পৰিমাণ হৈছে দেশৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)ৰ ২৫ শতাংশৰ সমান। যোৱা বছৰত অৰ্বুদপতিৰ হাতত থকা সম্পত্তি আৰু জি ডি পিৰ অনুপাত আছিল ১৮.৬ শতাংশ। বৰ্তমানে আম্বানীৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১০৪.৭ বিলিয়ন ডলাৰ অৰ্থাৎ ৭.৮৫ লাখ কোটি টকা। যোৱা বছৰৰ তুলনাত চলিত বৰ্ষত আম্বানীৰ সম্পত্তি ২১.৪ শতাংশ বৃদ্ধি পালে। ২০১৯ত আম্বানীৰ সম্পত্তি ৩৭ শতাংশ বৃদ্ধি পাইছিল। চলিত বৰ্ষত দ্ৰুতগতিত সম্পত্তি বৃদ্ধি পালে উদ্যোগপতি গৌতম আদানীৰ। ২০২১ বৰ্ষত আদানীৰ সম্পত্তিৰ পৰিমাণ ৮২.৪৩ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে। ২০২০ৰ ডিচেম্বৰৰ তুলনাত আদানীৰ সম্পত্তি ৪০ বিলিয়ন ডলাৰ বৃদ্ধি পালে। ২০১৯ত আদানীৰ সম্পত্তিৰ পৰিমাণ আছিল ২০ বিলিয়ন ডলাৰ। উইপ্ৰ'ৰ মুৰব্বী আজিম প্ৰেমজী, এইচ চি এলৰ শিৱ নাডৰ আৰু ইনফ'ছিছৰ প্ৰতিষ্ঠাপক নাৰায়ণ মূৰ্তিৰ সম্পত্তিও চলিত বৰ্ষত যথেষ্ট বৃদ্ধি পালে।



# চত্তিছগড়, তেলেংগানা সীমান্তত নিৰাপত্তা বাহিনীৰে সংঘৰ্ষত নিহত ছয় মাওবাদী

**নিউজ ব্যুৰ' কিস্তৰাম, ২৭ ডিচেম্বৰ ঃ** মাওবাদী দমনত বৃহৎ সফলতা লাভ কৰিলে নিৰাপত্তা বাহিনীয়ে। চত্তিছগড়-তেলেংগানা সীমান্তত নিৰাপত্তা বাহিনীৰ স'তে হোৱা গুলীয়াগুলিত নিহত হ'ল ছজন মাওবাদী সদস্য। সীমান্তৰ কিস্তৰাম থানাৰ অধীনস্থ অৰণ্য অঞ্চলত মাওবাদীৰ ঘাটিত অভিযান চলোৱাৰ সময়তে নিৰাপত্তা বাহিনীৰ স'তে উগ্ৰপন্থীৰ সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। কে'বাঘণ্টা ধৰি উভয় পক্ষৰ মাজত হোৱা গুলীয়াগুলিত ছজন মাওবাদী ধৰাশায়ী হয়।


# ম্যানমাৰৰ গণহত্যাৰ স্বচ্ছ তদন্তৰ দাবী ৰাষ্ট্ৰসংঘৰ



**নিউজ ব্যুৰ', য়াংগুন, ২৭ ডিচেম্বৰ ঃ** ম্যানমাৰৰ স্বতঃস্ফূৰ্ত গণতান্ত্ৰিক আন্দোলন দমন কৰিবলৈ সামৰিক জুণ্টাই এটাৰ পাছত আন এটা হত্যাকাণ্ড সংঘটিত কৰি আহিছে। শেহতীয়াভাৱে দেশখনৰ কায়াহ প্ৰদেশত প্ৰকাশ্যে গণহত্যা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই গণহত্যাৰ এক বিস্তাৰিত আৰু স্বচ্ছ তদন্তৰ দাবী জনালে ৰাষ্ট্ৰসংঘই। যোৱা ফেব্ৰুৱাৰীত আং ছান ছ্যু কীৰ নিৰ্বাচিত চৰকাৰক অপসাৰণ কৰি বাৰ্মিছ সেনাই ম্যানমাৰৰ শাসনভাৰ লৈছিল। সামৰিক অভ্যুত্থানৰ পাছৰে পৰা অশান্ত হৈ আছে ম্যানমাৰ। সৰ্বশক্তি প্ৰয়োগ কৰিও গণতন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠাৰ দাবীত আন্দোলন অব্যাহত ৰখা প্ৰতিবাদকাৰীক দমন কৰিব পৰা নাই সামৰিক জুণ্টাই। শেহতীয়াভাৱে কায়াহ প্ৰদেশত বাৰ্মিছ সেনাই ৩০ জন লোকক গুলীয়াই হত্যা কৰাৰ লগতে মৃতদেহ জ্বলাই দিয়াৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাৰে নিকা তদন্তৰ দাবী উত্থাপন কৰি ৰাষ্ট্ৰসংঘৰ বিষয়া মাৰ্টিন গ্ৰিফিথছে কয়, 'এই ঘটনা প্ৰত্যক্ষ কৰি আমি আতংকিত। ইয়াৰ বিস্তাৰিত আৰু স্বচ্ছ তদন্ত কৰিব লাগিব ম্যানমাৰ চৰকাৰে।'

# দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৫৭৮ জনলৈ বৃদ্ধি, ১৯ খন ৰাজ্য হ'ল সংক্ৰমিত

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ দেশত উদ্বেকজনক হাৰত বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ অ'মিক্ৰনত আক্ৰান্ত হ'ল ১৫৬ জন লোক। বৰ্তমানলৈকে ভাৰতত ৫৭৮ জন লোক ক'ভিডৰ এই নতুন প্ৰজাতিত সংক্ৰমিত হৈছে। দেশৰ ১৯ খন ৰাজ্যত অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। দেওবাৰে হিমাচল প্ৰদেশ আৰু মধ্য প্ৰদেশতো প্ৰথম অ'মিক্ৰন সংক্ৰমণৰ তথ্য লাভ কৰা হৈছিল। দেশৰ ভিতৰতে সৰ্বাধিক অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে দিল্লী আৰু মহাৰাষ্ট্ৰত। এই দুই ৰাজ্যত নতুন প্ৰজাতিত আক্ৰান্ত লোকৰ সংখ্যা ১৪০ জনলৈ বৃদ্ধি পালে।



## দুবছৰত বিশ্বজুৰি ২৮ কোটি লোক হ'ল কৰ'নাত সংক্ৰমিত, ৫৪ লাখৰ মৃত্যু



**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৭ ডিচেম্বৰ ঃ** ২০১৯ৰ ডিচেম্বৰত চীনৰ উহান চহৰত প্ৰথম কৰ'না ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছিল। ২০২০ৰ ১১ মাৰ্চত বিশ্ব স্বাস্থ্য সংস্থাই কৰ'নাৰ সংক্ৰমণত গোলকীয় অতিমাৰী বুলি ঘোষণা কৰিছিল। বিগত দুবছৰত বিশ্বৰ বিভিন্ন দেশত ২৮ কোটিৰো অধিক লোক ক'ভিড মহামাৰীত সংক্ৰমিত হ'ল। বিশ্ব স্বাস্থ্য সংস্থাই এই তথ্য প্ৰকাশ কৰি লগতে জনোৱা অনুসৰি, বৰ্তমানলৈকে অতিমাৰীৰ সমগ্ৰ পৰ্বটোত ৫৪ লাখৰো অধিক লোকৰ মৃত্যু হ'ল। আমেৰিকা, ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ৰাছিয়া, অষ্ট্ৰেলিয়া আদি দেশত ক'ভিডৰ নতুন সংক্ৰমণে পুনৰ ভয়াবহ ৰূপ ধাৰণ কৰিছে।

# ফ্ৰান্সত এদিনত ১,০৪,৬১১ জন ক'ভিড ৰোগীক চিনাক্ত



**নিউজ ব্যুৰ', পেৰিছ, ২৭ ডিচেম্বৰ ঃ** ব্ৰিটেইনৰ পাছত কৰ'নাৰ সংক্ৰমণে ভয়াবহ ৰূপ ধাৰণ কৰিছে ফ্ৰান্সত। শনিবাৰে দেশখনত ১,০৪,৬১১ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। পেৰিছত যোৱা সপ্তাহত প্ৰতি এশ জন ব্যক্তিৰ এজন ক'ভিডত সংক্ৰমিত হৈছিল। দেশখনত সম্প্ৰতি সৰ্বাধিক সংখ্যক লোক কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত হৈছে। ফ্ৰান্সত বয়োজ্যেষ্ঠ নাগৰিকৰ ৯০ শতাংশ টিকাকৰণ হোৱাৰ লগতে ৪০ শতাংশ নাগৰিকে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধকো লাভ কৰিছে। কিন্তু ব্যাপক টিকাকৰণৰ পাছতো দেশখনত প্ৰতিদিনে এক লাখৰো অধিক লোক ক'ভিড আক্ৰান্ত হোৱাত আতংক অব্যাহত আছে।

# ৰাছিয়াত এদিনত ৯৬৮ ক'ভিড ৰোগীৰ মৃত্যু



**নিউজ ব্যুৰ', ম'স্কো, ২৭ ডিচেম্বৰ ঃ** কৰ'নাৰ দ্ৰুত সংক্ৰমণ বৃদ্ধি অব্যাহত আছে ৰাছিয়াত। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ২৩,৭২১ জন লোক। বৰ্তমানলৈকে ৰাছিয়াত ১০,৩৯২,০২০ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। যোৱা ২৪ ঘণ্টাত ৰাছিয়াত পুনৰ এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত প্ৰাণ হেৰুৱালে ৯৬৮ জন লোকে। ক'ভিডৰ সমগ্ৰ পৰ্বটোত দেশখনত ৩,০৪,২১৮ জন লোকৰ মৃত্যু হ'ল। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণো দেশখনত ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে।

# উন্নয়ন বিতৰ্কত সাংসদ থাৰুৰলৈ কাৰণ দৰ্শোৱাৰ জাননী কংগ্ৰেছৰ

**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ২৭ ডিচেম্বৰ ঃ** সৰ্বভাৰতীয় কংগ্ৰেছ পৰিচালনাৰ ক্ষেত্ৰত সংস্কাৰৰ দাবী উত্থাপন কৰি পূৰ্বে কংগ্ৰেছৰ 'বিক্ষুব্ধ' জি-২৩ তালিকাভুক্ত হৈছিল তিৰুঅনন্তপুৰমৰ কংগ্ৰেছ সাংসদ শশী থাৰুৰ। এইবাৰ কেৰালাত কংগ্ৰেছৰ কাৰণ দৰ্শোৱাৰ জাননী লাভ কৰিলে থাৰুৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে স্পষ্টভাৱে থাৰুৰক সকীয়নি দি কয় যে দলৰ নিয়ম মানি নচলিলে কোনো নেতাই কংগ্ৰেছত থকা অনুচিত। প্ৰকাশিত বাতৰি অনুসৰি, কেৰালাত 'ছিলভাৰ লাইন' ৰেল প্ৰকল্পৰ তীব্ৰ বিৰোধিতা কৰিছে কংগ্ৰেছ আৰু ইউডিএফে। এই ৰেল প্ৰকল্পৰ বিৰোধিতাৰে দক্ষিণৰ উক্ত ৰাজ্যৰ কংগ্ৰেছে এখন পত্ৰ লিখি কেৰালাৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণৰ সিদ্ধান্ত লৈছিল। কিন্তু থাৰুৰে উক্ত পত্ৰখন পঢ়াৰ পাছত স্বাক্ষৰ কৰাৰ পৰা বিৰত আছিল। সংবাদ মাধ্যমত থাৰুৰে নিজৰ কলমত এইদৰে কৈছিল, 'ৰাজনীতিত বিৰোধিতা থাকিবই। কিন্তু কেৰালাৰ উন্নয়নৰ প্ৰশ্নত ইউডিএফে যিদৰে বিৰোধিতাৰ



অৱস্থান গ্ৰহণ কৰিছে সেয়া যুক্তিসংগত নহয়।' অলপতে কলকাতাতো এখন গ্ৰন্থ উন্মোচনী সভাত অংশ লোৱাৰ সময়ত থাৰুৰে কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নৰ স'তে যথেষ্ট ঘনিষ্ঠতা প্ৰদৰ্শন কৰাৰ লগতে কেৰালা চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ প্ৰশংসা কৰিছিল। ইয়াৰ পাছতে কেৰালা কংগ্ৰেছৰ সভাপতি কে সুধাকৰণে থাৰুৰলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰে। থাৰুৰে অৱশ্যে এতিয়ালৈকে দলৰ এই জাননীৰ সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

# জাষ্টিন ট্ৰুডুৰ অভিযোগ ঃ পশ্চিমৰ দেশক নিজৰ মাজত যুঁজ কৰাইছে চীনে

**নিউজ ব্যুৰ', টৰ'ন্টো, ২৭ ডিচেম্বৰ ঃ** কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডুৱে পশ্চিমৰ দেশৰ বিৰুদ্ধে চীনে ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। ট্ৰুডুৱে কয় যে পশ্চিম বিশ্বৰ দেশে চীনৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে সতৰ্ক হোৱা উচিত। কানাডাৰ প্ৰধানমন্ত্ৰীৰ অভিযোগ অনুসৰি, চীনে পশ্চিম বিশ্বৰ দেশক প্ৰৰোচিত কৰি এখন ৰাষ্ট্ৰক আনখনৰ বিৰুদ্ধে যুঁজিবলৈ বাধ্য কৰিছে যাতে বিশ্ব অৰ্থনীতি আৰু বজাৰ চীনে নিজৰ দখলত ৰাখিব পাৰে। নিজকে অধিক শক্তিশালী কৰিবলৈ চীনে পশ্চিম বিশ্বৰ বিৰুদ্ধে এইদৰে কূটকৌশল ৰচিছে বুলিও ট্ৰুডুৱে অভিযোগ কৰি কয় যে এতিয়া সময় উপস্থিত হ'ল আৰু পশ্চিম বিশ্বৰ সকলো দেশে চীনৰ ষড়যন্ত্ৰৰ উচিত প্ৰত্যুত্তৰ দিব লাগিব। 'গ্ল'বেল টিভি'ৰ এক সাক্ষাৎকাৰত কানাডাৰ প্ৰধানমন্ত্ৰীয়ে চীনৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি কয়, 'চীনে আমাৰ বিৰুদ্ধে আজৱ খেল খেলিছে। ইয়াক ষড়যন্ত্ৰ গণ্য কৰা উচিত। চীনে পশ্চিমৰ



দেশক এখনক আনখনৰ বিৰুদ্ধে ব্যৱহাৰ কৰিছে। পশ্চিম বিশ্বৰ দেশৰ মাজত সংঘাত বৃদ্ধি কৰিছে। ইয়াৰ জৰিয়তে চীনে বজাৰ দখলৰে মুনাফা অৰ্জন কৰিব বিচাৰিছে। বিশ্বশক্তিত পৰিণত হ'বলৈ চীনে এইদৰে পশ্চিম বিশ্বৰ বিৰুদ্ধে কূটকৌশল অৱলম্বন কৰিছে। এতিয়া আমি এনেবোৰ কথা বুজি পোৱা উচিত। চীনৰ ভুল নীতি আৰু ষড়যন্ত্ৰকাৰী কূটকৌশল আমি হংকঙত ইতিমধ্যে প্ৰত্যক্ষ কৰিছো। হংকঙত নাগৰিকক বন্দী কৰা হৈছে। উইঘূৰ মুছলমানক চীনত অত্যাচাৰ কৰা হৈছে। চীনৰ এনে কূটকৌশলৰ উত্তৰ পশ্চিম বিশ্বই একত্ৰিতভাৱে দিয়াৰ সময় উপস্থিত হৈছে।'




# বিজেপি ত্যাগ কৰি তৃণমূললৈ উভতিল জলপাইগুড়িৰ বিধায়ক

**নিউজ ব্যুৰ' জলপাইগুড়ি, ২৭ ডিচেম্বৰ ঃ** পুনৰ অঘটনৰ সন্মুখীন হ'ল পশ্চিমবংগৰ বিজেপি। এইবাৰ বিজেপি ত্যাগ কৰিলে জলপাইগুড়িৰ বিধায়ক ধৰতীমোহন ৰায়ে। তৃণমূল কংগ্ৰেছৰ পৰা দলত্যাগ কৰি বিজেপিত যোগদান কৰা ৰায়ে আজি পুনৰ তৃণমূল কংগ্ৰেছত যোগদান কৰে। বিধায়কজনৰ ঘনিষ্ঠ মহলৰ অভিযোগ অনুসৰি, বিজেপিত গুৰুত্ব লাভ নকৰাত ৰায়ে দলত্যাগৰ সিদ্ধান্ত লয়।

# আমি ছোভিয়েট নহয়, যুদ্ধ হ'লে পৰাভূত নহওঁ ঃ আমেৰিকাক ধমক চীনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৭ ডিচেম্বৰ ঃ** পূৰ্বৰ ছোভিয়েট ইউনিয়নৰ দৰে নহয় চীন। যদি নতুনকৈ শীতল যুদ্ধ আৰম্ভ হয়, তেন্তে কেতিয়াও পৰাজিত নহ'ব চীন। সংঘাতৰ আশংকা বৃদ্ধিৰে শেহতীয়াভাৱে এনে ধমক দিলে আমেৰিকাত নিযুক্ত চীনৰ ৰাষ্ট্ৰদূত কুইন গেঙে। যোৱা সপ্তাহত আমেৰিকাৰ সংবাদ মাধ্যমৰ জ্যেষ্ঠ সাংবাদিক আৰু বিষয়াৰ স'তে হোৱা বাৰ্তালাপত চীনৰ ৰাষ্ট্ৰদূতগৰাকীয়ে স্পষ্টভাৱে কয়, 'যদি কোনোবাই চীনৰ বিৰুদ্ধে শীতল যুদ্ধ আৰম্ভ কৰে, তেন্তে আমি জনাব বিচাৰো যে চীন কেতিয়াও পৰাজিত নহয়।' ৰাছিয়াক কটাক্ষ কৰি ৰাষ্ট্ৰদূত গেঙে পুনৰ কয়, 'তেওঁলোকে শীতল যুদ্ধ জয় কৰিব নোৱাৰে। কাৰণটো হৈছে চীন পূৰ্বৰ ছোভিয়েট ইউনিয়ন নহয়। চি পি চি এশ বছৰৰ পুৰণি। আমেৰিকাত কে'বাজনো লোকৰ শীতল যুদ্ধৰ মানসিকতা আছে। আজিৰ আমেৰিকা আৰু ৩০ বছৰৰ পূৰ্বৰ আমেৰিকা একেই নহয়। আজি চীনৰ সবাতোকৈ বৃহৎ বাণিজ্যিক সহযোগী হৈছে আমেৰিকা। একেদৰে আমেৰিকাৰ তৃতীয় সবাতোকৈ বৃহৎ বাণিজ্যিক সহযোগী হৈছে চীন।' গেঙে লগতে টাইৱান প্ৰসংগতো আমেৰিকাক সতৰ্ক হৈ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে ২০২২ বৰ্ষত চীনত অনুষ্ঠিত হ'ব লগা শীতকালীন অলিম্পিক আমেৰিকাই বৰ্জন কৰাৰ পাছত ৱাশ্বিংটন আৰু বেইজিঙৰ মাজত পুনৰ সম্পৰ্ক উত্তপ্ত হৈ উঠিছে। ইতিমধ্যে চীনে ধমক দি কৈছে যে আমেৰিকাই এই সিদ্ধান্তৰ মূল্য আদায় দিব লাগিব। এনে পৰিস্থিতিত পুনৰ উত্তপ্ত হৈ উঠিছে উভয় দেশৰ সম্পৰ্ক।

# দৈনিক আক্ৰান্তৰ সংখ্যা পুনৰ হ্ৰাস, কমিল মৃত্যুৰ সংখ্যাও


**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** ভাৰতত কৰ'নাৰ দৈনিক সংক্ৰমণ সোমবাৰে পুনৰ হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, সোমবাৰে পুৱা আঠ বজালৈকে যোৱা ২৪ ঘণ্টাত দেশত ৬,৫৩১ জন লোক



ক'ভিড-১৯ত সংক্ৰমিত হ'ল। এইসকল আক্ৰান্তৰ ৫৭৮ জন হৈছে অ'মিক্ৰন প্ৰজাতিত সংক্ৰমিত। আজি ক'ভিডত মৃতকৰ সংখ্যাও দেশত ৩১৫ জনলৈ হ্ৰাস পালে। বৰ্তমানে দেশত ৭৫,৮৪১ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিড সংক্ৰমণৰ হাৰ আছিল ০.৬৫ শতাংশ।

# আৱামী লীগৰ নেতাৰ হত্যাকাণ্ডত ১৩ জনক মৃত্যুদণ্ডৰ ৰায় ঢাকাৰ আদালতৰ

**নিউজ ব্যুৰ', ঢাকা, ২৭ ডিচেম্বৰ ঃ** বাংলাদেশৰ শাসক দল আৱামী লীগৰ নেতা জহিৰুল হকক হত্যাৰ গোচৰত ১৩ জন অভিযুক্তক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰ ৰায় দিলে আদালতে। একেটা গোচৰত ঢাকাৰ ফাষ্ট ট্ৰেক আদালতৰ বিচাৰক আবু জাফৰ মহম্মদ কামৰুজ্জমানে আন আঠজন অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ড বিহে। উল্লেখ্য যে ২০১৬ৰ ১৪ নৱেম্বৰৰ সন্ধিয়া বাছ আস্থানৰ পৰা নিজ ঘৰলৈ যোৱাৰ পথত জহিৰুলক হত্যা কৰা হৈছিল। ঘটনাৰ তদন্ত চলাই আৰক্ষীয়ে ২১ অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা আদালতত দাখিল কৰিছিল। এই গোচৰত অভিযুক্ত ১৬ জন লোক বৰ্তমানে কাৰাগাৰত আছে আৰু আন পাঁচজন অভিযুক্ত পলাতক।



■ সা-সুবিধাৰ পৰা বঞ্চিত প্ৰকৃত কৃষক ৰাইজ ■ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান

# সেউজীয়া হৈছে তিতাবৰৰ সীমান্তৱৰ্তী গ্ৰামাঞ্চলৰ কৃষিভূমি

**বিশেষ সংবাদদাতা,**
**নগাবাট, ২৭ ডিচেম্বৰ ঃ** এতিয়া সেউজীয়া শাক-পাচলিৰে ভৰি পৰিছে এতিয়া গ্ৰামাঞ্চলৰ বৃহৎ বৃহৎ পথাৰসমূহ। ইয়াৰ ভিতৰত বিশেষভাবে আলু, কবি, বেঙেনা, কেৰেলা, মুলা, লাই আদিয়েই অধিক ভাবে গাঁৱৰ কৃষিভূমিত অগ্ৰাধিকাৰ লাভ কৰে। যোৰহাট জিলাৰ দক্ষিণ কোনৰ একেবাৰে অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত অৱস্থিত নগাবাট, বেকাজান, বৰহোলা, ইকৰাণি, বালিজান, গড়াজান, শিলডুবি, নাগিনীজুৰি, ৰাইডাংজুৰি আদি অঞ্চলতপৰিলক্ষিত হৈছে শাৰী শাৰীকৈ বিঘাই বিঘাই শাক-পাচলিৰ খেতি। সীমান্তৱৰ্তী গ্ৰামাঞ্চলৰ কে'বাজনো কৃষকে যে নৱেম্বৰৰ প্ৰথম সপ্তাহৰ পৰাই তেওঁলোকে ৰবি শস্যৰ খেতিৰ বাবে যো-জা চলাই। এইবাৰ অৱশ্যে কৰ'নাজনিত পৰিস্থিতিৰ বাবে যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। এইবাৰো ১৫-২০ বিঘাকৈ মাটিত শাক-পাচলিৰ খেতি কৰিছে। উল্লেখ্য যে এই সীমান্তৱৰ্তী অঞ্চলসমূহত উৎপাদিত পাচলিসমূহ ৰাজ্যৰ বিভিন্ন অঞ্চলৰ উপৰি চুবুৰীয়া ৰাজ্য মেঘালয়, মণিপুৰ, অৰুণাচল, নাগালেণ্ড আদিলৈয়ো ৰপ্তানি হয়। নিতৌ পুৱা নগাবাট, বেকাজান, মেৰাপানী, কাছমাৰী, মৰিয়নি, গমাৰি, তিতাবৰ, বৰহোলা, মক্ৰং, বালিজান, ৰজাবাৰী আদিত বহা সপ্তাহিক বজাৰ সমূহৰ লগতে শিৱসাগৰ, ডিব্ৰুগড়, নগাঁও আদিলৈ বিধে বিধে পাচলি কৃষকে বিক্ৰীৰ বাবে নিয়ে। মূলতঃ অঞ্চলকেইটাৰ অধিকাংশ লোক পাচলি খেতিৰ ওপৰতে নিৰ্ভৰ কৰিয়েই বছৰ বছৰ ধৰি জীৱন নিৰ্বাহ কৰি আহিছে। কৃষকসকলে উন্নতমানৰ কৃষি পদ্ধতিৰে খেতি কৰি লাভান্বিত হৈছে যদিও কেতিয়াবা কষ্টোপাৰ্জিত পাচলিৰ সঠিক মূল্য নোপোৱাত অথবা উপযুক্ত বজাৰ নোপোৱাত হতাশ হৈছে। ৰাজ্য চৰকাৰে যোগান ধৰা বীজ প্ৰকৃত কৃষকসকলে লাভ নকৰা, বীজ প্ৰতিষ্ঠানসমূহৰ একাংশ কৰ্মচাৰীৰ গাফিলতিৰ বাবে ভেজাল বীজ যোগান ধৰা, কৃষকৰ পৰিৱৰ্তে ভুৱা কৃষক তথা চৰকাৰী চাকৰি কৰা একাংশ লোকে কৃষি সামগ্ৰী লাভ কৰা আদি ঘটনাও পোহৰলৈ আহিছে। গ্ৰামাঞ্চলৰ প্ৰকৃত উদ্যমী কৃষকসকলক উৎসাহ যোগাবৰ বাবে চৰকাৰে গুৰুত্বসহকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সীমান্তৱৰ্তী ৰাইজে আহ্বান জনাইছে।



■ অভিনন্দন গ্ৰন্থ 'কৰ্মজীৱনৰ সুবাস' উন্মোচন

# শিক্ষকৰ স্থান অতি উচ্চ-দেৱতুল্য

**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ২৭ ডিচেম্বৰ ঃ** সৰ্থেবাৰী ৰাজহ চক্ৰৰ পাকা মৌজাৰ অন্তৰ্গত পাকা-বৰশিমলা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক চক্ৰেশ্বৰ ডেকাক যোৱা ২৪ ডিচেম্বৰত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, বিদ্যালয় পৰিচালনা সমিতি, বৰশিমলা গাঁও উন্নয়ন সমিতিয়ে ৰাজহুৱাভাৱে বিদায় সম্বৰ্ধনা জনায়। কৃতী শিক্ষকজনক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে বিদ্যালয়খনৰ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অচ্যুত চন্দ্ৰ কলিতাই। ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাত সহকাৰী প্ৰধান শিক্ষক চক্ৰেশ্বৰ ডেকাক বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীয়ে সুকীয়া সুকীয়াকৈ মানপত্ৰ, শৰাই, চেলেংচাদৰ, গামোচা, কলম, ধৰ্মগ্ৰন্থ, ছাতি আদিৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতি, বৰশিমলা গাঁও উন্নয়ন সমিতিয়ে মানপত্ৰ, গামোচা, কলম, ছাতি, ধৰ্মগ্ৰন্থ আদিৰে বিদায় সম্বৰ্ধনা জনায়। এই সভাতে আন আন কে'বাটিও অনুষ্ঠান, ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীয়ে বৰশিমলাগাঁৱৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে নিজাববীয়াকৈ কৃতী শিক্ষকজনক সম্বৰ্ধনা জনায়। বিদ্যালয়খনৰ সহকাৰী শিক্ষক ভৱেশ তালুকদাৰো সভাৰ আঁত ধৰে। সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অধৰ চন্দ্ৰ ডেকাই কয় যে আমাৰ দেশত শিক্ষকৰ স্থান অতি উচ্চ আৰু দেৱতুল্য। মানৱ সম্পদেহে সমাজ, দেশ চলাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰী জ্ঞানমন্দিৰ বিদ্যালয়ৰ পৰা জ্ঞান আহৰণ কৰি মানুহ হ'ব লাগিব। জ্ঞান অমৃত আৰু অমৰত্ব বুলি উল্লেখ কৰি কয় যে শিক্ষা লাভৰ দ্বাৰাহে এটা জাতি উন্নতিৰ জখলাত উঠিব পাৰে। ৰঙিয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা সংস্কৃত ভাষা সাহিত্যৰ পণ্ডিত ড° দক্ষেশ্বৰ ডেকা-শাস্ত্ৰীয়ে কয় যে পাকা-বৰশিমলা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক চক্ৰেশ্বৰ ডেকা কৃতী শিক্ষকেই নহয়, বিশিষ্ট সমাজকৰ্মী। তেওঁ লগতে কয় যে পৃথিৱীৰ প্ৰাচীনত সেৱাই হ'ল শিক্ষক। এই গুৰুৰ অৱদান আছে। মহিমা আছে। অনুষ্ঠানত কৃতী শিক্ষক চক্ৰেশ্বৰ ডেকাৰ ব্যক্তিত্ব, প্ৰতিভা, বিশাল কৰ্মৰাজি যুগমীয়া কৰাৰ প্ৰয়াসেৰে সাংবাদিক ভৱেশ ডেকা আৰু সহকাৰী শিক্ষক ভৱেশ তালুকদাৰৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা কৃতী শিক্ষক চক্ৰেশ্বৰ ডেকাৰ জীৱন আৰু কৃতি সম্বলিত অভিনন্দন গ্ৰন্থ 'কৰ্ম-জীৱনৰ সুবাস' উন্মোচন কৰে বজালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° বসন্ত কুমাৰ শৰ্মাই। অভিনন্দন গ্ৰন্থখন উন্মোচন কৰি তেওঁ কয় যে কৃতী শিক্ষক চক্ৰেশ্বৰ ডেকা এগৰাকী বহুধা প্ৰতিভা সম্পন্ন ব্যক্তি। অভিনন্দন গ্ৰন্থখনে নতুন প্ৰজন্মক জীৱনৰ পথত আগবঢ়াত সহায় কৰিব বুলি ভাষণত উল্লেখ কৰে। সৰ্থেবাৰী নিবাসী সমাজকৰ্মী, সাংবাদিক চক্ৰেশ্বৰ ডেকাই ১৯৯২ত বৰশিমলা মধ্য ইংৰাজী বিদ্যালয়ত বিজ্ঞান শিক্ষাৰূপে শিক্ষকতাৰ চাকৰিত যোগদান কৰি এই বছৰৰ যোৱা ৩০ ছেপ্টেম্বৰত পাকা-বৰশিমলা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষকৰূপে শিক্ষকতাৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে।

# দৈয়াঙৰ কুঁহিপাত ক্ষুদ্ৰ চাহ সমিতিৰ সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২৭ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ বৃহত্তৰ দৈয়াং অঞ্চলৰ ৰতনপুৰ গাঁও পঞ্চায়তৰ অন্যতম আৰ্থিক-সামাজিক অনুষ্ঠান 'কুঁহিপাত ক্ষুদ্ৰ চাহ খেতিয়ক সমিতি'ৰ উদ্যোগত, চাহ খেতিয়ক আৰু শুভাকাংক্ষী ৰাইজৰ সহযোগত কালি বিশেষভাৱে সক্ষম ব্যক্তি আৰু জ্যেষ্ঠ নাগৰিকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে এক নম্বৰ ৰতনপুৰ ৰসেশ্বৰ যুৱক সংঘৰ প্ৰাংগণত দৈয়াং কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰবীণ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত বিশিষ্ট সমাজকৰ্মী পোনা বৰা, ৰতনপুৰ গাঁও পঞ্চায়তৰ সভাপতি লক্ষী কছাৰী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফণীধৰ গগৈ, ভদ্ৰেশ্বৰ বৰা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰজত কাকতি, শিক্ষক অৰূপ শইকীয়া, মইনা পাৰিজাতৰ সাংগনিক সম্পাদক পিংকু শইকীয়া প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত কুঁহিপাত ক্ষুদ্ৰ চাহ খেতিয়ক সমিতিৰ অন্তৰ্গত পৰিয়ালৰ বয়োজ্যেষ্ঠ ব্যক্তি উপৰি স্থানীয় বিশেষভাৱে সক্ষম ৬০ৰো অধিক লোকসকলক গামোচা, চুৰীয়া, চাদৰ লগতে চেক প্ৰদান কৰে। কুঁহিপাত ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি তপনজ্যোতি বৰা আৰু সম্পাদক ফণীধৰ গগৈ আৰু প্ৰতিষ্ঠাপক প্ৰাক্তন সম্পাদক কেশৱ গগৈ আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে স্থানীয় শিল্পীসকলে যুৱ প্ৰজন্মৰ শিল্পী উমেশ গগৈৰ স্বৰচিত কোৰাছ পৰিৱেশন কৰে। গোলাঘাট কচুগাঁৱৰ শিল্পী মনালিছা বৰাই গীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে।

# পশ্চিম যোৰহাটত ভাওনা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ২৭ ডিচেম্বৰ ঃ** জয় হনুমান কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত পশ্চিম যোৰহাট অঞ্চলৰ ৰাইজৰ সহযোগত অহা ফেব্ৰুৱাৰীত পশ্চিম যোৰহাট ক্ৰীড়া সন্থাৰ খেলপথাৰত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব ভাওনা প্ৰতিযোগিতা। এই উদ্দেশ্যে ক্ৰীড়া সন্থাৰ ভৱনত যোৱা ২৬ ডিচেম্বৰত অনুষ্ঠিত ৰাজহুৱা সভাত অঞ্জন দত্তক সভাপতি, সত্য গন্ধিয়াক সম্পাদকৰ দায়িত্ব অৰ্পণেৰে এখন সমিতি গঠন কৰা হয়। তদুপৰি ড ি প - স মি তি স মূ হ ৰ আহ্বায়কসকলকো দায়িত্ব অৰ্পণ কৰা হয়।



চকুৰাখানাত পুৰণা পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত প্ৰতিবাদ, সোমবাৰে।

# অনিমেষ হত্যাকাৰীয়ে শাস্তি পাব

■ উচ্ছৃংখল জনতাৰ আক্ৰমণ অপৰাধৰ সন্দৰ্ভত সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ২৭ ডিচেম্বৰ ঃ** সম্প্ৰতি ৰাজ্যখনৰ লগত যোৰহাট জিলাত সঘনে ঘটি থকা গণ প্ৰহাৰ, দলবদ্ধ তথা একাংশ উচ্ছৃংখল জনতাৰ দ্বাৰা আক্ৰমণ, হত্যাৰ ওপৰত এক সজাগতা সভা ঢেকিয়াজুলি ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত যোৱা ২৩ ডিচেম্বৰত মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ উৎপল বৰদলৈৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত যোৰহাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় গোস্বামীয়ে মুখ্য সমল বক্তা হিচাপে অংশগ্ৰহণ কৰি সম্প্ৰতি জিলাখনত চলি থকা বিভিন্ন হত্যা, হিংসাৰ বিশেষকৈ আজি কেইদিনমানৰ পূৰ্বে যোৰহাটৰ মাজ-মজিয়াত একাংশ উচ্ছৃংখল জনতাৰ দলবদ্ধ প্ৰহাৰত মৃত্যু হোৱা ছাত্ৰ নেতা অনিমেষ ভূঞাৰ প্ৰসংগত তেওঁ কয় যে অপৰাধ সকলো সময়তে হৈ আহিছে যি ধৰণে সমাজখন সলনি হৈছে ঠিক সেইদৰে অপৰাধো বৃদ্ধি পাই আহিছে। শিক্ষিতৰ সংখ্যা বৃদ্ধি পাইছে যদিও মানুহ সজাগ হোৱা নাই। ঘটনাৰ উক্ত স্থানত উপস্থিতি থকাসকল যদি আগবাঢ়ি নাহে বা সকলোৱে সকলোকে সহায় নকৰে তেন্তে এনে ঘটনা বৃদ্ধি পায় বুলি উল্লেখ কৰি আৰক্ষীৰ লগতে এই ক্ষেত্ৰত সকলোৰে নৈতিক দায়িত্ব বুলি তেওঁ সদৰী কৰে। তদুপৰি ৰাইজ ঐক্যবদ্ধ হৈ নিজেই আইন হাতত তুলি নলৈ আৰক্ষীক যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানতেই অনিমেষ হত্যাকে ধৰি বিগত দিনত যোৰহাটত চলি থকা হত্যা, হিংসা, ধৰ্ষণ, লুণ্ঠন আদি বন্ধ কেনেদৰে আৰক্ষীয়ে কৰিব এই সন্দৰ্ভত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত আৰক্ষী বিষয়াজনে কয় যে আইনী প্ৰক্ৰিয়াৰে প্ৰকৃত দোষীয়ে শাস্তি পাব। লগতে সকলোকে সজাগ হ'বলৈ আহ্বান জনায়। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা মৌচুমী বৰগোহাঁয়ে সমল ব্যক্তিগৰাকীক গামোচা, ফুলৰ থোপাৰে আদৰণি জনোৱা অনুষ্ঠানৰ আঁত ধৰে ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিশ্বজিৎ নেওগ আৰু সঞ্জীৱ ৰাজখোৱাই। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যাপক ড° হিমান্ত প্ৰতীম বৰগোহাঁয়ে।

# এখন গ্ৰন্থই এটি সভ্যতা ধৰি ৰাখিব পাৰে

■ বঙৰাত গৌৰীকান্ত নাথৰ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২৭ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বঙৰাৰ কৈটাসিদ্ধিত বৃহত্তৰ অঞ্চলটোৰ বিশিষ্ট শিক্ষাবিদ, প্ৰবন্ধকাৰ, শ্ৰীশংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গৌৰীকান্ত নাথৰ দ্বাৰা ৰচিত তথা 'পৰাগজ্যোতি প্ৰকাশন'ৰ দ্বাৰা প্ৰকাশিত বৰঝাৰ বিমান বন্দৰৰ আদি আৰু যোৱা চ্য ডিচেম্বৰত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে অসম লোকনিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা তথা বঙৰা আঞ্চলিক সাহিত্য মঞ্চৰ সম্পাদক ধৰণীধৰ নাথে। গ্ৰন্থখন উন্মোচন কৰি ধৰণীধৰ নাথে কয় যে বৰঝাৰ বিমান বন্দৰ বিষয়ক গ্ৰন্থখন এক মাইলৰ খুঁটিৰূপে বিবেচিত হ'ব। গ্ৰন্থখনে নতুন প্ৰজন্মক চকু মেল খুৱাব। উন্মোচনী অনুষ্ঠানত অতিথিৰূপে অংশগ্ৰহণ কৰি পৌৰ নিগমৰ অৱসৰপ্ৰাপ্ত উপ-অনুজ্ঞাপন বিষয়া গজেন চন্দ্ৰ দাসে বৰঝাৰ বিষয়ক ইতিহাস সম্পৰ্কীয় গ্ৰন্থখনে ছাত্ৰ-ছাত্ৰী, সমাজৰ সকলো স্তৰৰ লোকৰ বাবে এক আপুৰুগীয়া দলিল হ'ব বুলি উল্লেখ কৰে। বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক তথা সাংবাদিক, লেখক দীপক শৰ্মাই উল্লেখ কৰি কয় যে এখন গ্ৰন্থই এটি সভ্যতা ধৰি ৰাখিব পাৰে। গৌৰীকান্ত নাথৰ গ্ৰন্থখনে এখন বহল ইতিহাস। উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ স্বৰূপ বৰঝাৰ বিমান বন্দৰৰ ইতিহাস এই গ্ৰন্থখনে দাঙি ধৰিছে। সভাত কৈটাসিদ্ধি ৰাইজ গয়ৰহৰ সভাপতি প্ৰদীপ নাথ, দক্ষিণ কামৰূপ সচেতন মঞ্চৰ অধ্যক্ষ মদন দাস, ৰাষ্ট্ৰীয় স্বয়ং স্বেৱক সংঘৰ গুৱাহাটী মহানগৰৰ সহ গ্ৰাম বিকাশ প্ৰমুখ সীমান্ত দাস, শ্ৰমিক সেনাৰ সভাপতি তথা কবি শিৰষ দাস, কৈটাসিদ্ধি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিমলা দেৱী নাথে বক্তব্য দাঙি ধৰি গ্ৰন্থ অধ্যয়নৰ লগতে গ্ৰন্থৰে জনপ্ৰিয় হোৱাৰ গুণ আদিৰ ওপৰত গভীৰভাৱে আলোচনা কৰে। সভাত লেখক গৌৰীকান্ত নাথেও বক্তব্য দাঙি ধৰে।

# দক্ষিণ কামৰূপ জিলা বিজেপিৰ কাৰ্যালয়ত অটল বিহাৰী বাজপেয়ীৰ জন্মদিন উদ্‌যাপন

**ছয়গাঁও, ২৭ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপ জিলা বিজেপিৰ বাটৰহাটত থকা মুখ্য কাৰ্যালয়ত কালি প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক জন্মদিনটো বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। সুশাসন দিৱস হিচাপে উদ্‌যাপন কৰা অনুষ্ঠানত বাজপেয়ীৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰা হয়। দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত হয় গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। এই সভাতে বয়োজ্যেষ্ঠ জিলা সভাপতি আৰু মণ্ডল সভাপতি ক্ৰমে দীনেশ চৌধুৰী, (মিৰ্জা), চন্দ্ৰ ডাকুৱা (ছয়ানী), উপেন দাস (বনগাঁও), হৰেন্দ্ৰ পাঠক (সাতপখলী), মমত মেধি, ধীৰাজ মেধি, (জীয়াকুৰ), শিৱ প্ৰসাদ ডেকা (উপৰহালী), ৰাজেন ঠাকুৰীয়া, ৰাজেন দাস, গোবিন্দ কলিতা প্ৰমুখ্যে ভালেকেইগৰাকী জ্যেষ্ঠ বিজেপি নেতাক সাংসদ ওজা আৰু বিধায়ক ঠাকুৰীয়াই চৰণ চুই আশীৰ্বাদ বিচাৰি সম্বৰ্ধনা জনায়। সভাত ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য অনুপ মেধি, অঞ্জন গোস্বামী, প্ৰভাত দাস, কিষাণ মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি ৰাজেন নাথ, মহিলা নেত্ৰী লাৱণ্য বড়ো প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বৰপেটাত বিজেপি যুৱ মৰ্চাৰ মটৰ চাইকেল সমদল

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৭ ডিচেম্বৰ ঃ** দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ ৯৭ সংখ্যক জন্মদিন উপলক্ষে যোৱা ২৫ ডিচেম্বৰত ৰাজ্যজুৰি বিজেপি যুৱ মৰ্চাৰ উদ্যোগত সুশাসন দিৱস পালন কৰা হয়। বিজেপিৰ যুৱ মৰ্চাৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত আৰু বৰপেটা, হাউলী, বৰপেটাৰোড নগৰ মণ্ডল আৰু চকচকা মণ্ডলৰ সহযোগত জিলাখনৰ ভিন্ন প্ৰান্তত এই দিৱস পালন কৰা হয়। অন্যান্য কাৰ্যসূচীৰ লগতে প্ৰতিটো মণ্ডল অঞ্চল আৰু পৌৰ অঞ্চলত মটৰ চাইকেল সমদল উলিওৱা হয়। বৰপেটা জিলা বিজেপিৰ সভাপতি অনিল দাসে সৰভোগ পৌৰ অঞ্চলত মটৰ চাইকেল ৰেলীত অংশগ্ৰহণ কৰে। আনহাতে, বৰপেটা জিলা যুৱ মৰ্চাৰ সভাপতি দুলাল দাস, ৰাজ্যিক যুৱ মৰ্চাৰ সম্পাদিকা ডলফি মজুমদাৰ, সহ প্ৰভাৰী জিতু ডেকা, সম্পাদকদ্বয় ধ্ৰুৱজিৎ নাথ, কৰ্ণ কুণ্ডল ভড়ালীয়ে বৰপেটাৰোড নগৰ মণ্ডলৰ উদ্যোগত বৰপেটাৰোডত অনুষ্ঠিত মটৰ চাইকেল সমদলত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি যুৱ মৰ্চাৰ বৰপেটা নগৰ মণ্ডলৰ সভাপতি অমিত দাস, হাউলী মণ্ডলৰ সভাপতি জ্ঞানজিৎ দাস, চকাচকা মণ্ডলৰ সভাপতি বিপুল দাস আৰু বৰপেটাৰোড নগৰ মণ্ডলৰ সভাপতি পৰমানন্দ ৰায়ে মণ্ডল অঞ্চলসমূহত নেতৃত্ব দিয়ে।

# চৰাইদেউ জিলাত ভোটাৰৰ সজাগতা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**মৰাণ ২৭ ডিচেম্বৰ ঃ** দেশৰ আন আন ঠাইৰ লগতে চৰাইদেউ জিলাটো জিলা নিৰ্বাচনৰ বিভাগৰ উদ্যোগত অহা ২৫ জানুৱাৰীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰা হ'ব। ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উপলক্ষে জিলা নিৰ্বাচন বিষয়া পল বৰুৱাই সদৰি কৰা মতে জিলাখনত ভোটাৰৰ সজাগতা উদ্দেশ্যে অহা তিনি, চাৰি আৰু পাঁচ জানুৱাৰীত ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জিলাখনৰ স্কুল পৰ্যায়ত ২৮,২৯,৩০ আৰু ৩১ ডিচেম্বৰত নাচ-গানৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে ব্লক পৰ্যায়ত চাৰি জানুৱাৰী , জিলা পৰ্যায়ত পাঁচ জানুৱাৰীৰ পৰা ন জানুৱাৰীলৈ নাচ-গানৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# ১০ বছৰেই মুকলি নহ'ল স্বাস্থ্য কেন্দ্ৰ

■ এশ এবুৰি সমস্যাত ভাৰাক্ৰান্ত ৰামপুৰত পুনঃ সংস্থাপিত ৰাইজ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৭ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত মেলেং জয়শ্ৰী চাহ বাগিচাৰ আৰু চেনীজান মাজত থকা ৰামপুৰত ১৯৯০ত জাঁজীমুখ আৰু মাজুলীৰ ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াত ঘৰ-মাটি হেৰুৱাই অঘৰী হোৱা মিচিং জনগোষ্ঠীৰ ৰাইজক অসম চৰকাৰে পুনঃ সংস্থাপন দিয়ে। ৰামপুৰত থকা তিনিশ বিঘা চৰকাৰী ভূমিত এশটা মিচিং জনগোষ্ঠীৰ পৰিয়ালক পুন সংস্থাপন দি অসম চৰকাৰৰ তৰফৰ পৰা সকলো দিশতে সা-সুবিধা লাভ কৰিব বুলি ঘোষণা কৰিছিল। শিক্ষা, স্বাস্থ্য, বিশুদ্ধ খোৱাপানী, যোগাযোগ, যাতায়াত, বিদ্যুৎ যোগান আঁচনি ইত্যাদি দিয়া হ'ব বুলি কোৱাৰ পাছত বাস্তৱত এই ঘোষণা কাৰ্যকৰী কৰা নহ'ল। বাট-পথৰ দুৰৱস্থা, স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী আদি এশ এবুৰি সমস্যাত ভাৰাক্ৰান্ত ৰামপুৰ ৰাইজ। প্ৰায় ১২০০ শ জনসংখ্যা থকা ৰামপুৰলৈ বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলৰ মানুহে ভোট বিচাৰি যায় আৰু সমস্যা সমাধানৰ বিভিন্ন প্ৰকাৰৰ প্ৰলোভন দিয়ে। নিৰ্বাচন শেষ আৰু ৰামপুৰৰ সমস্যা সমাধানৰো ইতি পৰে। ২১ শতিকাৰ পৰিৱৰ্তন বতাহে ৰামপুৰ চুব পৰা নাই। পৰিৱৰ্তনকামী ৰাজ্য চৰকাৰে ৰামপুৰৰ পৰিৱৰ্তন সাধিবলৈ সক্ষম হ'বনে বুলি ক্ষুব্ধ ৰাইজে মন্তব্য কৰিছে।

# অসম কবি সন্মিলনৰ সপ্তদশ বাৰ্ষিক চামতা অধিবেশন

■ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**অগ্ৰদূত বাৰ্তা,**
**চামতা, ২৭ ডিচেম্বৰ ঃ** অসম কবি সন্মিলনৰ সপ্তদশ বাৰ্ষিক মধ্যকালীন অধিবেশনখন অহা ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত চামতাত অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে । অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন সৰ্বাংগসুন্দৰ স্মৃতিগ্ৰন্থ প্ৰকাশৰো যো-জা কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে। ইতিমধ্যে হিতেশ ডেকাৰাজক সভাপতি, গণেশ বৰ্মন আৰু জোন কুমাৰ হালৈক সম্পাদক, ৰাজীৱ দত্ত আৰু প্ৰবীণ বৰ্মনক সহযোগী সম্পাদক হিচাপে লৈ ইতিমধ্যে এখন শক্তিশালী স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি গঠন কৰা হৈছে। উক্ত স্মৃতিগ্ৰন্থখনত প্ৰকাশৰ বাবে নলবাৰী জিলাৰ সাহিত্য, কলা- সংস্কৃতি, আৰ্থ-সামাজিক তথ্য প্ৰতিফলিত হোৱাকৈ তথ্যসমৃদ্ধ প্ৰৱন্ধৰ লগতে কবিতা আৰু কবিতা বিষয়ক লেখা তথা ভিনস্বাদৰ লেখা বিচৰা হৈছে । ইচ্ছুক লেখকসকলক অহা ২০ জানুৱাৰীৰ ভিতৰত লেখাসমূহ নিম্নলিখিত ঠিকনাত প্ৰেৰণ কৰিবলৈ সম্পাদনা সমিতিয়ে আহ্বান জনাইছে। লেখা পঠোৱাৰ ঠিকনা-সভাপতি-সম্পাদক, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি, মাৰফৎ- পশ্চিম নলবাৰী প্ৰেছ ক্লাব, চামতা, জিলা- নলবাৰী- ৭৮১৩০৬ । আনহাতে, সম্পাদনা সমিতিয়ে ganeshbarman17311@gmail.com আৰু johnkumarhaloi@gmail.com এই ই-মেইলযোগে লেখাসমূহ পঠাব পাৰিব বুলি জনাইছে । অসম কবি সন্মিলনৰ সপ্তদশ বাৰ্ষিক মধ্যকালীন চামতা অধিবেশন তথা স্মৃতিগ্ৰন্থৰ বাবে লেখা পঠোৱাৰ ক্ষেত্ৰত সবিশেষ জানিবৰ বাবে ৯৮৫৪৩৩৯১০১ , ৯৮৬৪৩১১৫৭৫ আৰু ৬০০০২৮৩৩৩১ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বিশ্বনাথত ব্যতিক্ৰমী পদক্ষেপ সমীৰণ ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেড -প্ৰশাসন-পৌৰসভাৰ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৭ ডিচেম্বৰ ঃ** ইংৰাজী নৱবৰ্ষৰ প্ৰাক্ক্ষণত অসমৰ ভিতৰতে বিশ্বনাথ নগৰক এক আটক ধুনীয়া নগৰ হিচাপে সজাই তুলাৰ বাবে এক ব্যতিক্ৰমী প্ৰয়াস আৰম্ভ কৰিছে বিশ্বনাথ জিলা প্ৰশাসন, বিশ্বনাথ চাৰিআলি পৌৰসভা আৰু সমীৰণ ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেডে। যোৱা ২৬ ডিচেম্বৰত সন্ধিয়াৰ পৰা বিশ্বনাথ নগৰৰ বিজি ৰোডৰ জিলা উপায়ুক্ত বাসভৱনৰ সন্মুখৰ পৰা আৰম্ভ কৰা হৈছে নগৰখনত স্বচ্ছ অভিযান। ইয়াৰ বাবে নগৰখনত সৌন্দৰ্যবৰ্ধনৰ বাবে বাট-পথসকলোতে নানা ৰং কৰা হৈছে নগৰখনক সজাই তোলাৰ বাবে। এই অভিযান কৰা হৈছে বিশ্বনাথ নগৰক অসমৰ ভিতৰতে এক জাকত জিলিকা জিলা হিচাপে গঢ় দিয়াৰ লগতে বিশ্বনাথ নগৰখন যাতে এক পৰ্যটনৰ বাবে এক আকৰ্ষণ কেন্দ্ৰ বিন্দু হৈ পৰে। আনহাতে, বিশ্বনাথ জিলা প্ৰশাসনে আৰু বিশ্বনাথ চাৰিআলি পৌৰসভাই কিছুদিনৰ পৰা সমগ্ৰ জিলাখনৰ কেন্দ্ৰ বিন্দু বিশ্বনাথ নগৰখনত নতুন চিন্তাধাৰে নতুন নতুন উন্নয়নমূলক কাম কৰাৰ লগতে নগৰখনৰ বজাৰ হাট অথবা নগৰখনৰ সৌন্দৰ্য হ্ৰাস কৰা যেন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ অন্য স্থানত স্থানান্তৰ কৰিছে। আনহাতে, কালি সন্ধিয়াৰে পৰা বিশ্বনাথ নগৰত চলোৱা এই অভিযান নগৰখন সম্পূৰ্ণভাৱে শেষ নোহোৱা পৰ্যন্ত ওৰে নিশা চলিব। এই স্বচ্ছ আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে কৰা কামৰ অনুষ্ঠানত বিশ্বনাথ জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰসহ বিশ্বনাথৰ বহু সচেতন ব্যক্তি উপস্থিত থাকে। আনহাতে, বিশ্বনাথ জিলা প্ৰশাসন আৰু বিশ্বনাথ চাৰিআলি পৌৰসভাৰ এই সংকল্পক বিশ্বনাথৰে সমীৰণ ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেডে আগবঢ়োৱা সহযোগিতাৰ বাবে জিলা উপায়ুক্ত আৰু বিধায়কসহ বিশ্বনাথৰ বহু লোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# জীৱনত মাতৃৰ প্ৰভাৱ অপৰিসীম



■ নলবাৰীৰ ধমধমাৰ 'লুইত একাডেমী'ত মাতৃ পূজা

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৭ ডিচেম্বৰ ঃ** মাতৃ বন্দনাৰে মুখৰিত হ'ল ধমধমাৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ শিক্ষানুষ্ঠান 'লুইত একাডেমী'ৰ চৌহদ। এক মাংগলিক পৰিৱেশত বিদ্যালয়খনৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ মাতৃসকলৰ মাজত অনুষ্ঠিত হয় 'মাতৃ পূজা' অনুষ্ঠান। দুই শতাধিক মাতৃ আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে অসম ভেলী একাডেমী, নলবাৰীৰ প্ৰৱক্তা তথা সাংবাদিক শশাংক শৰ্মাই। শিক্ষানুষ্ঠানখনৰ সঞ্চালক, শিল্পী মনোৰঞ্জন ভাগৱতীয়ে সঞ্চালনা কৰা উক্ত ব্যতিক্ৰমী অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মাতৃসকলক চৰণ ধুৱাই সেৱা লয়। মাতৃ বন্দনাৰ সংগীতৰ লহৰে সভাত উপস্থিত সকলোকে আৱেগ বিহ্বল কৰি তোলা পৰিলক্ষিত হয়। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ কিশোৰ কুমাৰ ডেকা উপস্থিত থকা সভাখনত নলবাৰীৰ আনন্দ বিদ্যা নিকেতনৰ অধ্যক্ষা ৰীতা বৰুৱাই সাৰুৱা ভাষণ প্ৰদান কৰাৰ লগতে ল'ৰা-ছোৱালীৰ জীৱনত মাকৰ প্ৰভাৱ কেনেকুৱা তাক বিতংভাৱে বুজাই দিয়ে। বৰুৱাই যোৱা ২৫ ডিচেম্বৰত অনুষ্ঠানটোক অতি মনোমোহা অনুষ্ঠান বুলি অভিহিত কৰি এনে অনুষ্ঠানে সমাজত উঠি অহা প্ৰজন্মৰ মাজত ইতিবাচক বাৰ্তা বিলাই দিব বুলি মন্তব্য কৰে। লক্ষ্যণীয়ভাৱে ডেৰঘণ্টীয়া অনুষ্ঠানটোত আদিৰে পৰা অন্তলৈ উপস্থিত সকলোৱে মাতৃৰ অকৃত্ৰিম মৰম স্মৰণ কৰি দুচকু বোৱাই প্ৰত্যেকজন মানুহৰ জীৱনত মাকৰ প্ৰভাৱ যে অপৰিসীম তাৰ বহিঃপ্ৰকাশ ঘটোৱা পৰিলক্ষিত হয়। শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল উপস্থিত থকা সভাখনত উপস্থিত কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে আজিৰ এনে অনুষ্ঠান আয়োজন কৰা বাবে উদ্যোক্তাসকলক ধন্যবাদ জনোৱাৰ সমান্তৰালভাৱে ভৱিষ্যৎ দিনতো এনে অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

# আক্ৰাছুৰ ৰুণিখাতা-শান্তিপুৰ আঞ্চলিক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২৭ ডিচেম্বৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা 'আক্ৰাছু'ৰ চিৰাং জিলা সমিতিৰ এখন সাধাৰণ সভাৰ ৰুণিখাতাৰ অন্তৰ্গত ব্ৰহ্মপাৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। বিশিষ্ট সমাজকৰ্মী খগেন ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ব্ৰজেন ৰায়, বিত্ত সম্পাদক অৰবিন্দ দাস, চিৰাং জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি উৎপল কুমাৰ ৰায় আৰু সাধাৰণ সম্পাদক দিলীপ চন্দ্ৰ ৰায় অতিথিৰূপে উপস্থিত থাকি আক্ৰাছুৰ সাংগঠনিক গতিবিধি আৰু ভৱিষ্যৎ ৰণনীতিৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে পৃথক কমতাপুৰ ৰাজ্যৰ পুনৰ গঠন তথা জাতিটোৰ জনজাতিকৰণ সন্দৰ্ভত চৰকাৰৰ অমনোযোগিতাৰ সমালোচনা কৰি অতি শীঘ্ৰে জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ দাবী জনাই বক্তব্য আগবঢ়ায়। উক্ত সভাতে জয়ন্ত ৰায়ক সভাপতি আৰু অমিত ৰায়ক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া ৰুণিখাতা-শান্তিপুৰ আঞ্চলিক সমিতি গঠন কৰা হয়।

■ বিধায়কে গুৰুত্ব নিদিয়াৰ অভিযোগ ■ জনপ্ৰতিনিধিৰ ভূমিকাত ক্ষুব্ধ হৈছে গঞা

# শিমলীতোলাত ৰাইজে মেৰামতি কৰিলে পথ

**আলোপতি, ২৭ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ নৱাগত শিমলীতোলা গাঁও পঞ্চায়তৰ অন্তৰ্গত শিমলীতোলা পথালিপাৰাত ৰাইজেই মেৰামতি কৰিলে পথ। মাটিয়া উন্নয়ন খণ্ডৰ অধীনস্থ পথালিপাৰা গাঁৱত প্ৰায় পাঁচ শতাধিক পৰিয়ালে বসবাস কৰে যদিও গাঁওখনৰ একমাত্ৰ পথটো অত্যন্ত বিধ্বস্ত। খৰালিৰ সময়তো কেঁচা পথটোৰে যাতায়াত কৰাটো একপ্ৰকাৰ নৰক যন্ত্ৰণা সদৃশ। পথটো মেৰামতি অথবা পকীকৰণৰ বাবে স্থানীয় ৰাইজে একাধিকবাৰ সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলমক অনুৰোধ জনোৱা সত্ত্বেও ন্যূনতম গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে। ইপিনে পথটোৰে গাঁওবাসীৰ চলাচলৰ সুবিধা কৰি দিয়াৰ বাবে স্থানীয় পঞ্চায়ত প্ৰতিনিধিকো দাবী জনাই আহিছে যদিও আজিলৈ কাণসাৰ নকৰিলে পঞ্চায়ত সভানেত্ৰী জয়ফুল নেছাই। উপায়ুক্তৰ হৈ শিমলীতোলা পথালিপাৰা গাঁৱৰ একাংশ পুৰুষ-মহিলাই আজি হাতে হাতে কোৰ, পাচি লৈ গাঁওখনৰ একমাত্ৰ পথটো কিঞ্চিত পৰিমাণে হ'লেও মেৰামতি কৰি যাতায়াতৰ বাবে সুচল কৰি তোলে। চৰকাৰ, স্থানীয় বিধায়ক তথা পঞ্চায়ত প্ৰতিনিধি সকলোৰ আশা ত্যাগ কৰি গাঁওখনৰ একাংশ লোকে গাঁঠিৰ ধন ব্যয় কৰি ট্ৰেক্টৰেৰে মাটি পেলাই পথছোৱা মেৰামতি কৰা পৰিলক্ষিত হ'ল। জনগণৰ প্ৰতি বিধায়ক এ কে ৰছিদ আলমৰ এনে উদাসীনতাই ক্ষুণ্ণ কৰি তুলিছে শিমলীতোলা পথালিপাৰা গাঁওবাসীক।



ডিমৌত ৰাসলীলাত গোপিনীৰ নৃত্য, সোমবাৰে।

## চাপৰত প্ৰসন্ন কুমাৰ দাসৰ স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

**চাপৰ, ২৭ ডিচেম্বৰ ঃ** ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, কলিতা জনগোষ্ঠী সন্মিলন অসমৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আৰু পৰৱৰ্তী সময়ৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ, সাহিত্য আৰু ক্ৰীড়া সংগঠক, চাপৰৰ সুসন্তান সদ্যপ্ৰয়াত প্ৰসন্ন কুমাৰ দাসৰ স্মৃতিচাৰণ সভা আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান যোৱা ২৬ ডিচেম্বৰত চাপৰ সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। উল্লেখ্য যে যোৱা ২০ ডিচেম্বৰত ৯৪ বছৰ বয়সত দাসৰ বাৰ্ধক্যজনিত কাৰণত বিয়োগ হয়। কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত আয়োজিত স্মৃতিচাৰণ সভাখন সন্মিলনৰ ধুবুৰী জিলা সমিতিৰ সভাপতি দিলীপ কুমাৰ দাসৰ সভাপতিত্বত আৰম্ভ হয়। সভাত প্ৰয়াত দাসৰ জীৱনাদৰ্শ আৰু বহুমুখী প্ৰতিভাৰ ওপৰত আলোকপাত কৰি সন্মিলনৰ ধুবুৰী জিলা সমিতিৰ উপদেষ্টা ভৱানন্দ মেধি, সন্মিলনৰ অবিভক্ত গোৱালপাৰা জিলা সমন্বয় সমিতিৰ উপ-সভাপতি নিখিল ৰঞ্জন দাস, বঙাইগাঁও জিলা সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে জয়ন্ত দাস আৰু ভবেন চন্দ্ৰ দাস, চাপৰ আঞ্চলিক সমিতিৰ সভাপতি বিনয় দাস আদিকে ধৰি বহুকেইগৰাকী ব্যক্তিয়ে ভাষণ আগবঢ়ায়। স্মৃতিচাৰণ সভাৰ পূৰ্বে দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভ কৰে শিক্ষাবিদ ভৱানন্দ মেধি আৰু নিখিল ৰঞ্জন দাসে। প্ৰসন্ন কুমাৰ দাসৰ প্ৰতি শ্ৰদ্ধা নিবেদি ধুবুৰী জিলা কবিতা জনগোষ্ঠী সন্মিলনৰ তৰফৰ পৰা শোকাৰ্ত পৰিয়াললৈ শোকবাৰ্তা আৰু শ্ৰদ্ধাঞ্জলি পত্ৰ প্ৰেৰণাৰো ব্যৱস্থা গ্ৰহণ কৰে। স্মৃতিচাৰণ সভাত পত্ৰখন পাঠ কৰে সন্মিলনৰ ধুবুৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক ধ্ৰুৱৰাম দাসে।

## ৰঙাপৰাত আছাৰ শোণিতপুৰ জিলাৰ সমিতি গঠন সভা



বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৭ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত যোৱা ২৬ ডিচেম্বৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ শোণিতপুৰ জিলা সমিতিখন গঠন হয়। ৰঙাপৰাৰ সমবায় সমিতিৰ প্ৰেক্ষাগৃহত জিলা সমিতিৰ সভাপতি শচীন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক আনন্দ তাঁতীয়ে। সভাত উপস্থিত থকা কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক জয়দ্বীপ লাং টপ্প'য়ে সংগঠনটোৰ সাংগঠনিক দিশত মন্তব্য কৰে। সভাত আছাৰ জিলা সমিতিখন পূৰ্ণাংগ ৰূপত গঠন কৰা হয়। সভাপতি হিচাপে শচীন দাস, তিনিগৰাকী উপ-সভাপতি, সাধাৰণ সম্পাদক হিচাপে আনন্দ তাঁতী, তিনিগৰাকী সহকাৰী সম্পাদকৰূপে লৈ ৩১ জনীয়া জিলা সমিতিখন গঠন কৰে। উক্ত সভাতে আছাৰ ৰঙাপৰা আঞ্চলিক সমিতিখন গঠনৰ উদ্দেশ্যে সভাপতি হিচাপে অকণ আইণ্ড আৰু সম্পাদক হিচাপে সঞ্জীৱ টপ্নক দায়িত্ব দি এখন আহ্বায়ক সমিতি গঠন কৰিছে। জাতীয় ছহিদ বিৰছা মুণ্ডাৰ প্ৰতিমূৰ্তিৰ চৌদিশে এখন পকীবেৰ নিৰ্মাণৰ বাবে অসম চৰকাৰৰ মন্ত্ৰী তথা ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক অশোক সিংঘাললৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰা হ'ব। জানুৱাৰীৰ ভিতৰত আটাইকেইখন আঞ্চলিক সমিতি নতুনকৈ গঠন কৰাৰ দ্বিতীয়টো প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত উপস্থিত থকা আছাৰ বিষয়ববীয়াসকলে কয় যে আছাৰ মজিয়াত থাকি যিসকলে জাতিৰ বিপক্ষে আৰু সংবিধান বিৰোধী কাম-কাজ কৰি গৈছে তেওঁলোকক ইতিমধ্যে চিনাক্তকৰণ কৰা হৈছে আৰু তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰি প্ৰয়োজন হ'লে সেইকেইজনক আছাৰ পৰা চিৰিদিনৰ বাবে বহিষ্কাৰ কৰা হ'ব।

## বিশ্বনাথত 'ভিজুৱেল আৰ্ট' উন্মোচন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৭ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সাহিত্যিক পেন্সনাৰ ইন্দ্ৰপ্ৰসাদ শইকীয়াৰ সভাপতিত্বত যোৱা ২৬ ডিচেম্বৰত এখন গ্ৰন্থ উন্মোচনী সভা কোচগাঁৱত অনুষ্ঠিত হয়। চাৰিআলি আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী, বিশ্বনাথ, চাৰিআলিৰ প্ৰস্তুতি কলা কানন আৰু তেজপুৰৰ নটৰাজম সংগীত কলা মন্দিৰৰ প্ৰাক্তন ছাত্ৰী সাবিত্ৰী ভট্টাচাৰ্যৰ 'ভিজুৱেল আৰ্ট' শীৰ্ষক চিত্ৰ-পুথিখন উন্মোচন কৰে নতুন সাহিত্য পৰিষদৰ প্ৰাক্তন সম্পাদক তথা প্ৰস্তুতি কলা কাননৰ অধ্যক্ষ ধৰণীধৰ দাসে। উন্মোচনী ভাষণত দাসে তেওঁৰ প্ৰাক্তন বা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ছবিৰ পুথি উলিওৱাৰ ক্ষেত্ৰত সাবিত্ৰী ভট্টাচাৰ্য বাটকটীয়া বুলি উল্লেখ কৰে। কবি-লেখক দিলীপ কুমাৰ ভট্টাচাৰ্যই আঁত ধৰা সভাখনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ৰহিত চন্দ্ৰ মালাকৰে। অধ্যাপিকা লীনা হাজৰিকা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ৰেণু চহৰীয়া শইকীয়া, পবিত্ৰ শইকীয়ায়ো সভাত ভাষণ প্ৰদান কৰে। পুথি-প্ৰণেতা সাবিত্ৰী ভট্টাচাৰ্যই 'শিল্পৰত্ন' উপাধি অৰ্জন আৰু অংকিত ছবিসমূহৰ আঁৰৰ কাহিনী সভাত ব্যক্ত কৰে। জয়া মালাকৰে স্বৰচিত কবিতা পাঠ কৰে। ছাত্ৰী মৌচুমী পাণিকাৰে আধুনিক গীত আৰু জয়ন্ত সংগীতে সকলোকে আপ্লুত কৰে।

## জিকিৰ-বৰগীত প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৭ ডিচেম্বৰ ঃ** প্ৰগতিশীল মহিলা পৰিষদৰ উদ্যোগত যোৰহাট চেণ্ট্ৰেল ক্লাবত অহা আঠ জানুৱাৰীত অবিভক্ত শিৱসাগৰ জিলাৰ ভিত্তিত জিকিৰ আৰু বৰগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ৮৬৩৮১৮৮২৮১/৮৬৩৮৯৮৬০৬৪ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

## প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**টিহু, ২৭ ডিচেম্বৰ ঃ** টিহু মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ এখন সাধাৰণ সভা যোৱা ২৬ ডিচেম্বৰত মহাবিদ্যালয়খনত অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি ডঃ জ্যোতিষ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনক 'সতীৰ্থ' নামেৰে নামকৰণ কৰা হয়। মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী সন্মিলনৰ যুটীয়া সম্পাদক ডঃ দিগন্ত ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু বিগত সভাৰ কাৰ্যবিৱৰণী পাঠ কৰা উক্ত সভাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ কিশোৰ কুমাৰ তালুকদাৰে ভাষণ দি মহাবিদ্যালয়ৰ বিভিন্ন দিশ উনুকিয়াই শিক্ষানুষ্ঠানখনৰ ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে প্ৰাক্তন শিক্ষাৰ্থীসকলক অৱগত কৰে। ভাষণ প্ৰসংগত অধ্যক্ষ ডঃ তালুকদাৰে শিক্ষানুষ্ঠানখনৰ সৰ্বাংগীণ উন্নয়নৰ দিশত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সহায়-সহযোগিতা কামনা কৰে। মহাবিদ্যালয় শিক্ষাৰ্থী সন্মিলনৰ অন্যতম যুটীয়া সম্পাদক হিৰেন তালুকদাৰে সন্মিলনৰ বাবে যুগুত কৰি উলিওৱা 'উপ-বিধি' পাঠ কৰে। সভাত সন্মিলনৰ উপ-সভাপতি ডঃ অনন্ত ডেকা, প্ৰাক্তন ছাত্ৰ নগেন শালৈ, লক্ষীকান্ত শৰ্মা, গোবিন্দ চন্দ্ৰ ভাগৱতী আদিয়ে ভাষণ দি টিহু মহাবিদ্যালয়ৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## মৰিগাঁৱত কেমেষ্ট্ৰি লাৰ্ণিং ক'চিং চেণ্টাৰ মুকলি

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৭ ডিচেম্বৰ ঃ** মেডিকেল, ইঞ্জিনীয়াৰিং আৰু অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰৱেশত সহায়ক হোৱাকৈ যোৱা ২৬ ডিচেম্বৰত মৰিগাঁও নগৰৰ সোণাৰি গাঁৱত এটা ক'চিং চেণ্টাৰ মুকলি কৰা হয়। মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ লীলাকান্ত বৰঠাকুৰে ক'চিং চেণ্টাৰটো মুকলি কৰি কয় যে মৰিগাঁৱত প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ প্ৰস্তুতিৰ বাবে ক'চিং চেণ্টাৰ নথকাত ছাত্ৰ-ছাত্ৰীসমূহে যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিবলগীয়া হৈছিল। এই ক'চিং চেণ্টাৰটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট পৰিমাণে উপকৃত হ'ব পাৰিব। গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বুবুমণি গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত মৰিগাঁও মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক দেৱব্ৰত শৰ্মা, অধ্যাপক নীলমণি ফুকন, জিলা সাহিত্য সভাৰ সম্পাদক পিনাকি ভূষণ মহন্ত, মৰিগাঁও জিলা সমগ্ৰ সৰ্বশিক্ষা অভিযান মিছনৰ কাৰ্যসূচী ৰূপায়ণ বিষয়া লক্ষীনন্দন শইকীয়াকে আদি কৰি ভালেকেইজন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইফালে ক'চিং চেণ্টাৰটোৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল শৰ্মাই ক'চিং চেণ্টাৰটোত পাঠদানৰ অভিজ্ঞতা পুষ্ট একাধিক শিক্ষাগুৰুৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত বিষয়ৰ পাঠদান আগবঢ়াব বুলি মন্তব্য কৰে। তদুপৰি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে ৯৪০১২৮১২১২ত যোগাযোগ কৰিব পাৰিব।

## মৰাণত পদ্মনাথ গোহাঞি বৰুৱা স্মাৰক কুইজ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৭ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ অন্যতম শাখা মৰাণ শাখা সাহিত্য সভাৰ উদ্যোগত মৰাণ মিলিত শিল্পী সমাজ সংগীত সত্ৰ ভৱনত যোৱা ২৬ ডিচেম্বৰত পদ্মনাথ গোহাঞি বৰুৱাৰ স্মাৰক কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলন কৰে মৰাণ শাখা সাহিত্য সভাৰ উপ-সভাপতি নীলকান্ত গগৈয়ে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীৰ মাজত পদ্মনাথ গোহাঞি বৰুৱাৰ স্মাৰক কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। মৰাণ শাখা সাহিত্য সভাৰ সম্পাদক অকণ ভূঞাই অনুষ্ঠান আঁত ধৰে।

## সাৰথিৰ উদ্যোগত আইন সজাগতা

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৭ ডিচেম্বৰ ঃ** যোৰহাটৰ ৰবৈয়া চাৰিআলিস্থিত সাৰথিৰ উদ্যোগত ৰমাকান্ত সমাজ কল্যাণ সংঘ, সৰুচৰাই মহিলা সমিতিৰ সহযোগত আইন সজাগতা সভা। যোৱা ২৬ ডিচেম্বৰত অনুষ্ঠিত হয়। ৰমাকান্ত সমাজ কল্যাণ সংঘৰ প্ৰেক্ষাগৃহত দিলীপ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বন্তি প্ৰজ্বলনেৰে মুকলি কৰে ব্ৰজেন্দ্ৰনাথ শৰ্মাই। জিলা পৰিষদৰ সদস্য মঞ্জু দত্ত, গাঁও পঞ্চায়তৰ সভাপতি প্ৰশান্ত বৰা, মাখনী গোস্বামী, আঞ্চলিক সদস্য জ্যোতি বৰা, যোৰহাট আইন মহাবিদ্যালয়ৰ উপাধ্যক্ষ শিশিৰ কুমাৰ গগৈ বিশিষ্ট অতিথিৰূপে উপস্থিত থকা সভাত অধিবক্তা উৎপল গোস্বামীয়ে বিভিন্ন আইনৰ সম্পৰ্কত ব্যাখ্যা কৰি ৰাইজক সজাগ-সচেতন কৰে। আইন মহাবিদ্যালয়ৰ শিক্ষাৰ্থী, সাৰথিৰ বিষয়ববীয়া, বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সৃষ্টিৰ কৰ্মকৰ্তা, স্থানীয় গাঁওবুঢ়া, অনুষ্ঠানৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰা সভাখনত বিভিন্নগৰাকীয়ে সোধা প্ৰশ্নৰো সদুত্তৰ দিয়ে অধিবক্তাজনে। সৰুচৰাই মহিলা সমিতিৰ শিল্পীসকলে সমবেত সংগীত পৰিৱেশন কৰাৰ লগতে ভালেকেইগৰাকীয়ে গীত পৰিৱেশন কৰে।

## ডিগবৈত গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস

**ডিগবৈ, ২৭ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে তৈলনগৰী ডিগবৈতো সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠুপীয়াকৈ উদ্‌যাপন কৰে। ডিগবৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সম্পাদক ৰামু নেৱাৰে আঁত ধৰা অনুষ্ঠানত পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত সভাপতি প্ৰকাশ থাপাই। বীৰ গোৰ্খা ছহিদসকলক শ্ৰদ্ধাৰে সুঁৱৰি উক্ত অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসত উপস্থিত থাকে ডিগবৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি বিনোদ ছেত্ৰী, সম্পাদক খেম বাহদুৰ ছেত্ৰীসহ গোৰ্খা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল।

## ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৭ ডিচেম্বৰ ঃ** অহা ২৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপনৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে প্ৰস্তুতি আৰম্ভ কৰিছে। এই উপলক্ষে যোৱা ২৬ ডিচেম্বৰত জিলা উপায়ুক্ত মীনাক্ষী দাস নাথৰ অধ্যক্ষতাত গোৱালপাৰাৰ উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নিৰ্বাচনী বিষয়া ৰঞ্জুমণি দত্তই। উল্লেখ্য যে ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ লগত সংগতি ৰাখি জিলা ভিত্তিত ফুটবল আৰু নৃত্য গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। ইয়াৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, জিলা স্কুলসমূহৰ পৰিদৰ্শক, জিলাৰ খণ্ড শিক্ষা বিষয়াসকল আৰু জিলা ক্ৰীড়া বিষয়াক আহ্বান জনোৱা হৈছে বুলি জিলা তথ্য আৰু জনসংযোগ বিভাগে এক বিবৃতিযোগে জানিবলৈ দিয়ে।

■ কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ পদক্ষেপ

## গোগামুখ মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষক সম্বৰ্ধনা

বিশেষ সংবাদদাতা

**লখিমপুৰ, ২৭ ডিচেম্বৰ ঃ** আজি পুৱা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, সমাজ সংগঠক ৰূপজ্যোতি দত্তৰ নেতৃত্বত এটি প্ৰতিনিধি দলে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ এক নিৰ্দেশনাৰ জৰিয়তে গোগামুখ মহাবিদ্যালয়ৰ নৱ নিযুক্ত স্থায়ী অধ্যক্ষ শিক্ষাবিদ ডঃ দিলীপ কুমাৰ ঝাৰ এক সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপলক্ষে শিক্ষাবিদ ডঃ দিলীপ কুমাৰ ঝাৰ উত্তৰ লখিমপুৰস্থিত নিজা বাসগৃহত চোতালৰ ওমাল পৰিৱেশত পৰিয়ালবৰ্গ, আত্মীয়-স্বজনৰ সন্মুখত এক অন্তৰংগপূৰ্ণ আনন্দৰ মুহূৰ্তত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটোত সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিকাশ দত্ত, সাধাৰণ সম্পাদক নিতুল শইকীয়া, কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্ত স্বাক্ষৰিত এখন অভিনন্দন পত্ৰ, ফুলাম গামোচা, কলম, ফুলৰ থোপা আদিৰ জৰিয়তে সম্বৰ্ধনা জনায়। কে'বাগৰাকী গণ্যমান্য ব্যক্তি উপস্থিতি থকা গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, বিশিষ্ট কবি ৰূপজ্যোতি দত্তই শুভেচ্ছামূলক বক্তব্যত 'লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ডঃ দিলীপ কুমাৰ ঝাক গোগামুখ মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে নিয়োগ কৰা কাৰ্যত সন্তোষ প্ৰকাশ কৰি আদৰণি জনোৱাৰ লগতে ডঃ ঝাৰ বলিষ্ঠ নেতৃত্বত সততা আৰু নিষ্ঠাসহকাৰে গোগামুখ মহাবিদ্যালয়ক শিক্ষা তথা সৰ্বস্তৰত উন্নয়নৰ গতিধাৰা অধিক ক্ষিপ্ৰ কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি নৱনিযুক্ত অধ্যক্ষজনে সেৱাৰ মনোভাবেৰে মহাবিদ্যালয়খনক আগুৱাই নিবলৈ পূৰ্ণ প্ৰচেষ্টা চলাব বুলি উল্লেখ কৰে। সম্বৰ্ধনা কাৰ্যসূচীত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ উত্তৰ লখিমপুৰ নগৰ আঞ্চলিক সমিতিৰ সভাপতি, সম্পাদক প্ৰমুখ্যে জিলা আৰু আঞ্চলিক সমিতিৰ কে'বাগৰাকী বিষয়ববীয়া উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

## মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ দ্বি-বাৰ্ষিক শিশু সমাৰোহ সম্পন্ন



অগ্ৰদূত বাৰ্তা

**জাঁজী, ২৭ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়কৰ পীড়াকটা উমেশ ফুকন সোঁৱৰণী ৰংগমঞ্চত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শিশু সমাৰোহৰ আজি সামৰণি পৰে। তিনিদিনীয়া সমাৰোহৰ বৰ্ণাঢ্য কাৰ্যসূচীত মইনাৰ কাকলিৰে মুখৰিত পীড়াকটা অঞ্চল। অন্তিম দিনাৰ কাৰ্যসূচীত পুৱা সামূহিক প্ৰাৰ্থনাৰে আৰম্ভ হোৱা অনুষ্ঠানত কণ কণ মইনাসকলৰ মাজত প্ৰতিযোগিতামূলক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। অনুষ্ঠান মুকলি কৰে মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ লগত ওতঃপ্ৰোত জড়িত বৰ্তমান উপদেষ্টা নগেন বৰগোহাঁয়ে। উদ্বোধনী সভাত টীয়ক বিধানসভাৰ বিধায়িকা ৰেণুপমা ৰাজখোৱা, বিধান পৰিষদৰ সভাপতি বিকাশ শইকীয়া উপস্থিত থাকে। বিধায়িকা ৰাজখোৱা মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ স্থায়ী গৃহ নিৰ্মাণৰ নামত এককালীন পাঁচ লাখ টকা অনুদানৰ আশ্বাস দিয়ে। দুপৰীয়া আৰম্ভ হোৱা মুকলি সভাৰ লগত সংগতি ৰাখি বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। শিশু স্বাগতা বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শ্ৰেয়া বৰপাত্ৰ, শিশু নৈবেদ্য নাথ বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। সভাত মইনা পাৰিজাতৰ যোৰহাট জিলা সমিতিৰ সভাপতি জয়ন্ত পূজাৰী সম্পাদক নিপু হাজৰিকাৰ লগতে মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ কে'বাগৰাকীও ব্যক্তি উপস্থিত থাকে।

## বি বি কিষাণ মহাবিদ্যালয়ত পৰিৱেশ সজাগতা সভাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৭ ডিচেম্বৰ ঃ** 'বাগ্‌সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত জালাহস্থ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান বি বি কিষাণ মহাবিদ্যালয়ৰ উদ্যোগত তথা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহযোগত অহা ২৮ ডিচেম্বৰত এখন পৰিৱেশ সজাগতা সভাৰ আয়োজন কৰিছে।' গতিশীল পৰিৱেশ বিষয়বোৰ আৰু বহনক্ষম উন্নয়নত স্থানীয় জনসাধাৰণৰ ভূমিকা শীৰ্ষক বিষয় হিচাপে লৈ পৰিৱেশ সজাগতা সভা অনুষ্ঠিত হ'ব। অসম গৌৰৱ বঁটাৰ সন্মান লাভ কৰা তথা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ উপদেষ্টা ধৰণীধৰ বড়োৱে উদ্বোধন কৰিবলগীয়া সভাখনত সভাপতিত্ব কৰিব মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ কেশৱ বসুমতাৰীয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ গৱেষক জয়ন্ত বৰুৱাই আৰু সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ খণ্ড বন সংৰক্ষণ বিষয়া নয়ন পাঠক, অসম চৰকাৰৰ প্ৰাক্তন ব্ৰেণ্ড এম্বেচাদৰ তথা চাপাগুৰি-ককলাবাৰী বড়ো সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত বসুমতাৰী আৰু পৰিৱেশকৰ্মী তথা অসম চৰকাৰৰ ব্ৰেণ্ড এম্বেচাদৰ আনন্দ খাটনিয়াৰে। পৰিৱেশ সজাগতা সভাত অঞ্চলটোৰ সকলো পৰিৱেশ কৰ্মীক উপস্থিত থাকিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

## গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৭ ডিচেম্বৰ ঃ** বাগ্‌সাৰ গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহক সমিতিখন যাৱা ২৬ ডিচেম্বৰত গঠন কৰা হয়। ৪১ জনীয়াসমিতিখনৰ সভাপতি হিচাপে সঞ্জীৱ উজিৰ, উপ-সভাপতিদ্বয় অৰ্ণৱ দাস, বিমল দাস, সাধাৰণ সম্পাদক মিণ্টু দাস, সহকাৰী সম্পাদকদ্বয় ৰূপম দাস, ডেনিয়েল দাস, শিক্ষা সম্পাদক গীতুমণি দাস, বিত্ত সম্পাদক ৰণ্টু দাস, সাংস্কৃতিক সম্পাদক জোনমণি দাস, তথ্য আৰু প্ৰচাৰ সম্পাদক নিতুল দাস, সাহিত্য সম্পাদিকা জুমণি দাস, মুখ্য সাংগঠনিক সম্পাদক বিদ্যুৎ দাস, সাংগঠনিক সম্পাদক নিতুল কাকতি, চাণক্য দাস, ৰূপম সূত্ৰধৰ, জয়কৃষ্ণ দাস, ক্ৰীড়া সম্পাদক ধনজিৎ দাসক নিৰ্বাচিত কৰা হয়। আজিৰ সভাখনত সদৌ বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়া, উপ-সভাপতি প্ৰাঞ্জল ডেকা, সাধাৰণ সম্পাদক দিগন্ত ডেকা, সহকাৰী সম্পাদক কংকনজ্যোতি শৰ্মা, মুখ্য সাংগঠনিক সম্পাদক জুবিন দাস, বাগ্‌সা আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক বিকাশ পাঠক আদি উপস্থিত থাকে।

■ যোৰহাটত 'মৰুদেশৰ মৃগনাভি'সহ সাতখন গ্ৰন্থ উন্মোচন

## অসমীয়া ভাষাৰ প্ৰতি চৰম প্ৰত্যাহ্বান আহিছে

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২৭ ডিচেম্বৰ ঃ** যোৰহাট প্ৰেছ ক্লাবত কালি আয়োজিত এক গ্ৰন্থ উন্মোচনী সভাত তিনিচুকীয়াৰ জয়ন্তী প্ৰকাশনৰ সাতখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। বৰগীতৰ গৱেষক তথা যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ পবিত্ৰ প্ৰাণ গোস্বামীৰ সঞ্চালনাত আয়োজিত অনুষ্ঠানত জয়ন্তী দেৱী শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে চেন্নাইৰ নিবাসী মনীষা ভট্টাচাৰ্য আৰু চিকিৎসক তথা সাংস্কৃতিক কৰ্মী নৰোত্তম সোণোৱালে। চুম্পী বৰাৰ বৰগীতেৰে আৰম্ভ হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি প্ৰয়াত মাতৃ জয়ন্তী দেৱী শৰ্মাৰ নামত এটি প্ৰকাশন গোষ্ঠীৰ জৰিয়তে অসমীয়া শিশু- সাহিত্যৰ ভড়াল চহকী কৰাৰ আশা থকাৰ কথা উল্লেখ কৰে স্বত্বাধিকাৰী তথা লেখিকা ববিতা শৰ্মাই। পৰিয়ালৰ সহযোগত পৰৱৰ্তী সময়ত প্ৰকাশন গোষ্ঠীৰ তৰফৰ পৰা নতুন আঁচনি গ্ৰহণৰ পৰিকল্পনা থকাৰ কথাও সদৰী কৰে শৰ্মাই। সাহিত্যিক ফুল চাংমাই গগৈৰ উত্তৰ- পূৰ্বাঞ্চলৰ ঐতিহাসিক ৰমণীসকল, ডঃ জুমি বৰুৱা গগৈৰ বুৰঞ্জীৰ ৰহঘৰা, মমী বৰাৰ কপৌ খুদ চাউল খা হি, ডঃ নমিতা বৰুৱাৰ নয়নতৰা, অঞ্জু শাণ্ডিল্যৰ পঞ্চমী, প্ৰণতি দেৱী শৰ্মাৰ শিশু পুথি সাধনাই সফলতাৰ সোপান আৰু চাহ বাগিচাৰ শ্ৰমিকসকলৰ জীৱন আৰু সংগ্ৰামৰ পটভূমিত ৰচিত মৰুদেশৰ মৃগনাভি শীৰ্ষক উপন্যাসখন উন্মোচন কৰা হয়। শিশুপুথিসমূহ উন্মোচন কৰে ক্ৰমে শিশু সাহিত্যিক ৰাতুল শৰ্মা, জ্যেষ্ঠ সাংবাদিক



প্ৰদীপ বৰা, বাহনা মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা বিশিষ্ট লেখিকা ডঃ সান্ত্বনা শইকীয়া, আবৃত্তিকাৰ শান্তিছায়া শইকীয়া, লেখক-সাহিত্যিক' মাজুলীৰ সম্পাদক প্ৰশান্ত কুমাৰ মহন্ত আৰু কৰ্মসূত্ৰে চেন্নাইৰ নিবাসী অইল ইণ্ডিয়াৰ উচ্চ পদস্থ বিষয়া প্ৰশান্ত কুমাৰ ভট্টাচাৰ্যই। কবি, আবৃত্তিকাৰ প্ৰণতি দেৱী শৰ্মাৰ মৰুদেশৰ মৃগনাভি উন্মোচন কৰে বিশিষ্ট কবি -সাহিত্যিক দিলীপ তাঁতীয়ে। বিশিষ্ট শিক্ষাবিদ তথা বৰগীতৰ গৱেষক পবিত্ৰ প্ৰাণ গোস্বামীৰ সঞ্চালনাত হোৱা সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি সাহিত্যিক, মৌচাক মামা শান্তনু তামুলীয়ে শিশু সাহিত্যিকসকলে সততে মন কৰিবলগীয়া বহুকেইটা গুৰুত্বপূৰ্ণ দিশ আঙুলিয়াই দিয়ে। বিশিষ্ট সাহিত্যিকজনে জয়ন্তী প্ৰকাশনৰ এই আঁচনিয়ে অসমীয়া শিশু-সাহিত্যিক সমৃদ্ধ কৰিব বুলি মতপোষণ কৰে। উন্মোচক ডঃ সান্ত্বনা শইকীয়াই মমী বৰাৰ কপৌ খুদ চাউল খা হি নামৰ পুথিখনে শিশুসকলক অনুপ্ৰাণিত কৰিব বুলি মত পোষণ কৰে জ্যেষ্ঠ সাংবাদিক প্ৰদীপ বৰাই জুমি বৰুৱা গগৈৰ বুৰঞ্জীৰ ৰহঘৰা শীৰ্ষক গ্ৰন্থখনৰ চমু আলোচনা আগবঢ়াই সাম্প্ৰতিক সময়ত একাংশ অসমীয়াই সন্তানক অসমীয়া ভাষাৰ সলনি ইংৰাজী ভাষাত শিক্ষা প্ৰদানৰ সুবিধা দিহে গৌৰৱ অনুভৱ কৰা বুলি ক্ষোভ প্ৰকাশ কৰি অসমীয়া ভাষাৰ প্ৰতি চৰম প্ৰত্যাহ্বান অহা বুলি মন্তব্য কৰে। শান্তিছায়া শইকীয়াই নমিতা বৰুৱাৰ নয়নতৰাৰ যোগেদি শিশুৰ হৃদয় জয় কৰিব পাৰিব বুলি উল্লেখ কৰে। গ্ৰন্থখনে পাঠকৰ মনত খোৰাক যোগাব বুলি মন্তব্য কৰে। প্ৰশান্ত কুমাৰ মহন্তই অঞ্জু শাণ্ডিল্যৰ পঞ্চমীয়ে ছাত্ৰীসকলৰ মনোজগতত নতুন প্ৰেৰণা যোগাব বুলি কোৱাৰ লগতে ৰাতুল শৰ্মাই উত্তৰ পূৰ্বাঞ্চলৰ ঐতিহাসিক ৰমণীসকল উন্মোচন কৰে। প্ৰশান্ত কুমাৰ ভট্টাচাৰ্যই প্ৰণতি দেৱী শৰ্মাৰ সাধনাই সফলতাৰ সোপান উন্মোচন কৰি সফলতাৰ বাটত শিশুসকলক গ্ৰন্থখনে সঠিক বাটৰ সন্ধান দিব বুলি আশা প্ৰকাশ কৰে। শৈশৱৰে পৰা চাহ বাগিচাৰ শ্ৰমিকসকলৰ জীৱন আৰু সংগ্ৰাম বুকুত লৈ ফুৰা হৃদয় সমৃদ্ধ কাহিনীৰে লিখি উলিওৱা মৰুদেশৰ মৃগনাভি নামৰ মননশীল উপন্যাসখনি উন্মোচন কৰি দিলীপ তাঁতীয়ে উপন্যাসখনে চাহ বাগিচাৰ জীৱন-সংগ্ৰাম নতুন ৰূপত দাঙি ধৰা বুলি মন্তব্য কৰে। লেখকসকলে শিশু সাহিত্য চৰ্চাৰ অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰাৰ লগতে জয়ন্তী প্ৰকাশনৰ এই আঁচনিয়ে অসমীয়া শিশু-সাহিত্য সমৃদ্ধিশালী কৰিব বুলি মন্তব্য কৰে। উক্ত অনুষ্ঠানতে প্ৰকাশন গোষ্ঠীৰ জৰিয়তে আয়োজিত প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ কৰা হয়।

■ ব্ৰহ্মপুত্ৰত সমূহীয়া আত্মজাহৰ ভাবুকি ঃ গোৱালপাৰাত সংবাদমেল

# নিযুক্তিৰ দাবীৰে হিয়া ঢাকুৰি কান্দোন বিশেষ টে'ট উত্তীৰ্ণ প্ৰাৰ্থীৰ

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ২৭ ডিচেম্বৰ ঃ** নিযুক্তিৰ দাবীৰে বিশেষ টে'ট উত্তীৰ্ণ এক ডজন প্ৰাৰ্থীয়ে আজি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি হিয়া ঢাকুৰি ক্ৰন্দনত ভাগি পৰে। সংবাদমেলখনত বিশেষ টে'ট উত্তীৰ্ণ প্ৰাৰ্থীসকলে কয় যে স্বাক্ষৰতাৰ হাৰ এশ শতাংশত উপনীত হ'বলৈ শিক্ষা কৰ্মীসকলে ২০০৩ৰ পৰাই কাম কৰি আহিছে। শিক্ষা কৰ্মীসকলৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই চৰকাৰে চলিত বৰ্ষৰ তিনি অক্টোবৰত বিশেষ টে'ট অনুষ্ঠিত কৰে। উক্ত বিশেষ টে'ট পৰীক্ষাত অৱতীৰ্ণ হোৱা ইউনিক আই ডি থকা ১৪,৫৭৫ গৰাকী শিক্ষা কৰ্মীৰ ভিতৰত মাত্ৰ ৬৬৭ গৰাকীয়ে উত্তীৰ্ণ হয়। কিন্তু বিশেষ টে'ট উত্তীৰ্ণ এই প্ৰাৰ্থীসকলক বিশেষভাৱে নিযুক্তি দিয়াৰ ক্ষেত্ৰত শেহতীয়া বিধানসভাৰ অধিৱেশনত শিক্ষা মন্ত্ৰীয়ে চেঁচা পানী ঢালে বুলি সংবাদমেলখনত ক্ষোভ প্ৰকাশ কৰে। লগতে এমাহৰ ভিতৰত শিক্ষা কৰ্মীসকলৰ নিযুক্তিৰ বাবে পৃথকভাৱে বিজ্ঞাপন জাৰি কৰা, ইউনিক আই ডি প্ৰাপ্ত বিশেষ টে'ট উত্তীৰ্ণ শিক্ষা কৰ্মীসকলক বিনাচৰ্তে নিযুক্তি দিয়া, শিক্ষা কৰ্মীসকলৰ বয়সৰ ঊৰ্ধ্বসীমা ৰেহাই দিয়া আৰু শিক্ষামিত্ৰসকলক নিযুক্তি দিয়াৰ দৰে শিক্ষা কৰ্মীসকলকো মেইন ষ্ট্ৰিম স্কুলত নিযুক্তি দিয়া এই চাৰি দফীয়া দাবী জনাইছে। যদি অতি শীঘ্ৰেই নিযুক্তিৰ ব্যৱস্থা নকৰে তেন্তে পঞ্চম দাবীৰূপে মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত সমূহীয়া আত্মজাহৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনাইছে। পঞ্চম দাবীৰ কথা উল্লেখ কৰিয়েই প্ৰাৰ্থীসকলৰ মাজত ক্ৰন্দনৰ ৰোল উঠে। এইদৰে দীঘলীয়া সময় হিয়া ঢাকুৰি কান্দি চৰকাৰক নিযুক্তি দিয়াৰ দৰে কাতৰ অনুৰোধ জনাই বিশেষ টে'ট উত্তীৰ্ণ প্ৰাৰ্থীসকলে।

## স্বাধিকাৰৰ নতুন সিদ্ধান্ত ল'ব ৰাইজে ঃ টংকেশ্বৰ ৰাভা

■ গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু ৰাভা মহিলা পৰিষদৰ অধিৱেশনৰ লাইখুঁটা স্থাপন



অগ্ৰদূত বাৰ্তা
**আগিয়া, ২৭ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ বৰদামাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা জানুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিতব্য গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ ত্ৰয়োদশ দ্বিবাৰ্ষিক যৌথ অধিৱেশনৰ আজি লাইখুঁটা স্থাপন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। ৰাভা জাতীয় তিনিওটা সংগঠনৰ বিষয়ববীয়াসকলৰ লগতে স্থানীয় সহস্ৰাধিক ৰাইজৰ উপস্থিতিত আজি দুপৰীয়া ১২ বজাত বায়ফাং (পুৰোহিত)ৰ মাংগলিক মন্ত্ৰধ্বনিৰ লগে লগে অধিৱেশনৰ লাইখুঁটা স্থাপন কৰে ৰাভাই। গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক বিৰোঞ্জন ৰাভাই আঁত ধৰা অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি ৰাভাই কয় যে আগন্তুক অধিৱেশনতে গোৱালপৰীয়া ৰাভা ৰাইজে স্বাধিকাৰৰ নতুন সিদ্ধান্ত ল'ব। উক্ত অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি অসীম কুমাৰ ৰাভাই কয় যে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিৰ বাবে ৰাভা জাতীয় তিনি সংগঠনে যি অবিৰত সংগ্ৰাম চলাই আহিছে আগন্তুক অধিৱেশনৰ পৰাই উক্ত সংগ্ৰামে নতুন গতি লাভ কৰিব। উক্ত অনুষ্ঠানত নিখিল ৰাভা ছাত্ৰ সন্থাৰ উপ-সভাপতি মতিলাল ৰাভা, সাংগঠনিক সম্পাদক জয়চন্দ্ৰ ৰাভা, আলোচনী সম্পাদক বাসুদেৱ ৰাভা, বৰদামাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হৰকান্ত নাথ, গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী সৰলা ৰাভা আদি উপস্থিত থাকে। উল্লেখ্য যে অধিৱেশনৰ বাবে ইতিপূৰ্বে পবিত্ৰ ৰাভাক সভাপতি আৰু বাসুদেৱ ৰাভাক সম্পাদক নিৰ্বাচিত কৰি ১১০ জনীয়া এখন অভ্যৰ্থনা সমিতি গঠন কৰাৰ উপৰি ১৭খন উপ-সমিতি গঠন কৰা হৈছে।

## বিশ্বনাথ চাৰিআলিত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৭ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্যাপন কৰা হয়। অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখা সাহিত্য সভাৰ সভাপতি কমল চন্দ্ৰ ভূঞাই। ইয়াৰ পাছতে বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ পদ্মনাথ গোহাঞিবৰুৱা সভাকক্ষত অনুষ্ঠিত সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ সভাত সভাপতিত্ব কৰে শাখা সমিতিৰ সভাপতি কমল চন্দ্ৰ ভূঞাই। অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা কালৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত সাহিত্যানুৰাগীৰ স্মৃতিত অনুষ্ঠিত বন্তি প্ৰজ্বলনৰ কাৰ্যসূচীত বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগেন চন্দ্ৰ শৰ্মাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা অবিভক্ত শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ইন্দ্ৰ প্ৰসাদ শইকীয়াই অসম সাহিত্য সভাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ পদক্ষেপ সম্পৰ্কে বহল ব্যাখ্যা আগবঢ়োৱাৰ লগতে নৱ প্ৰজন্মক সাহিত্য চৰ্চাত মনোনিৱেশ কৰিবলৈ সদনৰ প্ৰতি আহ্বান জনায়। বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ সম্পাদক অঞ্জন বৰাই আঁত ধৰা আৰু সহকাৰী সম্পাদক সূৰ্য বৰাই শলাগৰ শৰাই আগবঢ়োৱা সভাত সমজুৱাৰ ফালৰ পৰা বক্তব্য আগবঢ়াই বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক হীৰেন বৰা, শাখাৰ পত্ৰিকা সম্পাদক দিলীপ কুমাৰ ভট্টাচাৰ্য আৰু সুলেখিকা ৰেণু চহৰীয়া শইকীয়াই। প্ৰতিষ্ঠা দিৱসৰ সভাত বিশেষভাৱে সহযোগিতা আগবঢ়াই ৰেণু বৰা, অপূৰ্ব কুমাৰ দস, মীনাক্ষী গোস্বামী, অঞ্জন কুমাৰ বৰুৱা, ভূধৰ দাস, ৰাজেন্দ্ৰ প্ৰসাদ দাস, বিউটী ফুকন, সবিতা হাজৰিকা আদি কৰি বিশ্বনাথৰ বিশিষ্ট ব্যক্তিসকলে।

## নামতিদ'লত কেন্দ্ৰীয় মে-ডাম-মে-ফি উদ্যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা
**নামতি, ২৭ ডিচেম্বৰ ঃ** আহোমসকলৰ অন্যতম উৎসৱ মে-ডাম-মে-ফি আন কেইবছৰৰ দৰে এই বছৰো সদৌ অসম আহোম সভা নামতি আঞ্চলিক সমিতিৰ উদ্যোগত অহা ৩১ জানুৱাৰীত নামতিদ'ল স্থিত চাও চেং ৰেণৰ প্ৰাংগণত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে চাও চেং ৰেণত যোৱা ২৬ ডিচেম্বৰত এক ৰাজহুৱা অনুষ্ঠিত হয়। নামতি আহোম সভাৰ সভাপতি, হেমকান্ত গগৈয়ে সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অজিত চেতিয়াই। বক্তব্য প্ৰদান কৰে কাৰ্যকৰী সভাপতি তথা জ্যেষ্ঠ শিক্ষক তৰুণ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ গগৈ, সমাজ সেৱী ভাৰত চেতিয়া, টুটুমণি গগৈ, হেমন্ত বৰুৱা, মৃদুল গগৈ আৰু অজয় শইকীয়াই। সভাত লক্ষেশ্বৰ বৰুৱাক সভাপতি, ভাস্কৰ বৰুৱাক কাৰ্যকৰী সভাপতি হেমন্ত বৰুৱা আৰু অজয় শইকীয়াক যুটীয়া সম্পাদকৰূপে লৈ ৫১গৰাকী সদস্যৰে এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে স্থানীয় ১০ অনুষ্ঠানৰ পতাকা উত্তোলনেৰে সেইদিনা উৎসৱৰ কাৰ্যসূচী মুকলি কৰাৰ পাছত ছ্যুকাফাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, ছহিদ তৰ্পণ, ফুৰালুং পূজা, তাই সংস্কৃতিৰ বিভিন্ন নৃত্য-গীত পৰিৱেশন, ফলমূল আৰু প্ৰসাদ বিতৰণ আৰু নামতিদ'ল কেন্দ্ৰীয় মে-ডাম-মে-ফি উৎসৱ প্ৰতিষ্ঠাৰ লগত জড়িত ব্যক্তিসকলৰ এক প্ৰীতি সন্মিলন, পৰম্পৰাগত খাদ্যৰে প্ৰীতিভোজ, বন্তি প্ৰজ্বলন আদি অনুষ্ঠিত কৰা হ'ব। উদ্যোক্তাসকলে ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি কামনা কৰিছে।

## দৰঙৰ বাঘৰবাৰী ৰেনেচাঁ ক্লাবৰ এক লাখ গছপুলি ৰোপণৰ ব্যতিক্ৰমী প্ৰয়াস

বিশিষ্ট ব্যক্তিক প্ৰদান কৰিব বঁটা

অগ্ৰদূত বাৰ্তা
**দেওমৰনৈ, ২৭ ডিচেম্বৰ ঃ** দৰং জিলাৰ দেওমৰনৈৰ স্বেচ্ছাসেৱী অনুষ্ঠান বাঘৰবাৰীৰ ৰেনেচাঁ ক্লাবৰ উদ্যোগত দৰং বৃক্ষৰোপণ গোট গঠন কৰি এক লাখ গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণেৰে ইতিমধ্যে ৩০ হেজাৰৰো অধিক গছপুলি ৰোপণ কৰিছে। যোৱা ২০১৮ত দেওমৰনৈ মহাবিদ্যালয়ত মঙলদৈ বিধানসভা সমষ্টিৰ তদানীন্তন বিধায়ক গুৰুজ্যোতি দাস আৰু অভিনেতা প্ৰাঞ্জল শইকীয়াৰ উপস্থিতিত প্ৰথম গছপুলি ৰোপণ কৰি এক লাখ গছপুলি ৰোপণ প্ৰক্ৰিয়াৰ আৰম্ভণি কৰা হৈছিল। তাৰ পাছৰে পৰা স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ উদ্যোগত দৰং জিলাত এক লাখ গছপুলি ৰোপণ কৰা কাৰ্যসূচী ধাৰাবাহিকভাৱে আগবাঢ়ি গৈছিল। বিগত ২০১৯ত গছপুলি ৰোপণ কাৰ্যত অংশগ্ৰহণ কৰি তদানীন্তন বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে চেঙাপথাৰ হাইস্কুল প্ৰাংগণত ৩০,০০১ সংখ্যক গছপুলি ৰোপণ কৰে। ক'ভিড পৰিস্থিতি তথা তলাবন্ধৰ বাবে গছপুলি ৰোপণ কাৰ্যত সাময়িকভাৱে ব্যাঘাত জন্মিছিল যদিও আগন্তুক ২০২২ৰ প্ৰথম ভাগত ১৫ হেজাৰ লোকক উপস্থিতত ৫০,০০১ সংখ্যক গছপুলি ৰোপণ ১৩ পৃষ্ঠাত চাওক

## চেঙাত ৰেডিয়েন্স ফাউণ্ডেছনৰ উদ্যোগত জিকিৰ কৰ্মশালা

**মুকালমুৱা, ২৭ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙাত কালি এদিনীয়াকৈ অনুষ্ঠিত হয় জিকিৰ কৰ্মশালা। আজান ফকীৰৰ সৃষ্টি জিকিৰৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে ৰেডিয়েন্স ফাউণ্ডেছনৰ উদ্যোগত ২৯ নম্বৰ চেঙা মুছলমানপাৰা অভ্যাসন মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয় এই কৰ্মশালা। কৰ্মশালা আৰম্ভ হোৱাৰ পূৰ্বে শিক্ষক আবজেল আলীৰ সভাপতিত্বত অনুষ্ঠিত হয় উদ্বোধনী সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰেডিয়েন্স ফাউণ্ডেছনৰ শৈক্ষিক সমন্বয়ক (অবৈতনিক) হাচিব উদ্দিন আহমেদে। সভাত আদৰণী ভাষণ প্ৰদান কৰে কাৰিকৰী শিক্ষা বিভাগ, অসমৰ যুটীয়া সঞ্চালক ড° নজৰুল হকে। আদৰণী ভাষণত ড° হকে কয় যে স্ব-গোষ্ঠীয় পৰিচয়ৰ বাবে নিজৰ সংস্কৃতিৰ বিষয়ে জনাটো অত্যন্ত জৰুৰী। সাহিত্য, সংস্কৃতিৰ দিশত আগুৱাই গ'লে বিভিন্ন দিশত সহায়ক হোৱা বুলিও মন্তব্য কৰে। জিকিৰ কৰ্মশালাৰ উদ্বোধন কৰে বিষয় শিক্ষক ৰোহিণী কুমাৰ দাসে। উদ্বোধনী ভাষণত দাসে কয় যে যোগাত্মক কাৰ্যব্যৱস্থাই এখন সমাজ, এটা জাতি আৰু এখন ৰাষ্ট্ৰৰ উন্নতিৰ সৰ্বস্তৰৰ পথ প্ৰশস্ত কৰে। আজান পীৰ চাহাবে জিকিৰ-জাৰি ৰচনাৰে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক একেডাল জৰীৰে বান্ধি অসমীয়া সাহিত্য-সংস্কৃতিৰ বৰভেটি টনকিয়াল কৰিছিল। প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় স্তৰৰ পাঠ্যক্ৰমত জিকিৰ বিষয় অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰলৈ আহ্বান জনায় দাসে। কৰ্মশালাত প্ৰশিক্ষক হিচাপে প্ৰশিক্ষাৰ্থীসকলক জিকিৰৰ প্ৰশিক্ষণ দিয়ে শিৱসাগৰৰ জিকিৰ সম্ৰাট আজিমুদ্দিন আহমেদে। আহমেদে উদ্বোধনী সভাত শ্ৰীমন্ত শংকৰদেৱৰ বৰগীত আৰু আজান পীৰ চাহাবৰ জিকিৰৰ মাজত থকা সাদৃশ্যসমূহৰ বিষয়ে উল্লেখ কৰে। বৰগীত আৰু জিকিৰ গাই তাৰ অৰ্থবোৰ ভাষণৰ জৰিয়তে বুজাই দিয়ে প্ৰশিক্ষকজনে। ভাষণ প্ৰদান কৰে বিশিষ্ট সমাজসেৱক মকছেদ আলী, চেঙা মুছলমানপাৰা অভ্যসন মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক নজৰুল ইছলাম আদিয়ে। কৰ্মশালাত অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালা সম্পন্ন হোৱাৰ পাছত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলক ৰেডিয়েন্স ফাউণ্ডেছনৰ তৰফৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

## পানী যোগানৰ যন্ত্ৰ উচ্চ ক্ষমতা সম্পন্ন কৰিবলৈ বিভাগক আহ্বান

■ পানী যোগান উপদেষ্টা সমিতিৰ অধিৱেশন

অগ্ৰদূত বাৰ্তা
**বৰুৱাবামুণগাঁও, ২৭ ডিচেম্বৰ ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দেৰগাঁও উপ-সংমণ্ডল কাৰ্যালয়ৰ অন্তৰ্গত মিছামৰাৰ মাহনিয়াল গাঁও পানী যোগান আঁচনিৰ গৃহ সংযোগ পানী যোগান উপদেষ্টা সমিতিৰ প্ৰথম বাৰ্ষিক অধিৱেশনখন যোৱা ২৫ ডিচেম্বৰত অনুষ্ঠিত হয়। পুৱা বিভিন্ন কাৰ্যসূচীৰ পাছত দুপৰীয়া সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ৰবীন বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক শিৰেন বৰাই। উক্ত সভাত বিভাগীয় কৰ্তৃপক্ষৰ হৈ ৰমেন শৰ্মা, পশ্চিম মিছামৰা গাঁও পঞ্চায়তৰ সভাপতি নবীন বৰা, শিক্ষক সুনীল কুমাৰ বৰা প্ৰমুখ্যে ভোগেশ্বৰ বৰা, সুৰেন্দ্ৰ নাথ বৰা আদিয়ে পানী যোগান আঁচনিৰ উন্নয়ন আৰু গ্ৰাহকৰ দায়িত্বৰ বিষয়ে বক্তব্য প্ৰদান কৰে। উক্ত সভাতে আগন্তুক কাৰ্যকালৰ বাবে সুৰেন্দ্ৰ নাথ বৰাক সভাপতি, ৰবীন বৰাক উপ-সভাপতি, সুনীল কুমাৰ বৰাক সম্পাদক, বিমান বৰা আৰু উৎপল বৰাক সহ-সম্পাদক হিচাপে লৈ মাহনিয়াল গাঁও পানীযোগান উপদেষ্টা সমিতিৰ ২০ জনীয়া কাৰ্যনিৰ্বাহ সমিতিখন গঠন কৰা হয়। সভাখনত পানী যোগান আঁচনিৰ গ্ৰাহক অনুপাতে পানী যোগান ধৰিবলৈ আঁচনিটোৰ যন্ত্ৰ-পাতিসমূহ উচ্চ ক্ষমতা সম্পন্ন কৰি তুলিবলৈ বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনাই এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতিৰ মাতৃ বিয়োগ

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ২৭ ডিচেম্বৰ ঃ** সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেবানন্দ চেলেঙৰ মাতৃ চন্দ্ৰপভা চেলেঙৰ আজি মৃত্যু হয়। ডিব্ৰুগড় চহৰীকটাস্থিত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত বিয়োগ হোৱা মহিলাগৰাকীৰ আত্মাৰ সদগতিৰ বাবে সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাই বাইথ' দেৱতাৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। চন্দ্ৰপ্ৰভা চেলেঙে মৃত্যুৰ সময়ত পুত্ৰ দেৱানন্দ চেলেংসহ বহু আত্মীয়-স্বজনক এৰি যায়।

## সাওঁৰাচৰা মফিজ উদ্দিন খান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকক সম্বৰ্ধনা



**কলগাছিয়া, ২৭ ডিচেম্বৰ ঃ** কলগাছিয়াৰ সাওঁৰাচৰা মফিজ উদ্দিন খান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষকসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত প্ৰয়াত শিক্ষকসকলকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপলক্ষে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা গোৱালপাৰা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ছাদুল্লা খানৰ সভাপতিত্বত সম্বৰ্ধনা জ্ঞাপন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাওঁৰাচৰা এম কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষই। আদৰণি ভাষণ আগবঢ়ায় ছাত্ৰ আৰু প্ৰাক্তন ছাত্ৰ কল্যাণ সমিতিৰ সভাপতি ছাদুল্লা খানে। প্ৰয়াত শিক্ষকসকলৰ আত্মাৰ শান্তি কামনাৰে সমূহীয়া মোনাজাত কৰে মৌলনা শ্বাহকামালে। ইপিনে, শলাগৰ শৰাই আগবঢ়ায় বাহাৰুল ইছলামে। উল্লেখ্য যে মৰণোত্তৰভাৱে বিদ্যালয়খনৰ নগৰাকী আৰু অৱসৰপ্ৰাপ্ত ১৯ গৰাকী শিক্ষক- কৰ্মচাৰীক কালি সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## গৰুভাষাত লেহেমীয়া গতিত জৰাজীৰ্ণ পথ মেৰামতি

■ কাটা পাথৰসমূহে চৰম বিপাঙত পেলাইছে পথচাৰিক

যানবাহন পাৰাপাৰ হ'লে ধূলিৰে পথ নেদেখা অৱস্থাৰ সৃষ্টি হয়

অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ২৭ ডিচেম্বৰ ঃ** দীৰ্ঘদিনে জহি-খহি গৈ ঠায়ে ঠায়ে পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈ চৰম জৰাজীৰ্ণ পথেৰে যাতায়াত চলি আছিল বাসুগাঁও-বালাগাঁও সংযোগী গড়কাপ্তানী পথেৰে। উক্ত জৰাজীৰ্ণ পথছোৱা যোৱা প্ৰায় তিনিমাহ আগৰে পৰা মেৰামতি চলি আছে। পথছোৱা মেৰামতিৰ প্ৰতি লক্ষ্য কৰি অঞ্চলবাসী লোকে স্বস্তিৰ নিশ্বাস পেলাইছিল। এক দীৰ্ঘদিনীয়া আশা পূৰণৰ আকাংক্ষাত। পথছোৱাৰ ঠায়ে ঠায়ে থকা পকীসমূহ উঠাই সমান কৰি ওপৰত বালি আৰু কটা শিল পাৰি দিয়ে। বিশেষকৈ হৰিগাঁৱৰ পৰা পূবকৃৰ্শাকাটি চম্পামতী নৈলৈকে শিলসমূহ ৰোলাৰ মাৰি সমান নকৰি লেহেমীয়া গতিত কাম চলাই থকাত চৰম অসুবিধাৰ সৃষ্টি হৈছে পথচাৰিৰ মাজত। বিশেষকৈ চাইকেল, মটৰ চাইকেল, স্কুটীকে আদি কৰি চাৰিচকীয়া বাহন চলাচল কৰাত চৰম অসুবিধা হয়। যাৰ ফলত যানবাহন সমূহো সততে বিকল হয়। ইফালে চম্পামতী নৈৰ পৰা শিল-বালি কঢ়িওৱা ট্ৰাক-ট্ৰেক্টৰসমূহ চলাচল কৰোতে ধূলি-বালিৰ বাবে চকুৰে নেদেখা অৱস্থাৰ সৃষ্টি হয়। ইয়াৰ অসুবিধাৰ পৰা অতি সোনকালে পৰিত্ৰাণ বিচাৰিছে অঞ্চলৰ জনসাধাৰণে।

## ধিঙত পথ দুৰ্ঘটনাত থিতাতে এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**ধিং, ২৭ ডিচেম্বৰ ঃ** ধিঙৰ ৰাজপথত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। নগাঁও ধিং সংযোগী ধিঙৰ লাকলংগীয়াৰ সমীপৰ গড়কাপ্তানী পথৰ ওপৰত তীব্ৰ বেগী এখন মালবাহী ট্ৰাকে লোকজনক মহটিয়াই নিয়াৰ ফলত থিতাতে মৃত্যু হয়। নিহত লোকজন ধিঙৰ এক নম্বৰ কান্ধুলীমাৰীৰ ছৈদুল ইছলাম। তেওঁ পত্নী আৰু পুত্ৰৰ স'তে ধিং চিকিৎসালয়ৰ পৰা উভতি অহাৰ পথত ৰাস্তা পাৰ হ'বলৈ ধৰাৰ সময়তে এ এছ-০৯-এচি ০৫৭৫ নম্বৰৰ ট্ৰাকখনে মহটিয়াই নিয়ে। দুৰ্ঘটনা সংঘটিত কৰিয়েই ট্ৰাকখনে পলায়নৰ চেষ্টা কৰে; কিন্তু স্থানীয় লোকৰ তৎপৰতাত ট্ৰাকখন জব্দ কৰা হয় যদিও চালকজনে পলায়ন কৰিবলৈ সক্ষম হয়।

## টিংখাঙত শিক্ষক সমাজৰ উদ্যোগত 'বিদায় ২০২১' অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**টিংখা, ২৭ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ জয়পুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত কুঁৱৰী গাঁও বি আৰু টিংখাং বি সমল কেন্দ্ৰৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্যোগত আজি বেতনি মজলীয়া বিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে এলানি ব্যতিক্ৰমী কাৰ্যসূচী, সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি, সামূহিক চাফাই কাৰ্যসূচীৰে অনুষ্ঠান আৰম্ভ কৰা হয়। 'বিদায় ২০২১' অনুষ্ঠান উদ্বোধন কৰে সমন্বয়ক প্ৰণৱ শৰ্মাই। শিক্ষক গোপাল বড়াই পৰিচালনা কৰা খেল-ধেমালি অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত মিউজিক চেয়াৰ, ৰছীটনা, টেকেলি ভঙা, ১০০ মিটাৰ দৌৰ, হাঁহি, উকি, উৰুলি আৰু দবা আদি খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। 'অতীতলৈ উভতি চাও' শীৰ্ষক অন্তৰংগ অনুষ্ঠানত পৰিচালনা কৰে শিক্ষক নৱ গগৈ আৰু অজিত গগৈয়ে। 'হাঁহিৰে নাকটি ছিঙো' শীৰ্ষক হাস্য-বংগ অনুষ্ঠান পৰিৱেশন কৰে শিক্ষক অজিত গগৈয়ে। কবিতা, গীত-নৃত্যৰে অনুষ্ঠানত ৰূপম দাস, ভূপেন গগৈ, মৃগেন গগৈ, কবি বৰ্ণালী শৰ্মা, বুদ্ধেশ্বৰ চাংমাইৰ উপৰি বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ মূল উদ্যোক্তা নৱ গগৈ, উজ্জ্বল গগৈ, অজিত গগৈ, ভূপেন গগৈ, প্ৰদীপ মণ্ডলৰ বিশেষ তৎপৰতাত অনুষ্ঠিত অনুষ্ঠানত স্থানীয় শতাধিক অভিভাৱক-অভিভাৱিকাই অংশগ্ৰহণ কৰে।

## অনুসূচিত জাতি পৰিষদৰ কাজলগাঁও জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ২৭ ডিচেম্বৰ ঃ** সদৌ বিটিচি অনুসূচিত জাতি পৰিষদৰ কাজলগাঁও জিলা সমিতিখন পুনৰ গঠন কৰা হৈছে। বৰতালোৱাস্থিত কাজলগাঁও প্ৰেছ ক্লাবত কালি কাজলগাঁও জিলা অনুসূচিত জাতি পৰিষদৰ সভাপতি নাৰায়ণ মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। বিটিচি অনুসূচিত জাতি পৰিষদৰ কেন্দ্ৰীয় সভাপতি গজেন ৰয় আৰু সাধাৰণ সম্পাদক দীপক ৰঞ্জন দাস উপস্থিতি থকা উক্ত সভাতেই সুজিত মণ্ডলক সভাপতি, প্ৰবীণ সূত্ৰধৰ আৰু হৰেণ মণ্ডলক উপ সভাপতি, গোপাল মল্লিকক সাধাৰণ সম্পাদক, শৈলেন সৰকাৰ আৰু প্ৰদীপ সূত্ৰধৰক সহকাৰী সম্পাদক, গোপাল, মণ্ডলক সাংগঠনিক সম্পাদক, নীলমণি সৰকাৰক শিক্ষা সম্পাদক, অশোক সৰকাৰক খেল সম্পাদক, সন্তোষ দাসক কোষাধ্যক্ষ আৰু গোপাল সৰকাৰক প্ৰচাৰ সম্পাদকৰূপে লৈ ২১ জনীয়া সমিতিখন গঠন কৰা হয়।

## ধৰ্মপ্ৰাণ মহিলাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
**বৰুৱাবামুণ গাঁও, ২৭ ডিচেম্বৰ ঃ** মিছামৰা মৌজাৰ খনিকৰ গাঁও নিবাসী ধৰ্মপ্ৰাণ মহিলা জ্যোতিমা বৰুৱা (৬৭)ৰ আজি নিজা বাসগৃহত মৃত্যু হয়। বিশিষ্ট অভিনেতা তথা সমাজকৰ্মী প্ৰয়াত ৰাজেন বৰুৱাৰ জ্যোতিমাই মৃত্যুৰ সময়ত চাৰিগৰাকী কন্যা আৰু একমাত্ৰপুত্ৰক এৰি যায়।

## আলোকঝাৰী মা মহামায়া মন্দিৰত ধুবুৰী জিলা উন্নয়ন কমিটীৰ সভা

**তামাৰহাট, ২৭ ডিচেম্বৰ ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত আলোকঝাৰী পাহাৰস্থিত ঐতিহাসিক মা মহামায়া মন্দিৰ চৌহদত যোৱা ২৬ ডিচেম্বৰত ধুবুৰী জিলা উন্নয়ন কমিটীৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলাখনৰ চলিত বছৰটোত হৈ যোৱা উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰাৰ বাবে উক্ত সভা অনুষ্ঠিত কৰে ধুবুৰী জিলা প্ৰশাসনে। ধুবুৰী জিলাৰ উপায়ুক্ত আমবামুথান এমপিৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলাখনৰ সকলো বিভাগীয় মুৰব্বীসকল উপস্থিত থাকে। বছৰৰ শেষত অনুষ্ঠিত জিলা উন্নয়ন কমিটীৰ গুৰুত্বপূৰ্ণ সভাখনত প্ৰতিটো বিভাগৰ মুৰব্বী বিষয়াই নিজৰ নিজৰ বিভাগৰ উন্নয়নমূলক কামৰ খতিয়ান দাঙি ধৰে। ১৩ পৃষ্ঠাত চাওক

## হেলমেট পৰিধান নকৰা, ছীটবেল্ট ব্যৱহাৰ নকৰা চালকৰ বিৰুদ্ধে অভিযান

অগ্ৰদূত বাৰ্তা
**কৃষ্ণাই, ২৭ ডিচেম্বৰ ঃ** হেলমেট পৰিধান নকৰা আৰু গাড়ীত ছীটবেল্ট ব্যৱহাৰ নকৰা চালকৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষীয়ে। আজি আৰক্ষীয়ে কৃষ্ণাই আৰক্ষী থানাৰ সমুখত চলোৱা তালাচীৰ সময়ত হেলমেট আৰু ছীটবেল্ট ব্যৱহাৰ নকৰি ঘাইপথেৰে চলাচল কৰা চালকসকলক জৰিমনা বিহে।

## বিধায়িকাই আধাৰশিলা কৰা দৈচপৰাৰ পথ চাৰি বছৰে অসম্পূৰ্ণ ঃ শীঘ্ৰে মেৰামতিৰ দাবী ৰাইজৰ

অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ২৭ ডিচেম্বৰ ঃ** কামৰূপ গ্ৰাম্য জিলাৰ হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত বহুতো পথে যাতায়াতৰ অনুপযোগী হৈ আছে। উল্লেখ্য যে বিগত ২০১৭ত সমষ্টিটোৰ বিধায়িকাগৰাকীয়ে দৈচপৰাৰ গিৰীশ কলিতাৰ গৃহৰ পৰা পশ্চিম বড়িগোগ মহাবিদ্যালয়লৈ পথৰ আধাৰশিলা কৰিছিল। ১০ লাখ টকা ব্যয় সাপেক্ষে প্লেভাৰ ব্লকেৰে নিৰ্মাণ কৰিবলগীয়া পথটোৰ নিৰ্মাণৰ দায়িত্ব স্থানীয় কেইজনমান লোকক অৰ্পণ কৰা হৈছিল। বৰলীয়া নৈৰ মথাউৰিৰ পৰা যোৱা পথছোৱা আধাৰশিলাৰ কেইদিমান পাছতে কেইগাড়ীমান মাটি পেলাই আজিলৈকে আধৰুৱা কৰি থলে। উল্লেখ্য যে পথ নিৰ্মাণৰ আধাৰশিলাৰ দিনা ৰঙিয়া উন্নয়ন খণ্ডৰ কে'বাজনো বিষয়া-কৰ্মচাৰীৰ লগতে যথেষ্ট সংখ্যক স্থানীয় দলীয় কৰ্মী তথা পথটোৰ লগত জড়িত ৰাইজ উপস্থিত আছিল। পথ নিৰ্মাণৰ দায়িত্বপ্ৰাপ্ত কৰ্মীসকলৰ লগতে ৰাইজে সহযোগিতা কৰি পথটো যাতায়াতৰ উপযোগী কৰি তুলিবলৈ আহ্বান জনাইছিল বিধায়িকাগৰাকীয়ে। কিন্তু ঠিকাদাৰৰূপী কৰ্মীসকলে ৰাইজৰ সহযোগিতা বিচৰাটো দূৰৰ কথা ৰাইজক এন্ধাৰত ৰাখি পথটোৰ কাম সামান্য কৰি বাকী সমুদায় ধন কি হ'ল তাৰ হিচাপ দিবলৈ অপাৰগতা প্ৰকাশ কৰিছে। এই সম্পৰ্কে বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিধায়িকাগৰাকীক ৰাইজে অৱগত কৰিছিল। স্থানীয় ৰাইজে আক্ষেপ কৰি কয় যে কেইমাহমান পাছতে পুনৰ বাৰিষা আহিব। বাৰিষা পথটো বোকাপানীৰে উপচি পৰিব। যন্ত্ৰণা ভোগ কৰিব ৰাইজে। সেয়েহে ৰাইজে বাৰিষাৰ পূৰ্বে পথটো যাতায়াতৰ বাবে উপযোগী কৰি তুলিবলৈ দাবী জনাইছে।



## বিশ্বনাথৰ বালিচাঙৰ অসম গ্ৰামীণ বিকাশ বেংক দলংগুৰি শাখাত চোৰৰ প্ৰৱেশ

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৭ ডিচেম্বৰ ঃ** বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী অঞ্চল বালিচাংস্থিত অসম গ্ৰামীণ বিকাশ বেংক দলংগুৰি শাখাত চোৰে প্ৰৱেশ কৰাৰ তথ্য পোহৰলৈ আহিছে। পুৱা বেংকৰ কৰ্মচাৰীয়ে বেংক খুলিবলৈ আহি ভেণ্টিলেচনখন ভঙা আৰু বেংকৰ তলা খোল অৱস্থাত প্ৰত্যক্ষ কৰে। তদুপৰি বেংকৰ নথিপত্ৰসমূহ লণ্ডভণ্ড হৈ পৰি থকা প্ৰত্যক্ষ কৰে। লগে লগে বেংকৰ গাতে লাগি থকা বালিচাং আৰক্ষী চকীত খবৰ দিয়ে বেংক কৰ্তৃপক্ষই। ইফালে যোৱা দুদিন শনি আৰু দেওবাৰে বেংক বন্ধ থকাৰ বাবে কৰ্মচাৰীসকলে সঠিকভাৱে ক'ব পৰা নাই বেংকটোৰ ভিতৰত চোৰে যোৱা নিশা প্ৰৱেশ কৰিলে নে তাৰ আগনিশা। কিন্তু চোৰে বেংকত ভেণ্টিলেটৰ ভাঙি প্ৰৱেশ কৰাটো নিশ্চিত হৈ পৰিছে। আনহাতে, বেংকত চোৰে কেৱল নথিপত্ৰ লণ্ডভণ্ডহে কৰিবলৈ সক্ষম হ'ল যদিও লকাৰ ভাঙিব নোৱাৰিলে।

## তিনিসুঁতিত দুই শিক্ষাগুৰুক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৭ ডিচেম্বৰ ঃ** অৰুণাচল সীমান্তৱৰ্তী একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান তিনিসুঁতি উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ২৪ ডিচেম্বৰত অনুষ্ঠিত সভাত দুগৰাকী শিক্ষকক বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়স্থিত প্ৰেক্ষাগৃহত তথা বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ইন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষক ৰোহিণী শৰ্মা আৰু সহকাৰী শিক্ষক ভীমলাল শৰ্মাক বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা পত্ৰ, শৰাই, গামোচা আৰু কিতাপৰ টোপোলাৰে বিদায় সম্ভাষণ জনোৱা হয়। তদুপৰি আৰু স্থানীয় শংকৰগুৰু জাতীয় বিদ্যালয়ৰ আচাৰ্যসকলেও বিদায় সম্ভাষণেৰে দুয়োজন শিক্ষাগুৰুলৈ সেৱা যাঁচে। সহকাৰী শিক্ষক মনোজ চাহুৰে আঁত ধৰা সভাত বিদ্যালয় প্ৰধান স্বপন সৰকাৰ, জ্যেষ্ঠ সহকাৰী শিক্ষক আশীষ ঘটকসহ যাদৱ ছেত্ৰী, লোকনাথ খতিৱৰা, লোহিত নাথ প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীবৃন্দই বিদায় সম্ভাষণ জনায়। তদুপৰি বিদ্যালয়ৰ ঐতিহ্যক লৈ স্বৰচিত কবিতা এটি পাঠ কৰে মনোজ চাহুৰে। ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত বিদায় ১৩ পৃষ্ঠাত চাওক

# ওদালগুৰিত প্ৰাথমিক শিক্ষক সন্মিলনীৰ ধৰ্ণা কাৰ্যসূচী

## ■ দাবী পূৰণ নহ'লে গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ



**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২৭ ডিচেম্বৰ ঃ** অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘই ঘোষণা কৰা অনুসৰি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বানত আজি এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে ওদালগুৰি আৰু ভেৰগাওঁ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে। আজি দুপৰীয়া ১২ বজাৰ পৰা এঘণ্টাৰ বাবে ওদালগুৰি জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত ৰূপায়ণ কৰা ধৰ্ণা কাৰ্যসূচীত হাতে-হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদী শিক্ষকসকলে 'নতুন পেঞ্চন নীতি বাতিল কৰক', 'পুৰণি পেঞ্চন নীতি বাহাল ৰাখক', 'ঠিকাভিত্তিক শিক্ষকৰ পদ নিয়মীয়াকৰণ কৰক', 'নতুন শিক্ষানীতিত শিক্ষকৰ স্বাৰ্থ হানিকৰ নীতি প্ৰত্যাহাৰ কৰক', 'স্থায়ী প্ৰধান শিক্ষকৰ পদ পূৰণ কৰক', 'স্নাতক শিক্ষকৰ গ্ৰেড পে ৮৭০০ লৈ বৃদ্ধি কৰক', 'ঠিকাভিত্তিক শিক্ষকৰ প্ৰাপ্য মৰগীয়া বানচৰ ধন মোকলাই দিয়ক', 'আৰ্জিত ছুটি বাৰ্ষিক ৩০ দিনলৈ বৃদ্ধি কৰক', আদি শ্লোগান দিয়ে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি ওদালগুৰি মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক নাৰায়ণ ছেত্ৰীয়ে কয়, 'অসমত আন্দোলন নকৰাকৈ একো প্ৰাপ্য লাভ কৰিব নোৱাৰি। শিক্ষকসকলে ভুগি থকা সমস্যাসমূহ দেখি-শুনিও আজিলৈ চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। বিভিন্ন সময়ত চৰকাৰে শিক্ষকসকলক সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দি আহিছে যদিও সেই প্ৰতিশ্ৰুতি বাস্তৱত ৰূপায়ণ নকৰে। আমাৰ প্ৰাপ্য দাবী পূৰণ নহ'লে আগন্তুক দিনত গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিম।' উক্ত প্ৰতিবাদী কাৰ্যসূচীত শতাধিক শিক্ষকে অংশগ্ৰহণ কৰে।

## ৰাতুল চন্দ্ৰ গোস্বামীলৈ 'শিক্ষক প্ৰবীণ' উপাধি

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২৭ ডিচেম্বৰ ঃ** আজাৰা নিবাসী, শিক্ষক তথা সু-সংগঠক ৰাতুল চন্দ্ৰ গোস্বামীলৈ 'শিক্ষক প্ৰবীণ' উপাধি প্ৰদান কৰিছে ধুবুৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে। যোৱা ২৬ ডিচেম্বৰত ধুবুৰী ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত ধুবুৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪০ সংখ্যক দ্বিবাৰ্ষিক অধিৱেশনত গোস্বামীক এই উপাধি প্ৰদান কৰা হয়। উল্লেখ্য যে শিক্ষকৰ বিভিন্ন সমস্যাৰ বাবে সততে সৰৱ হৈ থকা গোস্বামীয়ে বিগত ২০১০ৰ পৰা প্ৰাথমিক শিক্ষকৰ জিলা পৰ্যায়ৰ পৰা ৰাজিক পৰ্যায়ৰ নেতৃত্বৰ সাংগঠনিক ভেটি সুদৃঢ় কৰি শেহতীয়াকৈ দেশৰ ২৩ লাখ শিক্ষকেৰে গঠিত অখিল ভাৰতীয় প্ৰাথমিক সংঘৰ সৰ্বভাৰতীয় কাৰ্যকৰী সভাপতিৰ দায়িত্বত আছে।

# তেজপুৰত সদৌ অসম এনপিএছ কৰ্মচাৰী সন্থাৰ অৱস্থান ধৰ্মঘট

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৭ ডিচেম্বৰ ঃ** ৰাজ্যৰ লগতে তেজপুৰতো আজি এনপিএছ শিক্ষক-কৰ্মচাৰীসকলে বিভিন্ন দাবীত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। তেজপুৰ চহৰৰ মাজমজিয়াত ৰূপায়ণ হোৱা এই প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীত শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক শিক্ষক-কৰ্মচাৰীৰ লগতে সদৌ অসম কলেজ শিক্ষক সন্থা, সন্মিলিত শিক্ষক সন্থা আৰু তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰে। আজি দিনৰ ১১ বজাৰ পৰা তেজপুৰ আদালত চাৰিআলিত হাতে হাতে বেনাৰ ফেষ্টুন লৈ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা শিক্ষক-কৰ্মচাৰীসকলে চৰকাৰী কৰ্মচাৰীৰ অৱসৰৰ পাছত নতুন পেঞ্চন নীতি প্ৰত্যাহাৰ কৰি পূৰ্বৰ পেঞ্চন ব্যৱস্থা বহাল কৰাৰ লগতে ইতিমধ্যে নতুন পেঞ্চন নীতিৰ আধাৰত অৱসৰ গ্ৰহণ কৰা সকলো অৱসৰপ্ৰাপ্ত কৰ্মচাৰীকে অৱসৰ গ্ৰেচুইটি ১০ লাখ টকাকে ধৰি সকলো সুবিধা আদায় দিয়াৰ দাবী জনায়। আনহাতে, প্ৰতিবাদী শিক্ষক-কৰ্মচাৰীসকলে শোণিতপুৰ জিলাৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰও প্ৰেৰণ কৰে। উল্লেখ্য যে আজিৰ প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম কলেজ শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱা, এনপিএছ কৰ্মচাৰী সন্থাৰ ৰাজ্যিক কাৰ্যকৰী সভাপতি জয়ন্ত দাস, সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি মনোজ হাজৰিকা, সম্পাদক ৰাজ কমল দাস, সন্মিলিত শিক্ষক সন্থাৰ সভাপতি বৰজিৎ বৰঠাকুৰ আৰু তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ হৈ সপোনটি গোস্বামী, জ্যোতি ভট্টাচাৰ্যয়ো অংশ লয়।

# জাগুনত মহিলাসহ আটক দুই ড্ৰাগছ ব্যৱসায়ী

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ২৭ ডিচেম্বৰ ঃ** ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰে ৰাজ্যত অব্যাহত থকা ড্ৰাগছৰ বিৰুদ্ধে কঠোৰতা অৱলম্বন কৰিছে যদিও একাংশ ধুৰন্ধৰ প্ৰকৃতিৰ ড্ৰাগছ মাফিয়াই আৰক্ষীৰ চকুত ধূলি দি অব্যাহত ৰাখিছে ড্ৰাগছৰ চোৰাং ব্যৱসায়। উল্লেখ্য যে এক বিশেষ খবৰৰ ভিত্তিত আজি মাৰ্ঘেৰিটা মহকুমা আৰক্ষী বিষয়া পাৰ্থ প্ৰতিম দাসৰ নেতৃত্বত লেখাপানী আৰু জাগুন আৰক্ষীৰ যৌথ অভিযানত জাগুন আৰক্ষী চকীৰ অন্তৰ্গত কথা চেমা গাঁৱত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। অভিযান কালত আৰক্ষীয়ে ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত থকা মীনাক্ষী মীনা (৪৩) আৰু তৰু নিৰ্মালিয়া (৩৬)ক আটক কৰে। তৰু নামৰ যুৱকজনৰ ঘৰৰ পৰা প্ৰায় ১৩ গ্ৰাম নিষিদ্ধ ব্ৰাউন ছুগাৰ জব্দ কৰে। ইতিমধ্যে আটকাধীন মহিলাদ্বয়ক আৰক্ষীয়ে অধিক তথ্য লাভৰ বাবে জেৰা অব্যাহত ৰখাৰ উপৰিও জেললৈ প্ৰেৰণ কৰিছে।

# বৰ্ষীয়ান সাহিত্য-সাংস্কৃতিক কৰ্মী প্ৰফুল্ল চন্দ্ৰ দত্তক শিৱসাগৰ সাহিত্য সভাৰ সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ২৭ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি শিৱসাগৰ জিলা সাহিত্য সভাই শিমলুগুৰি অঞ্চলৰ বৰ্ষীয়ান সাহিত্য আৰু সাংস্কৃতিক কৰ্মী, একেধাৰে গল্পকাৰ, ব্যংগ লেখক, কবি, নাট্যকাৰ, অভিনেতা, পৰিচালক প্ৰফুল্ল চন্দ্ৰ দত্তক বাসগৃহত সম্বৰ্ধনা জনায়। এই অনুষ্ঠানতে শিমলুগুৰি শাখা সাহিত্য সভা, চন্টক শাখা সাহিত্য সভা, গড়গাঁও শাখা সাহিত্য সভা, শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থা, সন্মিলিত যুৱ সমাজ, শৈক্ষিক বিকাশ মঞ্চ, শিৱসাগৰ ছ্যুকাফা ফাউণ্ডেছন আৰু জ্যোতি বিষ্ণু কলা কেন্দ্ৰই সাহিত্যিকজনক সন্মান জনায়। অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ হৈ সভাপতি যোগ গগৈ, কুমুদ কলিতা, বিৰিঞ্চি গোহাঁই, ৰূপজ্যোতি চাংমাই, চৰিফুৰ হুছেইন, অনিমা ৰাজখোৱা, সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাকে মুখ্য কৰি বহু সংখ্যক সাহিত্য-সংস্কৃতিৰ অনুৰাগী উপস্থিত থাকে। অনুষ্ঠানত সাহিত্যিকজনৰ এটি কবিতা, এটি গল্প আৰু ব্যংগ ৰচনা পাঠ কৰে ক্ৰমে কুমুদ কলিতা, ধীৰেণ ফুকন আৰু প্ৰণৱজ্যোতি দত্তই। অনুষ্ঠানটি গীতেৰে সজাই তোলে ক্ৰমে প্ৰভাত কোঁৱৰ, দীপালী ৰাজকুমাৰী আৰু শিশু শিল্পী নিশিতা গগৈয়ে।

# গোলাঘাটত ন বিজেপি আৰু পুৰণি বি জে পিৰ মাজত সংঘাত

## ■ প্ৰবীণ নিষ্ঠাবান কৰ্মীক অৱজ্ঞা কৰি নতুনক দায়িত্ব প্ৰদানত অসন্তুষ্ট, গমাৰিগুৰিত প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২৭ ডিচেম্বৰ ঃ** চৰকাৰ গঠন হোৱাৰ ছটা মাহ অতিক্ৰম কৰাৰ পাছতো সংঘাত আঁতৰা নাই গোলাঘাট জিলা বিজেপিত। পূৰ্বৰ কংগ্ৰেছ নেত্ৰী অজন্তা নেওগে বিজেপিত যোগদান কৰাৰ সময়তে আৰম্ভ হোৱা দলীয় অন্তঃকন্দল বৰ্তমানেও অব্যাহত আছে গোলাঘাট বিধানসভা সমষ্টিৰ প্ৰান্তে প্ৰান্তে। বিশেষকৈ পুৰণি বিজেপি কৰ্মী আৰু ন-বিজেপিৰ আভ্যন্তৰীণ সংঘাতে গোলাঘাট বিধানসভা সমষ্টিত বাৰুকৈয়ে শ'লঠেকত পেলাই আহিছে বিজেপি দলটোক। আজি পুনৰ পুৰণি বিজেপি আৰু ন-বিজেপি কৰ্মীৰ সংঘাতৰ প্ৰতিফলন ঘটিল গোলাঘাট বিধানসভা সমষ্টিৰ গমাৰিগুৰি মণ্ডলত। বিজেপিৰ গমাৰিগুৰি মণ্ডলৰ শক্তি প্ৰমুখ আৰু বুথ সভাপতিসকলৰ নিযুক্তি আৰু প্ৰশিক্ষণ অনুষ্ঠানত পুৰণি বিজেপি কৰ্মীক বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে একাংশ অসন্তুষ্ট বিজেপি কৰ্মীয়ে। প্ৰতিবাদকাৰী বিজেপি কৰ্মীসকলৰ অভিযোগ মতে, বিজেপিৰ পুৰণি নিষ্ঠাবান কৰ্মীক একাষৰীয়া কৰি নতুনকৈ কংগ্ৰেছ দলৰ পৰা আগমন ঘটা কৰ্মীসকলক দলৰ গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰিছে জিলাৰ শীৰ্ষ নেতৃত্বই। আজি অনুষ্ঠিত গমাৰিগুৰি বহুমুখী প্ৰকল্প ভৱনৰ দলীয় প্ৰশিক্ষণ কাৰ্যসূচী চলি থকাৰ সময়তে ভৱনৰ চৌহদত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে প্ৰতিবাদী কৰ্মীসকলে। উল্লেখ্য যে শেহতীয়াকৈ এনে সংঘাতৰ পৰিপ্ৰেক্ষিততে একাংশ নিষ্ঠাবান কৰ্মীয়ে দল ত্যাগ কৰিবলৈ বাধ্য যে হ'ব সেয়া নিশ্চিত হৈ পৰিছে।

# ঊষা গৰঙাত দক্ষিণ গোলাঘাট আঞ্চলিকত মইনা পাৰিজাতৰ উদ্যোগত স্মৃতি দিৱস

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২৭ ডিচেম্বৰ ঃ** সদৌ অসম মইনা পাৰিজাত গোলাঘাট জিলা মইনা পাৰিজাতৰ অন্তৰ্গত দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাত উদ্যোগত কালি ঊষাগৰঙাস্থিত স্থায়ী কাৰ্যলয়ত স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সদৌ অসম মইনা পাৰিজাতৰ পালিতা কন্যা মায়াশ্ৰী ফুকন আৰু শিশুকৰ্মীসকললৈ শ্ৰদ্ধাঞ্জলি জনাই পুৱা পতাকা উত্তোলন কৰে দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাত সভাপতি নৰেন শইকীয়াই আৰু শিশু মহীয়সী দেৱজ্যোতি হাজৰিকাই । ইয়াৰ পাছতে দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি নৰেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে সম্পাদক খগেন বৰাই, সভাত সদৌ অসম মইনা পাৰিজাতৰ সম্পাদক বীৰেন কলিতা, সাংগঠনিক সম্পাদক পিংকু শইকীয়া, গোলাঘাট জিলা মইনা পাৰিজাতৰ সভাপতি যোগেন দত্ত আদি কৰি কে'বাজনো বিষয়ববীয়াৰ লগতে শিশু প্ৰেমীসকল উপস্থিত থাকে। সভাত ক'ভিড পৰিস্থিতিৰ বাবে সাংগঠনিক ভেটি দুৰ্বল হোৱাত প্ৰতিটো শাখাত সাংগঠনিক সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# তামুলপুৰ জিলা অনুসূচিত জাতি পৰিষদৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশনৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ,২৭ ডিচেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ কাউলীত দুদিনীয়াকৈ অনুষ্ঠিত তামুলপুৰ জিলা অনুসূচিত জাতি পৰিষদৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশনৰ কালি সামৰণি পৰে। অধিবেশনৰ অন্তিম দিনা দিনৰ এক বজাত তামুলপুৰ জিলা অনুসূচিত জাতি পৰিষদৰ সভাপতি দিলীপ দাসৰ পৌৰোহিত্যত আৰম্ভ হয় মুকলি সভা। মুকলি সভাখন উদ্বোধন কৰে বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসে। অধিবেশনৰ মুকলি সভাত উপস্থিত থাকি অনুসূচিত জাতি পৰিষদৰ সাধাৰণ সম্পাদক দীপাংকৰ হাজৰিকাই নিজৰ ভাষণ প্ৰসংগত কয়, 'সম্প্ৰতি আমাৰ জাতিটোৰ উত্তৰণত বহু সমস্যা আহি পৰিছে। আমি কোনো সুকীয়া ৰাজ্য বিচৰা নাই, কেৱল সমমৰ্যাদা আৰু সমবিকাশহে বিচাৰিছো।' তেওঁ অনুসূচিত জাতিৰ লোকসকলক সমানে আগবঢ়াই নিব পৰাকৈ ভাৰতীয় সংবিধানে নিৰ্ধাৰণ কৰা পুঁজিৰ সদ্ব্যৱহাৰ কৰিবলৈ একেখন মঞ্চত উপবিষ্ট অসম বিধানসভাৰ অধ্যক্ষজনলৈ আহ্বান জনাই কয় যে মুখ্যমন্ত্ৰীয়ে আমাৰ সংগঠনসমূহক একত্ৰিত কৰি এখন গুৰুত্বপুৰ্ণ সভাৰ আয়োজন কৰিবলৈ আহ্বান জনোৱাত আমি সুখী হৈছো। আমি আস্থা আৰু বিশ্বাসত ৰাখি আমাৰ দাবীসমূহ মানি নিস্পেষিত-দলিত জাতিটোক প্ৰকৃতাৰ্থত সমাজত থিয় দিব পৰাকৈ ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা হাতত ল'ব বুলি মোৰ দৃঢ় বিশ্বাস । সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয়, 'সকলো জাতি-জনগোষ্ঠীক দেশৰ আন শ্ৰেণীৰ স'তে আগবঢ়াই লৈ যোৱাৰ কাৰণে সংবিধানত কিছু ব্যৱস্থা আছে। সমান্তৰালভাৱে ইয়াৰ কাৰ্যকৰী কৰি যাবলৈ কিছু দিহা কৰি থকা হৈছে। অসম চৰকাৰেও আলোচনাৰ মাধ্যমেৰে জাতিটোৰ সমস্যাসমূহ সমাধান কৰিবলৈ আগবাঢ়িছে। ৰাজ্যত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকসকলৰ পৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰি সকলো জাতি-জনগোষ্ঠীৰ লোকে যাতে প্ৰতিটো চৰকাৰী আঁচনি ঢুকি পাই তাৰ কাৰণে চৰকাৰে দিহা কৰিছে।' বিধানসভাৰ অধ্যক্ষজনে আক্ষেপেৰে কয় যে কেৱল কাগজ , কলম আৰু কম্বল দিলেই অনুসূচিত জাতিৰ লোকসকলৰ উপকাৰ নহয়। এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী যথেষ্টখিনি সজাগ বুলিও কয় দৈমাৰীয়ে। তেওঁ কয় যে এইখন চৰকাৰে কেৱল ৰাইজৰ কথা শুনিহে ৰাইজৰ কাম কৰি যাব কিন্তু ৰাইজৰ কাম চৰকাৰৰ মতে নহ'ব। চৰকাৰৰ লগত বহি নতুন পলিচি ল'লে জাতিটো আগবাঢ়ি যাব পাৰিব বুলি কোৱাৰ উপৰি দৈমাৰীয়ে চৰকাৰী শিক্ষানুষ্ঠানত পঢ়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে ৮০ আসন সংৰক্ষণ কৰাৰ বিপৰীতে প্ৰাইভেট স্কুলত পঢ়িবলৈ ২০ শতাংশ আসন সংৰক্ষণ কৰিবলৈ পৰামৰ্শ দিয়ে। মুকলি সভাত আছুৰ সহকাৰী সম্পাদক ধৰ্মেশ্বৰ দাসে জাতিটোৰ সমস্যা আৰু সমাধানৰ উপায় উলিয়াই কিদৰে জাতিটোৰ উত্তৰণ সাধন কৰিব পৰা যায় সেই বিষয়ে বহলাই কয় । মাধৱ দাসে আঁত ধৰা মুকলি সভাত বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাসহ অনুসূচিত জাতি পৰিষদৰ কেন্দ্ৰীয় বিষয়ববীয়াসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ২৫ ডিচেম্বৰৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত তামুলপুৰ জিলা অনুসুচিত জাতি পৰিষদৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভাই আগন্তুক বৰ্ষৰ বাবে দিলীপ দাসক সভাপতি আৰু মাধৱ চন্দ্ৰ দাসক সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰি এখন নতুন সমিতি গঠন কৰে।

# লক্ষীপুৰত বিজেপি মণ্ডল কমিটীৰ উদ্যোগত 'সু-শাসন দিৱস' উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ২৭ ডিচেম্বৰ ঃ** ভাৰতৰত্ন প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজেপেয়ীৰ যোৱা ২৫ ডিচেম্বৰত ৯৭ সংখ্যক জন্মজয়ন্তী উপলক্ষে আয়োজিত 'সু-শাসন দিৱস'ৰ দিনটোত গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ একাধিক অঞ্চলত পৃথকে অনুষ্ঠিত অনুষ্ঠানত অংশ লয় বিত্তমন্ত্ৰী অজন্ত নেওগে। মন্ত্ৰীগৰাকীয়ে প্ৰথমতে লক্ষীপুৰৰ বলাইখামাৰত অনুষ্ঠিত এক অনুষ্ঠানত উপস্থিত হৈ ৰাইজৰ লগত মত বিনিময় কৰে। পাছত চুনাৰীৰ ঐতিহ্যমণ্ডিত জয়ভূম কামাখ্যাবাৰী মন্দিৰত আশিস লৈ ২৫ লক্ষ টকা ব্যয় সাপেক্ষে নিৰ্মিত কমিউনিটী গৃহৰ দ্বাৰ মুকলি কৰে। ইয়াৰ পাছতেই লক্ষীপুৰস্থ লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত দলৰ 'সু-শাসন দিৱস' অনুষ্ঠানতো অংশ লয়। লক্ষীপুৰ বিজেপি মণ্ডল কমিটীৰ উদ্যোগত অনুষ্ঠিত দিৱসত গোৱালপাৰা জিলা অভিভাৱকৰ দায়িত্বত থকা বিত্ত তথা সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগে দলীয় কাৰ্যকৰ্তাৰ লগত মত-বিনিময় কৰি বক্তব্য আগবঢ়ায়। বক্তব্যত মন্ত্ৰীজনে বিগত দিনত লক্ষীপুৰ নগৰখনৰ উন্নয়নৰ ক্ষেত্ৰত যোগান ধৰা পুঁজি অনুপাতে উন্নয়ন নোহোৱাত আক্ষেপ প্ৰকাশ কৰে। আনহাতে, বিগত পাঁচ বছৰৰ পৰা বৰ্তমানলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ কালছোৱাত হোৱা উন্নয়নৰ কথা দোহাৰি পৰৱৰ্তী দিনবোৰত এই ধাৰা অব্যাহত থাকিব বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। লগতে আগন্তুক লক্ষীপুৰ পৌৰসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সকলো কাৰ্যকৰ্তাক এতিয়াৰে পৰা ৰাইজৰ ওচৰত গৈ জনসাধাৰণৰ হকে চৰকাৰে লোৱা বিভিন্ন আঁচনিৰ সুবিধাসমূহ অৱগত কৰাৰ লগতে নিস্বাৰ্থভাৱে দলীয় কাম-কাজ কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক কমিটীৰ সম্পাদিকা, আগন্তুক লক্ষীপুৰ পৌৰসভা নিৰ্বাচনৰ দলীয় তত্ত্বাৱধায়ক প্ৰকাশ কাশ্যপ, জিলা কমিটীৰ সভাপতি হিমাদ্ৰী দাস, মণ্ডল কমিটীৰ সভানেত্ৰী অঞ্জলিমা ব্ৰহ্ম, কাৰ্যকৰী সদস্য ৰাজেশ প্ৰসাদ গুপ্তা, তৰুণ ভকতকে ধৰি বহু দলীয় বিষয়ববীয়া উপস্থিত থাকে।

# কানৈ মহাবিদ্যালয়ত 'আজাদীৰ অমৃত মহোৎসৱ উদ্‌যাপন'

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড় ২৭ ডিচেম্বৰ ঃ** দেশে স্বাধীনতাৰ 75 সংখ্যক বাৰ্ষিকী উদ্‌যাপন কৰিবলৈ গৈ থকাৰ প্ৰাক্ মূহুৰ্তত যি অমৃত মহোৎসৱ উদ্‌যাপন কৰি থকা হৈছে তাৰ লগত সংগতি ৰাখি ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত এটি অনুষ্ঠান যোৱা 24 ডিচেম্বৰৰ বিয়লি অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক আজাদীৰ অমৃত মহোৎসৱৰ তাৎপৰ্য বৰ্ণনা কৰাৰ লগতে কৰ্তব্যনিষ্ঠা আৰু সমাজসেৱাৰ মনোভাৱেৰে জীৱনত আগুৱাই যাবৰ বাবে পৰামৰ্শ আগবঢ়ায়। ছাত্ৰ একতা সভাৰ তৰ্ক সম্পাদক মাধুৰ্য চেতিয়াই আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে স্বাধীনতাৰ বীৰ সেনানীসকলক স্মৰণ কৰি তেখেতসকলক শ্ৰদ্ধা জনোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ যি প্ৰচেষ্টা তাৰ শলাগ লয়। অধ্যাপক ড° বিৰাজ দত্তই ছাত্ৰ একতা সভাই এনে এটি অনুষ্ঠান আয়োজন কৰাৰ বাবে ছাত্ৰ একতা সভাৰ সভাপতি চৈয়দ ৰোহিত ৰহমান, সাধাৰণ সম্পাদক কাব্য জ্যোতি সোণোৱাল, সাংস্কৃতিক সম্পাদিকা প্ৰিয়ংগনা মিলিকে ধৰি অন্যান্য বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে আৰু অনাগত ভৱিষ্যতেও এনে অনুষ্ঠান আয়োজন কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। অনুষ্ঠানটিত অন্যান্য কাৰ্যসূচীৰ লগতে কনকলতা, মুকুন্দ কাকতিৰ ত্যাগ আৰু বলিদানৰ অতি সুন্দৰ নাট্যৰূপ প্ৰদান কৰি স্বাধীনতাৰ প্ৰত্যেকজন বীৰ ছহিদক শ্ৰদ্ধাঞ্জলি প্ৰদান কৰা হয়। কনকলতাৰ ৰূপত অভিনয় কৰা ছাত্ৰী মিক্সি বিক্সি সেনাপতিৰ অতি সাৱলীল অভিনয়ে উপস্থিত সকলোকে মন্ত্ৰ মুগ্ধ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰী ক্ৰমে সুৰভি চেতিয়া, আস্থা বৰা আৰু বিদিশা মলিয়াৰ নৃত্য, লিজা সোণোৱাল আৰু কুহি লালুঙৰ গীতেৰে স্বাধীনতাৰ অমৃত মহোৎসৱ উদ্‌যাপনৰ সন্ধিয়াটি অতি জীপাল কৰি তোলে। অনুষ্ঠানটিত অধ্যাপক আদিত্য দাহাল, ড° পৰাগজ্যোতি চুতীয়াকে ধৰি কেইবাজনো অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী গোলোক চন্দ্ৰ বৈশ্যৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৭ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত উলাবড়ী গাঁও নিবাসী তথা দূৰসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী গোলোক চন্দ্ৰ বৈশ্য (৮২)ৰ আজি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁৰ মৃত্যুত উলাবড়ী প্ৰগতি শিল্পী সংঘৰ সম্পাদক দিপুল বৈশ্য, বাৰনৰগীয়া সেৱা পৰিচালনা সমিতি, নাওখেল পৰিচালনা সমিতি, সদৌ অসম উকীল সন্থাৰ সাংগঠনিক সম্পাদক অমল চন্দ্ৰ বৈশ্যৰ লগতে বিভিন্ন অনুষ্ঠান ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে। বৈশ্য উলাবড়ী পশ্চিম-নখেতি আঞ্চলিক ৰঙালী বিহু সমিতিৰ লগতো জড়িত আছিল। মৃত্যুৰ সময়ত ইহসংসাৰত তেওঁ পত্নীসহ তিনি পুত্ৰ আৰু চাৰি বিবাহিত কন্যাৰ লগতে বহু গুণমুগ্ধক এৰি যায়।

# তিনিসুঁতিত দুই শিক্ষাগুৰুক বিদায়

১২ *পৃষ্ঠাৰ পৰা* বৃন্দগীতৰে আৰম্ভ কৰা সভাখনত বিশিষ্ট অতিথিৰ আসনৰ পৰা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজ সেৱক সদা গোস্বামীয়ে তিনিসুঁতি বিদ্যালয় স্থাপন, তাহানিৰ অধ্যাপনা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা আদি সকলো দিশ সামৰি এক মনোজ্ঞ বক্তব্য আগবঢ়ায়। শিক্ষক চন্দ্ৰ লুইটেলে শিক্ষক দুজনাই বিদায় সম্ভাষণ জনাই আৰু নিজ সামৰ্থ্য অনুযায়ী দেশ-জাতি তথা সুধীসমাজৰ হৈ কাম কৰি যাবলৈ আহ্বান জনায়। একেদৰে বিদ্যালয়ৰ প্ৰাক্তন সভাপতি মোহন কাটোৱাৰ, ভৱানী শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষীন্দ্ৰ তিমুং, অলকা শৰ্মা, সমাজসেৱী হৰি শৰ্মাই বক্তব্য আগবঢ়োৱাৰ উপৰি অনুষ্ঠানৰ লগত ৰজিতা খুৰাই এটি স্বৰ্ণিল-বৰ্ণিল কবিতা পাঠ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক নৰ বাহাদুৰ ছেত্ৰীয়ে। প্ৰাক্তন ছাত্ৰী টিংকু শৰ্মাই বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত পৰিৱেশনেৰে জীপাল কৰি তোলা সভাত বিদায় সম্বৰ্ধিত শিক্ষক ৰোহিনী শৰ্মাই সম্বৰ্ধনা গ্ৰহণ কৰি খুবেই আবেগিক হৈ পৰে আৰু ডেৰকুৰি বছৰৰ অধিক ত্যাগ আৰু সততাৰ স্বীকৃতি পোৱা বুলি সগৌৰৱেৰে প্ৰকাশ কৰে।

# আলোকঝাৰী মা মহামায়া মন্দিৰত ধুবুৰী

১২ *পৃষ্ঠাৰ পৰা* জিলা উন্নয়ন আয়ুক্ত কান্তা দাসৰ প্ৰচেষ্টাত অতি ভিতৰুৱা অঞ্চল আলোকঝাৰী পাহাৰত অৱস্থিত মা মহামায়া মন্দিৰ চৌহদত জিলা প্ৰশাসনে অনুষ্ঠিত কৰা সভাখনত উপায়ুক্তই হৈ যোৱা কামৰ খতিয়ান লোৱাৰ লগতে বাকী থকা কামবোৰ কেনেকৈ সম্পন্ন কৰিব পাৰি সেই বিষয়ে আলোচনা কৰে। সভাৰ কাৰ্যসূচী মতে জিলা উপায়ুক্তই উক্ত স্থানতে অনুষ্ঠিত স্বাস্থ্য শিবিৰত কণ কণ শিশুসকলৰ মাজত 'নিউট্ৰিচন কিট' বিতৰণ কৰে আৰু সভাৰ অন্তত ধুবুৰী জিলাৰ উপায়ুক্তৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী-বিষয়াসকলে মা মহামায়া মন্দিৰত সেৱা জনায়। উল্লেখ্য যে ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত আলোকঝাৰী অঞ্চলত ১৩৪ হেক্টৰ মাটিকালিৰে আৱৰি থকা আলোকঝাৰী পাহাৰখনত অৱস্থিত ঐতিহাসিক মা মহামায়া মন্দিৰ। ২০১৯ত ৰাজ্য চৰকাৰৰ 'অসম দৰ্শন' আঁচনিৰ অন্তৰ্ভুক্ত হোৱা মা মহামায়া মন্দিৰটোত নিতৌ অজস্ৰ ভক্তপ্ৰাণ ৰাইজে পূজা-অৰ্চনা কৰে। ইয়াৰ উপৰি প্ৰতিবছৰে ব'হাগ মাহৰ প্ৰথম সপ্তাহৰ পৰা আৰম্ভ হোৱা সাত বেষমাৰ মেলাত লাখ লাখ ভক্তৰ সমাগম হয়।

# অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া পূৰ্ণকান্ত ডেকাৰ পৰলোকপ্ৰাপ্তি



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৭ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ পূব জামুগুৰিৰ নিবাসী বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া পূৰ্ণকান্ত ডেকা (৭৬)ৰ আজি পুৱা পৰলোকপ্ৰাপ্তি ঘটে। যোৱা কিছুদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ ঘৰতে চিকিৎসকৰ তত্ত্বাৱধানত থকা ডেকা আগদিনালৈকে পৰিয়ালৰ লগতে ওচৰ-চুবুৰীয়াৰ স'তেও হাঁহি-মাতি চলা-ফিৰাও কৰি আছিল। তেনে অৱস্থাতে যোৱা নিশা ডেকাৰ স্বাস্থ্যৰ কিছু পৰিৱৰ্তন ঘটে। কিন্তু আজি পুৱালৈ ডেকাৰ স্বাস্থ্যৰ হঠাৎ অধিক অৱনতি ঘটাত পৰিয়ালৰ লোকে লগে লগেই নগাঁও চহৰৰ এখন চিকিৎসালয়লৈ লৈ যায় যদিও মৃত বুলি সদৰী কৰে। জীৱনকালত দহৰ কল্যাণৰ বাবে সেৱা আগবঢ়াই আমৃত্যু পৰ্যন্ত সামাজিক দায়বদ্ধতাৰ পৰিচয় দি যোৱা উদাৰ, মৰমিয়াল, ধৰ্মপৰায়ণ, সৰবৰহী লোকজনৰ মৃত্যুত শ্ৰীমন্ত শংকৰ সংঘৰ দয়াময় প্ৰাথমিক শাখা, জামুগুৰি ৰাস উৎসৱ উদ্‌যাপন সমিতি, বিহু উৎসৱ উদ্‌যাপন সমিতি, আলোক সন্ধানী সমাজ, জংগম গোষ্ঠী, ৱাটচ এপ গ্ৰুপৰ 'জনমভূমি মোৰ জামুগুৰি', বেবেজীয়া প্ৰেছ ক্লাবেকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। ডেকোই মৃত্যুৰ সময়ত পত্নীৰ উপৰি দুই পুত্ৰ আৰু দুগৰাকী জীয়ৰীৰ লগতে বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়।

# 'সপ্তবৈকুণ্ঠ সাংস্কৃতিক গোষ্ঠী'ৰ মহিলা ভাওনাই মুহিলে দৰ্শকক



**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ২৭ ডিচেম্বৰ ঃ** ক'ভিড পৰিস্থিতিৰ পাছত পুনৰ এবাৰ উজ্জীৱিত হৈ উঠিছে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰ। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে অসমৰ সাংস্কৃতিক ৰাজধানী স্বৰূপ যোৰহাট জিলাতো আৰম্ভ হৈছে এক সাংস্কৃতিক পৰিৱেশ। শেহতীয়াকৈ চাৰিঙীয়াৰ সপ্ত বৈকুণ্ঠ সাংস্কৃতিক মহিলা গোষ্ঠীৰ দ্বাৰা মুখ্য বায়ন নৱজ্যোতি হাজৰিকা, সহযোগী ৰক্তিম বৈশ্য, নৱজ্যোতি বৰুৱা আৰু অজয় দত্ত, অপু নেওগ, ধ্ৰুৱজ্যোতি কলিতা আৰু সংগীবৃন্দৰ পৰিচালনাৰে যোৰহাটৰ চাৰিঙীয়াৰ সমীপত কৈলাশপতি ভৱন লখিমী ক্ষেত্ৰত যোৱা ২৫ ডিচেম্বৰত নিশা অভিনয় কৰা 'বিপ্ৰ দামোদৰ আখ্যান', 'দন্তৱক্ৰৰ মুক্তি লাভ' নামৰ ভাওনাই দৰ্শকৰ ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। জিলাখনৰ বিভিন্ন স্থানৰ মহিলাসকলে ভাওনাত অভিনয় অংশগ্ৰহণ কৰে। নাটৰ সূত্ৰৰ চৰিত্ৰত প্ৰিয়াক্ষী দত্ত, কৃষ্ণৰ চৰিত্ৰত জীনামনী নেওগ, ৰুক্মিণীৰ চৰিত্ৰত সংগীতা বৰা, দন্তৱক্ৰৰ চৰিত্ৰত জ্যোৎস্না বৰা শইকীয়া, বিদুৰথৰ চৰিত্ৰত ৰীতামণি শইকীয়া, শাল্বৰ চৰিত্ৰত জাহ্নৱী বৰা, দুমন্তৰ চৰিত্ৰত পৰিস্মৃতা দাস, ইন্দ্ৰৰ চৰিত্ৰত জোনালী গগৈ, কাৰ্তিকৰ চৰিত্ৰত ৰুমী বৰুৱা, বৰুণৰ চৰিত্ৰত পিংকী শইকীয়া, বলোৰামৰ চৰিত্ৰত প্ৰণীতা শৰ্মা বৰুৱা, সাত্যকী চৰিত্ৰত জ্যোতি ডেকা, প্ৰদ্যুন্নৰ চৰিত্ৰত ভাস্বতী নেওগ, সুদামৰ চৰিত্ৰত প্ৰণীতা দেৱী বৰুৱা, শুশিলাৰ চৰিত্ৰত চুইটী বৰা আৰু ব্ৰাহ্মণ চৰিত্ৰত সুকন্যা শইকীয়া আৰু কৃতাঞ্জলি কাকতিয়ে নাৰদৰ চৰিত্ৰত সুন্দৰ অভিনয়ে সকলোকে মোহিত কৰে।

সত্যমেৱ জয়তে
অসম চৰকাৰ

# দ্বিতীয় পৰ্যায়ত

## ১১ লাখ প্ৰথম শ্ৰেণী (নিয়মীয়া পৰিশোধকাৰী) হিতাধিকাৰীৰ বাবে

# অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ শুভাৰম্ভণি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

আঁচনিখনৰ এখন ৰাজ্যিক পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান যোৱা ২৮ নৱেম্বৰ,২০২১ তাৰিখে শোণিতপুৰ জিলাত অনুষ্ঠিত কৰা হৈছে। নৱেম্বৰ মাহত মুঠ ৮ খন জিলাৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰা হৈছে। অহা ২৮, ২৯ ডিচেম্বৰ, ২০২১ আৰু ২ আৰু ৬ জানুৱাৰী, ২০২১ তাৰিখে নিম্নলিখিত জিলাসমূহত হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰা হ'ব।

| ক্ৰ | জিলা | অনুষ্ঠানৰ বিশিষ্ট অতিথি | তাৰিখ / সময় |
|---|---|---|---|
| ১ | বিশ্বনাথ | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত পীযুষ হাজৰিকা**, মাননীয় জল সম্পদ,তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত পল্লৱ লোচন দাস**, মাননীয় সাংসদ, তেজপুৰ | ২ জানুৱাৰী, ২০২২<br>দিনৰ ১১.০০ বজাত |
| ২ | ধেমাজি | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত ৰণোজ পেগু**, মাননীয় শিক্ষামন্ত্ৰী<br>**শ্ৰীযুত সঞ্জয় কিশান**, মাননীয় শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত প্ৰদান বৰুৱা**, মাননীয় সাংসদ, লখিমপুৰ | ২ জানুৱাৰী, ২০২২<br>দিনৰ ২.০০ বজাত |
| ৩ | ডিব্ৰুগড় | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত অতুল বৰা**, মাননীয় কৃষি, মন্ত্ৰী<br>**শ্ৰীযুত ৰামেশ্বৰ তেলী**, মাননীয় সাংসদ, ডিব্ৰুগড় | ৬ জানুৱাৰী, ২০২২<br>দিনৰ ১.৩০ বজাত |
| ৪ | বঙাইগাঁও | **শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত ৰঞ্জিত দাস**, মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত ফণী ভূষণ চৌধুৰী**, মাননীয় বিধায়ক, বঙাইগাঁও | ২৮ ডিচেম্বৰ, ২০২১<br>দিনৰ ১০.৩০ বজাত |
| ৫ | চিৰাং | **শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত উৰ্খাও গৌৰা ব্ৰহ্ম**, মাননীয় হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত অশোক সিংহল**, মাননীয় গৃহ আৰু নগৰ পৰিক্ৰমা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত প্ৰমোদ বড়ো**, বড়োলেণ্ড আঞ্চলিক পৰিষদৰ মাননীয় মুখ্য কাৰ্যবাহী সদস্য | ২৮ ডিচেম্বৰ, ২০২১<br>দিনৰ ১.৩০ বজাত |
| ৬ | বাক্সা | **শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত উৰ্খাও গৌৰা ব্ৰহ্ম**, মাননীয় হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত প্ৰমোদ বড়ো**, বড়োলেণ্ড আঞ্চলিক পৰিষদৰ মাননীয় মুখ্য কাৰ্যবাহী সদস্য | ২৯ ডিচেম্বৰ, ২০২১<br>দিনৰ ১০.৩০ বজাত |

## আঁচনিখনৰ অৱলোকন

- সমগ্ৰ দেশৰ ভিতৰতেই এই আঁচনিখন প্ৰথম প্ৰচেষ্টা আৰু মাইক্ৰ'ফাইনেন্স সংস্থাসমূহৰ পৰা ক্ষুদ্ৰ ঋণ লোৱা ব্যক্তিসকলক উদগনি আৰু সকাহ প্ৰদান কৰাই হৈছে আঁচনিখনৰ উদ্দেশ্য।
- প্ৰথম শ্ৰেণীৰ ঋণীক ২৫,০০০ টকা অথবা মুঠ অনাদায় ঋণৰ যিটোৱেই কম, সেই পৰিমাণৰ উদগনিমূলক সাহায্য চেকৰ জৰিয়তে প্ৰদান কৰা হ'ব।
- প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰাৰ পিছত বাকী দুটা শ্ৰেণীৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে সকাহ প্ৰদান কৰা হ'ব।

**বিত্ত বিভাগ | অসম চৰকাৰ**

জনসংযোগ/ডি/১২০১৫/২১






# ৰয়েলছৰ বিৰুদ্ধে ডিফেণ্ডিং চেম্পিয়ন বাড ক্লাবৰ জয়লাভ



**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গুৱাহাটীৰ মেচত বাড ক্লাবে 72 ৰাণত পৰাস্ত কৰে ৰয়েলছ ক্লাবক। পোনতে বেটিং কৰি বাড ক্লাবে 266-7 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৰয়েলছ ক্লাবে 194-8 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম স্তৰত যিসকল চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হৈছে প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ।




## ভাৰত-দক্ষিণ আফ্ৰিকাৰ প্ৰথম টেষ্ট

# বৰষুণৰ বাবে দ্বিতীয় দিনাৰ খেল পৰিত্যক্ত

**চেঞ্চুৰিয়ন, ২৭ ডিচেম্বৰ ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ আজি দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে নহ'ল। উল্লেখ্য যে নিশাৰে পৰা হোৱা বৰষুণে খেলপথাৰ অনুপযুক্ত কৰাত আম্পায়াৰে ভোজন বিৰতিৰ পাছতে দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে পৰিত্যক্ত বুলি ঘোষণা কৰে। উল্লেখ্য যে অপেনাৰ লোকেছ ৰাহুলৰ অপৰাজিত শতকীয় ইনিংছৰ সহায়ত দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ যোৱা ভাৰতীয় দলে প্ৰথম খন টেষ্টৰ প্ৰথম ইনিংছত সুন্দৰ আৰম্ভণি কৰিছে। চেঞ্চুৰিয়নত হোৱা টেষ্টত টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে প্ৰথম দিনা তিনিটা উইকেট হেৰুৱাই 272 ৰাণ কৰে। ভাৰতীয় দলৰ হৈ অপেনিং বেটছমেন লোকেছ ৰাহুলে 122 ৰাণৰ শতকীয় ইনিংছ খেলে দিনান্তত ৰাহুলৰ লগত যোগ্য সহযোগ দি 40 ৰাণত বেটিং কৰি আছিল অজিংক্য ৰাহানে। দক্ষিণ আফ্ৰিকাৰ হৈ এনগিডিয়ে তিনিওটা উইকেট পায়। উল্লেখ্য যে ভাৰতক দুই অপেনাৰে দৃঢ় আৰম্ভণি দিয়ে। ৰাহুল আৰু মায়ংক আগৰৱালাৰ (60] মাজত 117 ৰাণৰ যুটি হয়। অৱশ্যে ব্যৰ্থ হয় চেতেশ্বৰ পূজাৰা (0) আৰু অধিনায়ক বিৰাট কোহলি (35]। উল্লেখ্য যে, ঘৰত নিউজিলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা জয় কৰি দক্ষিণ আফ্ৰিকালৈ যোৱা ভাৰতীয় দল চাপৰ মাজতো দৃঢ় হৈ আছে। ইয়াৰ কাৰণ হ'ল পূৰ্ণ শক্তিৰে নামিছে টীম ইণ্ডিয়া।

## এছেজ শৃংখলাৰ তৃতীয় বক্সিং ডে' টেষ্ট

# ইংলণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত অষ্ট্ৰেলিয়াৰ অগ্ৰগতি



**মেলবৰ্ণ, ২৭ ডিচেম্বৰ ঃ** চলিত এছেজ শৃংখলাৰ তৃতীয়খন টেষ্টত ইংলণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে অষ্ট্ৰেলিয়াই। উল্লেখ্য যে বক্সিং ডে টেষ্টখনত প্ৰথমদিনা বেটিং কৰি ইংলণ্ডে মাত্ৰ 185 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত 267 ৰাণ কৰি 82 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। উল্লেখ্য যে কালি খেলৰ প্ৰথমদিনাৰ অন্তত অষ্ট্ৰেলিয়াই এটা উইকেট হেৰুৱাই 61 ৰাণ কৰিছিল। ঘৰুৱা দলৰ হৈ সৰ্বাধিক 76 ৰাণ কৰে হেৰিছে। আনহাতে, ইংলণ্ডৰ হৈ চাৰিটা উইকেট দখল কৰে জেমছ এণ্ডাৰছনে। ইফালে, আজি দ্বিতীয় দিনাৰ খেলৰ অন্তত ইংলণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চাৰিটা উইকেট হেৰুৱাই 31 ৰাণ কৰিছে। ভ্ৰমণকাৰী দলটো এতিয়াও 51 ৰাণত পিছ পৰি আছে। সেয়ে স্বাভাৱিকতে চাপত আছে ইংলণ্ড দল। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ প্ৰথম দুখন টেষ্টত অষ্ট্ৰেলিয়াই জয়লাভ কৰি ইতিমধ্যে শৃংখলাত 2-0 ৰ অগ্ৰগতি লৈছে। অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰাৰ পাছত দ্বিতীয় টেষ্টত ইংলণ্ড 275 ৰাণত পৰাজয় স্বীকাৰ কৰে।

# বিশ্বনাথৰ চেম্পিয়ন নিৰ্ভানা একাডেমী মাণ্ডলিক ৰাউণ্ডলৈ



**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** নিৰ্ভানা স্প'ৰ্টছ একাডেমীয়ে অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈছে। আজি বিশ্বনাথত হোৱা ফাইনেল মেচত নিৰ্ভানা স্প'ৰ্টছ একাডেমীয়ে 141 ৰাণত পৰাস্ত কৰে বিশ্বনাথ ক্ৰিকেট ক্লাবক। পোনতে বেটিং কৰিনিৰ্ভানা স্প'ৰ্টছ একাডেমীয়ে 276-8 ৰাণ কৰে। প্ৰত্যুত্তৰত, বিশ্বনাথ ক্ৰিকেট ক্লাব দলে 135-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।

# ডিমৰীয়াত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা,**

**সোণাপুৰ, ২৭ ডিচেম্বৰ ঃ** বিষ্ণু ৰাভা ক্ৰীড়া আৰু সংস্কৃতিক সন্থাৰ উদ্যোগত অনুষ্ঠিত হ'ব প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে ডিমৰীয়া মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন। বিষ্ণু ৰাভা ক্ৰীড়া আৰু সংস্কৃতিক সন্থাই জনোৱা অনুসৰি উক্ত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ চেম্পিয়ন দলে লাভ কৰিব 70 হেজাৰ টকা। আনহাতে, ৰানাৰ্ছআপ দলে লাভ কৰিব 50 হেজাৰ টকা। প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনত অংশ ল'ব বিচৰা খেলুৱৈয়ে 600936860 নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ক্লাব চেম্পিয়নশ্বিপত লিঅ'পাৰ্ড ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা**

**মাজুলী, ২৭ ডিচেম্বৰ ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাজুলীত হোৱা মেচত লিঅ'পাৰ্ড ক্লাবে 37 ৰাণত পৰাস্ত কৰে অৰুনদোয় ক্ৰিকেট ক্লাবক। পোনতে বেটিং কৰি লিঅ'পাৰ্ড ক্লাবে 127-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, অৰুনদোয় ক্ৰিকেট ক্লাবে 90-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে মাজুলীত আৰম্ভ হোৱা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত মুঠ 12 টা দলে অংশ লৈছে। অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাৱে মাজুলী জিলা ক্ৰিকেট সন্থাক স্বীকৃতি প্ৰদান কৰাৰ পাছতে এতিয়া মাজুলীত আৰম্ভ হৈছে চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল। উল্লেখ্য যে অলপতে বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা বিশেষ সাধাৰণ সভাত অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছিল মাজুলী জিলা ক্ৰিকেট সন্থাক। অসম ক্ৰিকেট সন্থাৰ 42 নম্বৰ গোট হ'ল মাজুলী জিলা ক্ৰিকেট সন্থা। এই স্বীকৃতিৰ পাছতেই মাজুলীয়ে অসম ক্ৰিকেট সন্থাৰ সকলো ৰাজ্যিক প্ৰতিযোগিতাত অংশ ল'বলৈ সক্ষম হৈছে।

# বামুনটাৰী আজাদ ক্লাবৰ খিতাপ লাভ

**অগ্ৰদূত বাৰ্তা**

**কলগাছিয়া, ২৭ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ বালিকুৰি যুৱ সমাজ আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে বামুনটাৰী আজাদ ক্লাব। বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত হোৱা প্ৰতিযোগিতাৰ ফাইনেল মেচত বামুনটাৰী আজাদ ক্লাবে 2-0 গ'লত পৰাস্ত কৰে বালাগাঁও ফুটবল একাদশক।

# বিধায়ক কাপ ফুটবল আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৭ ডিচেম্বৰ ঃ** বিহপুৰীয়াত আৰম্ভ হৈছে বিধায়ক কাপ ফুটবল প্ৰতিযোগিতা। প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে মন্ত্ৰী যোগেন মোহনে। আনহাতে, বিধায়ক কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত অতিথি হিচাপে উপস্থিত থাকে অসম ফুটবল সন্থাৰ সভাপতি বিধায়ক নৱ কুমাৰ দলে, বিধায়ক অমিয় কুমাৰ ভূঞা, ফুটবলাৰ দূৰ্গা বড়ো আদি। প্ৰতিযোগিতাৰ উদ্বোধনী মেচত বিহপুৰীয়া এফ চি দলে একমাত্ৰ গ'লত পৰাস্ত কৰে বদতি এফ চিক। অহা ছয় জানুৱাৰীত বিধায়ক কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব আৰু চেম্পিয়ন দলে লাভ কৰিব 31 হেজাৰ টকা।

## অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট

# সত্যকাম সংঘ জিলা চেম্পিয়ন




**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২৭ ডিচেম্বৰ ঃ** ঢোলকুছি সত্যকাম সংঘই কলমনি জেছান ক্লাবক পৰাস্ত কৰি অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈছে। ৰঙিয়া জিলা ক্ৰীড়া সন্থাই স্থানীয় হিন্দী হাইস্কুলত আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল মেচত ঢোলকুছি সত্যকাম সংঘই 110 ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে কলমনি জেছান ক্লাবক। পোনতে বেটিং কৰি ঢোলকুছি সত্যকাম সংঘই 360-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, কলমনি জেছান ক্লাবে 150-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। এই জয়ৰে জিলা চেম্পিয়ন হৈ দ্বিতীয় ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে ঢোলকুছি সত্যকাম সংঘ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ।

# বাপুজী ষ্টেডিয়ামত প্ৰাইজমানি ফুটবল

**অগ্ৰদূত বাৰ্তা**

**মুৰফুলনী, ২৭ ডিচেম্বৰ ঃ** দীৰ্ঘ বিৰতিৰ পাছত ফলঙনি বাপুজী ষ্টেডিয়ামত আৰম্ভ হৈছে ফুটবল প্ৰতিযোগিতা। ফলঙনি ক্ৰীড়া সংঘই আয়োজন কৰা উক্ত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত ডনবস্কনিয়ান ৰঙাজান একাদশে একমাত্ৰ গ'লত পৰাস্ত কৰে পোৰাজংঘল একাদশক। আনহাতে, দ্বিতীয় মেচত কৌৱানী মহাজ্যোতি ক্লাবে একমাত্ৰ গ'লত পৰাস্ত কৰে কানি চাহবাগিছা একাদশক। উল্লেখ্য যে বাপুজী ষ্টেডিয়ামত আৰম্ভ হোৱা ফুটবল প্ৰতিযোগিতাখনত অংশ লৈছে 32 টা দলে।

# সপ্তম দিবা-নৈশ ফুটবল আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৭ ডিচেম্বৰ ঃ** অসম ফুটবল সন্থাৰ সহযোগত যজ্ঞোখোৱা জ্যোতিৰ্ময় যুৱ সংঘই আয়োজন কৰা সপ্তম দিবা-নৈশ ফুটবল প্ৰতিযোগিতাখন তিনিচুকীয়াৰ যজ্ঞোখোৱা খেলপথাৰত আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ উদ্বোধনী মেচত ডিব্ৰুগড় ইউনাইটেড দলে টাইব্ৰেকাৰত পৰাস্ত কৰে ডাইমন এফ চিক। উল্লেখ্য যে দিবা-নৈশ ফুটবল প্ৰতিযোগিতাখনৰ ফাইনেল মেচখন অহা সাত জানুৱাৰীত অনুষ্ঠিত হ'ব বুলি যজ্ঞোখোৱা জ্যোতিৰ্ময় যুৱ সংঘই জনাইছে।

# বকুল চন্দ্ৰ ফুটবলৰ ফাইনেলত কুশতলি দল



**অগ্ৰদূত বাৰ্তা,**

**মৰিগাঁও, ২৭ ডিচেম্বৰ ঃ** মৰিগাঁৱৰ ভূৰবন্ধাত চলি থকা বকুল চন্দ্ৰ বৰদলৈ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে কুশতলি ফুটবল দল। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত কুশতলি ফুটবল দল মুখামুখি হয় মাজৰবৰি ফুটবল দলৰ। মেচখনত কুশতলি ফুটবল দলে একমাত্ৰ গ'লত মাজৰবৰি ফুটবল দলক পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়।



১৯ অনূৰ্ধ এছিয়া কাপ ক্ৰিকেটত আফগানিস্তানক পৰাস্ত কৰি ছেমিফাইনেলত ভাৰত।

# ৰাষ্ট্ৰীয় কাৰাটেত তিনি খেলুৱৈৰ সাফল্য



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ধিঙৰ তিনিগৰাকী কিশোৰীয়ে ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত সফলতা লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। খেলুৱৈ তিনিগৰাকী হ'ল ৰাখী দাস, ডিম্পল দাস আৰু নয়না দাস। উল্লেখ্য যে নতুন দিল্লীত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত ৰাখী দাসে এটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰে। ইফালে, একে শাখাত অংশ লৈ ডিম্পল দাস আৰু নয়না দাসে এটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। ধিঙৰ তিনিগৰাকী কিশোৰীয়ে ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত সফলতা লাভ কৰাত উৎফুল্লিত হৈছে স্থানীয় ৰাইজ।

# ছাব জুনিয়ৰ কাবাদীত চেম্পিয়ন অভয়াপুৰী দল



**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ২৭ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ ছাব জুনিয়ৰ কাবাদী দল গঠন কৰাৰ বাবে অলপতে অনুষ্ঠিত হয় 15 বছৰ অনূৰ্ধ ছাব জুনিয়ৰ কাবাদী প্ৰতিযোগিতা। বঙাইগাঁও জিলাৰ মুঠ 18 টা দলে যোগদান কৰা উক্ত 15 বছৰ অনূৰ্ধ ছাব জুনিয়ৰ কাবাদী প্ৰতিযোগিতাত চেম্পিয়ন হয় অভয়াপুৰী দল। দ্বিতীয় স্থান লাভ কৰে ডাকুৱাপাৰা দলে। আনহাতে, যুটীয়াভাৱে তৃতীয়স্থান লাভ কৰে কঁঠালগুৰি আৰু কুচিয়াকাটাই। এই কাবাদী প্ৰতিযোগিতাৰ প্ৰদৰ্শনৰ ভিত্তিত গঠন কৰা হ'ব বঙাইগাঁও জিলাৰ ছাব জুনিয়ৰ কাবাদী দলটো।

## বিলাসনন্দন চ'ৰা



# ইয়াত এখন দুৱাৰ আছিল

**দুৱাৰ** খোলা আছে। যাৰ মন আছে, ওলাই যাব পাৰে। যাৰ মনত আছে, সি সোমাই আহিব পাৰে। মুঠতে দুৱাৰ খোলা আছে। এইযাৰ কথা কোনে কৈছে সেইবোৰ আলোচনা আৰু পাছত হ'ব। বৰ্তমানৰ আলোচনাৰ বিষয়বস্তু হ'ল দুৱাৰ। পলিটিকেল পাৰ্টিৰ যিবোৰ দুৱাৰ থাকে, সেইবোৰ দুৱাৰ আমাৰ ঘৰৰ দুৱাৰবোৰৰ দৰে নহয়। এইবোৰ দুৱাৰ অলপ বেলেগ ধৰণৰ হয়। বাকী দুৱাৰবোৰৰ দৰে এইবোৰ দুৱাৰেদিও ওলোৱা সোমোৱা চলি থাকে, কিন্তু যিয়ে সোমায় সি কোন মুহূৰ্তত ওলাই গৈ বেলেগৰ দুৱাৰেদি সোমাই যায় তাৰ একো ঠিকনা নাই। আকৌ যিখন দুৱাৰেদি ওলাই গৈছে, সেইখন দুৱাৰেদি যে আৰু কেতিয়াও সোমাই নাহিব, তাৰো একো গেৰাণ্টি নাই। অৱশ্যে এনে বহু দুৱাৰো আছে, যিবোৰেদি সোমাব পাৰি, কিন্তু ওলাব নোৱাৰি। এবাৰ সেইখন দুৱাৰেদি সোমাই যোৱাৰ পাছত সি ইমান ভিতৰলৈ গৈ থাকে যে আজীৱন মাৰ্গদৰ্শক হৈ থাকি যাব লগা হয়। কোনো কাৰণতে ওলাই আহিব নোৱাৰে। সেইখন দুৱাৰেদি এবাৰ সোমোৱাৰ পাছত মানুহবোৰৰ কি হয় জানো, কাম কী বাত ক'বলৈ এৰি মন কী বাত ক'বলৈ আৰম্ভ কৰে। দুৱাৰখনেদি সোমোৱাৰ পাছত অলৌকিক বা ঐশ্বৰিক শক্তিৰ ওপৰত অগাধ বিশ্বাস হ'বলৈ আৰম্ভ কৰে। ঠিক দুৱাৰৰ পোনে পোনে খাড়া হৈ থকা সিংহাসনী নেতাক বিষ্ণুৰ অৱতাৰ যেন লগা হৈ যায়, গংগাস্নান কৰি তেও লেতেৰা গংগাৰ পানীক পবিত্ৰ কৰি অহা যেন ফিলিং হ'বলৈ আৰম্ভ কৰে, ভাৱ হয় যে গংগাক মৰ্ত্যলৈ বোৱাই অনা ভগীৰথজন প্ৰকৃততে এখেতেই!

নিয়মমতে চাবলৈ গ'লে এখন দুৱাৰেদি সোমাই গৈ আৰু কেতিয়াও ওলাই নহাজনৰ দাম বাঢ়িব লাগে। কিন্তু তেনে কোনো কথা নাই। বৰঞ্চ দুৱাৰেদি অনবৰতে ওলোৱা-সোমোৱা কৰি নথকাসকলক কোনেও বৰ বিশেষ পাত্তা নিদিয়া হয়। জানেইতো, এওলোকে আৰু বেলেগ দুৱাৰেদি সোমাবলৈ নাযায়। অথচ বেলেগ দুৱাৰেদি ওলাই আহি ইখন দুৱাৰেদি সোমাই অহাসকলৰ দামটো অলপ বেছি যেন লাগে। কাৰণ ভয় থাকে—কোনে মুহূৰ্তত বা ইখন দুৱাৰেদি ওলাই গৈ সিখন দুৱাৰেদি সোমায়। আৰু অকলেতো দুৱাৰেদি নোলায়ো বা নোসোমায়ো। লগত এক পাল লৈ সোমাব আৰু এক পাল লৈ ওলাব। মোটামুটি ঘৰ খালী কৰি নিয়া যেন হয়। তেনে এক আশংকা আছে কাৰণেই দুৱাৰেদি ওলাই যাব নোৱাৰাকৈ তেওলোকক সন্তুষ্ট কৰি ৰখাৰ চেষ্টা কৰা হয়।

বৰ্তমান আকৌ দুৱাৰৰ কাহিনীবোৰ অলপ বেলেগ ধৰণৰ হৈছে। দুটা বিপৰীত দৃশ্য। ইখন দুৱাৰেদি সঁজাৰ দুৱাৰ খুলি দিলে জাক জাক চৰায়ে উৰি উৰি ওলাই যোৱাৰ দৰে অনবৰত ওলাই গৈয়ে আৰু সিখন দুৱাৰেদি অনবৰত সোমাই গৈ আছে। সিখন দুৱাৰত এতিয়া ইমান ভিৰ যে বহুতে দুয়োখন ঠেং একেলগে ভিতৰত ৰাখিব পৰা নাই। এখন ঠেং যদি দুৱাৰৰ ভিতৰত ৰাখিছে, আনখন ঠেং দুৱাৰৰ বাহিৰত ৰাখিছে। তথাপি এখন ঠেংতো দুৱাৰৰ ভিতৰত ৰাখিব পাৰিছে, সেয়াই পৰম প্ৰাপ্তি। দুৱাৰমুখত ইমান বেছি ভিৰ দেখি কোনোবাই কোনোবাই কৈছিল যে এজন দ্বাৰপাল ৰখা যাবক নেকি, যিয়ে হুইচেল বজাই বজাই ভিৰ কণ্ট্ৰোল কৰিব?




ভিতৰৰ পৰা মানা কৰা হ'ল—নালাগে। কাউণ্টাৰৰ ভিৰ দেখিলেহে লোকক ক'ব পৰা যাব যে চিনেমা হিট! লাগিলে ভিতৰত চলি থকা চিনেমাখন এখন ফ্লপ চিনেমাই নহৱক কিয়? গতিকে দুৱাৰৰ আগত ভিৰটো থাকক, কাকো খেদিব নালাগে। দুখন ভৰি সোমাবলৈ জাগা নাই যদি এখন ভৰিয়ে সমুৱাই দি ৰাখক। ভৰি নোৱাৰে যদি দুৱাৰেদি হেচি-ঠেলি কেনেবাকৈ মুখখনেই সুমুৱাই দি থাকক। মুঠতে ভিৰ হৈ থাকক।

হেন সময়তে আমাৰ গপত ওফন্দি থকা গপেন বৰাই দুৱাৰখনলৈ দেখুৱাই দি কৈছে যে দুৱাৰ খোলা আছে, যিয়ে ওলাই যাব খোজে যাব পাৰে। বৰাই প্ৰায়ে এইযাৰ কথা কয়। তেও কোৱা কথা বহুতে মানিও চলে। তেও লিডাৰ হয়। গতিকে লিডাৰৰ কথা মানি হুৰাহুৰকৈ দুৱাৰেদি ওলাই গৈয়ে আছে। যি হাৰত ওলাই গৈ আছে সেয়া দেখিলে ভাৱ হয়—দুৱাৰখনৰ চাগে আৰু বৰ বেছিদিনলৈ দৰকাৰ নহ'ব।

গপেন বৰাই এদিন হঠাতে মিস্ত্ৰী মাতি আনি ৱাল কাটি দুৱাৰখন উলিয়াই আনিব আৰু দুৱাৰৰ জাগাখিনি চিমেণ্টেৰে প্লাষ্টাৰ কৰি দিব। তাত লিখা থাকিব—ইয়াত এখন দুৱাৰ আছিল। কিন্তু এনে এটা পাৰ্টিও আছে, যাৰ দুৱাৰখন কেতিয়াবাও বন্ধ হৈ গৈছে। সেইখন দুৱাৰ আৰু নোখোলেও, বন্ধও নহয়। সিহঁতে ব্যৱহাৰ কৰা দুৱাৰখন মিত্ৰদলৰ দুৱাৰেই। সেইখন দুৱাৰেদি ওলোৱা-সোমোৱা কৰি সিহঁতে প্ৰায়ে শ্ল'গান দিলে—আঞ্চলিকতাবাদৰ দুৱাৰ সদায় খোলা আছে, যদিও দুৱাৰখনত সদ্যহতে তলা মৰা আছে।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# সৰু ল'ৰা-ছোৱালীক টিকাকৰণৰ সিদ্ধান্ত অবৈজ্ঞানিক

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৭ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাম্প্ৰতিক টিকাকৰণৰ ঘোষণাত উত্থাপিত হৈছে সৰু ল'ৰা-ছোৱালীক ক'ভিডৰ প্ৰতিষেধক প্ৰদানৰ বিষয়টো। প্ৰাথমিক পৰ্যায়ত ১৫ৰ পৰা ১৮ বছৰৰ ল'ৰা-ছোৱালীক অহা তিনি জানুৱাৰীৰ পৰা প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী আৰম্ভ হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিছে। কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ পৰা ৰক্ষা কৰাৰ বাবেই চৰকাৰে এই সিদ্ধান্ত লৈছে। অথচ মোদীৰ এই ঘোষণাক নস্যাৎ কৰি বিস্ফোৰক দাবী কৰিলে এইম্‌ছ দিল্লীৰ এজন বিজ্ঞানীয়ে। তেওঁৰ মতে, সৰু ল'ৰা-ছোৱালীক টিকাকৰণৰ এই সিদ্ধান্ত অবৈজ্ঞানিক। ড° সঞ্জয় কে ৰাই হৈছে এইম্‌ছৰ বিজ্ঞানী আৰু ভাৰতীয় জনস্বাস্থ্য সন্থাৰ সভাপতি। তেওঁ ভাৰত বায়'টেকৰ প্ৰতিষেধক ক'ভাক্সিন পৰীক্ষাৰ সময়ত অন্যতম পৰীক্ষকো আছিল। ৰাইৰ মতে, চৰকাৰে ইমান ডাঙৰ এটা সিদ্ধান্ত গ্ৰহণ কৰাৰ পূৰ্বে শিশুৰ বাবে কৰ'নাৰ প্ৰতিষেধক কিমান জৰুৰী সেয়া ভালদৰে চালি-জাৰি চোৱাটো প্ৰয়োজন। সংক্ৰমণৰ আশংকা থাকিলেই যে টিকাকৰণ কৰিব লাগিব, সেয়া অন্তত নকৰাই ভাল বুলি তেওঁ মন্তব্য কৰিছে। উল্লেখ্য যে বৰদিনৰ নিশা প্ৰধানমন্ত্ৰী মোদীয়ে তিনি জানুৱাৰীৰ পৰা ১৫-১৮ বছৰৰ ল'ৰা-ছোৱালীক ক'ভিডৰ প্ৰতিষেধক দিয়া হ'ব বুলি ঘোষণা কৰিছিল। প্ৰাথমিকভাৱে ধাৰণা কৰা হৈছে যে কম বয়সীয়া ল'ৰা-ছোৱালীৰ টিকাকৰণ সম্পূৰ্ণ হ'লে পূৰ্ণাংগ ৰূপত স্কুল-কলেজসমূহ খুলিব পৰা যাব। অথচ সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত প্ৰতিষেধকৰ মাধ্যমেৰে প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলাৰ কি প্ৰয়োজন বা সেয়া কিমান বাস্তৱসন্মত বুলি বিজ্ঞানী ৰাইয়ে প্ৰশ্ন উত্থাপন কৰিছে। টুইটাৰত বিজ্ঞানীজনে লিখিছে যে তেওঁ নিজেও প্ৰধানমন্ত্ৰী মোদীৰ অনুৰাগী। মোদীয়ে সঠিক সময়ত সঠিক সিদ্ধান্ত গ্ৰহণ কৰে বুলিয়েই তেওঁ বিশ্বাস কৰে। অথচ কম বয়সীয়াসকলৰ টিকাকৰণৰ সন্দৰ্ভত মোদী চৰকাৰে যি সিদ্ধান্ত গ্ৰহণ কৰিছে, তাক তেওঁ বৈজ্ঞানিক যুক্তিৰে গ্ৰহণ কৰিব পৰা নাই। কিয়নো টিকাকৰণৰ পাছতো বহু লোক ক'ভিড পজিটিভ হৈছে। যদি মৃত্যুৰ হাৰ হ্ৰাস কৰাটোৱেই উদ্দেশ্য হয়, তেন্তে এই সিদ্ধান্তত বিশেষ ক'বলগীয়া নাই বুলিও বিজ্ঞানীজনে কয়। অথচ প্ৰতিষেধকৰ বাবে সেই সম্ভাৱনাও কিমান কমিছে, সেই ক্ষেত্ৰতো প্ৰশ্নচিহ্ন এতিয়াও লাগি আছে।



# নাগাজাংকা ইক' কেম্পে কঢ়িয়াইছে আশাৰ বতৰা

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৭ ডিচেম্বৰ ঃ** মৰিয়নিৰ নাগাজাংকা গড়মূৰ অঞ্চলৰ এজন শিক্ষিত যুৱক দেৱাশীষ ৰাজকোঁৱৰ। শিক্ষকতাৰ বৃত্তিত জড়িত হৈ থকা সত্বেও দেবাশীষৰ হেঁপাহ আছিল বিশেষ কিবা এটা কৰাৰ, কিন্তু কি কৰা যায়! বহু ভাবি-চিন্তি অৱশেষত তেওঁ মৰিয়নিৰ নাগাজাংকা উদয়পুৰস্থিত কিছু পৰিত্যক্ত ভূমিতেই কিবা এটা কৰাৰ সিদ্ধান্ত ল'লে। যাতে অঞ্চলটোৰ গ্ৰাম্য অৰ্থনীতিতো তেওঁৰ কামে ইতিবাচক প্ৰভাৱ পেলাব পাৰে। ভবা মতেই কাম। সেই চিন্তাৰেই উদ্যমী যুৱকজনে নাগাজাংকা উদয়পুৰত ভোগদৈ নৈৰ দাঁতিত গঢ়ি তুলিলে 'নাগাজাংকা ইক' কেম্প' নামৰ এক পৰ্যটনস্থলী।

দেৱাশীষে জনাইছে যে প্ৰৱল উৎসাহেৰে হাতে-কামে লাগি বিগত অক্টোবৰৰ ভিতৰতে প্ৰায় সম্পূৰ্ণ কৰি তুলিলে এই পৰিৱেশ বান্ধৱ শিবিৰৰ কাম। যোৱা সাত নৱেম্বৰত এই ইক' কেম্প মুকলি কৰা হয়। অতি কম দিনৰ ভিতৰতে যোৰহাট জিলাৰ অন্যতম পৰ্যটনথলীৰূপে পৰিচিতি লাভ কৰিছে এই নাগাজাংকা ইক' কেম্পে। মৰিয়নি নগৰৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ আঁতৰত অৱস্থিত এই ইক' পাৰ্কখনৰ কাষেদি বৈ গৈছে ভোগদৈ নৈ। কাষতে অৱস্থিত চাহ বাগিচাৰ মনোমোহা পৰিৱেশ। আনহাতে, কিছু আঁতৰতেই অনুপম সৌন্দৰ্যৰে বিৰাজমান নগা পাহাৰ। তেনে এক মন মুহি নিয়া স্থানতেই তেওঁ স্থাপন কৰিছে এই ইক' পাৰ্কখন।

# জাতীয়তাবোধৰ চিনাকি দি মৰিয়নিৰ নাগাজাংকাত দেৱাশীষৰ অসমীয়াগিৰি

এই সম্পৰ্কত স্বত্বাধিকাৰ দেৱাশীষে কয়, 'দেশৰ বিভিন্ন ঠাই ভ্ৰমণ কৰোতে এই চিন্তা মনলৈ আহিছিল। অসমৰ লোকসকল যাতে অসমত থাকিয়েই পৰ্যটনৰ সুবিধা ল'ব পাৰে, তাৰ বাবেই এনে এক প্ৰচেষ্টা হাতত লৈছো।' এজন পৰ্যটকক দিবলগীয়া সকলো সুবিধা ইয়াত পৰ্যায়ক্ৰমে উপলব্ধ হ'ব বুলি দৃঢ়তাৰে কয় দেৱাশীষে। তেওঁ লগতে কয়, 'নাগাজাংকা অঞ্চলৰ এক সুনাম আছে। পূৰ্বতে নাগাজাংকাৰ কমলা ভাৰত বিখ্যাত আছিল। নাগাজাংকাৰ সেই সুনাম অক্ষুণ্ণ ৰখাত সকলো প্ৰকাৰৰ প্ৰচেষ্টা চলাম বুলি মই সংকল্পবদ্ধ।' উল্লেখ্য যে আকৰ্ষণীয় আদৰণি তোৰণৰ লগতে শিবিৰত স্থাপন কৰা হৈছে বৃহৎ আকাৰৰ মুখা। স্থাপন কৰা হৈছে ছেল্ফী জ'নো। কাষেদি কুলু কুলু সুৰে বৈ যোৱা ভোগদৈ নৈৰ দাঁতিত স্থাপন কৰা হৈছে এখন নাও। ইফালে, নন্দনবন আৰু পাটকাই নামেৰে দুটা চাংঘৰ নিৰ্মাণ কৰা হৈছে। সম্প্ৰতি নৈশ যাপন কৰিবৰ বাবে অস্থায়ী টেণ্ট আছে যদিও স্থায়ী ক'টেজ নিৰ্মাণ কৰি থকা হৈছে। তাৰোপৰি ভোগদৈ নৈৰ বালিচৰত নিৰ্মাণ কৰা হৈছে কে'বাটাও সৰু সৰু চাংঘৰ। তাৰ পৰা নৈখনৰ মনোমোহা দৃশ্য উপভোগ কৰাৰ বাবেই এই চাংঘৰৰ ব্যৱস্থা কৰা হৈছে। সৰু ল'ৰা-ছোৱালীৰ বাবেও খেলাৰ বিশেষ ব্যৱস্থা কৰিছে কৰ্তৃপক্ষই। অঞ্চলটোৰ গ্ৰাম্য অৰ্থনীতিলৈ এসময়ত এই ধৰণৰ ব্যৱস্থাই যে প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই আনিব, সেয়া প্ৰায় নিশ্চিত বুলি তেওঁ কয়। ইতিমধ্যেই এই ইক' কেম্পক লৈ মানুহৰ উছাহৰ ঢল বৈছে। ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা এই নাগাজাংকা ইক' কেম্পলৈ পৰ্যটক আহিবলৈ আৰম্ভ কৰিছে। ভিৰ কৰিছেহি বিভিন্নজনে।



ইপিনে, সৰবৰহী যুৱক দেৱাশীষৰ জাতীয় চেতনাও প্ৰতিফলিত হৈছে এই ইক' কেম্পৰ কিছু কাৰ্যৰ জৰিয়তে। ইক' কেম্পৰ বাকৰিত স্থাপন কৰা ফলকত 'হুৰ হুৰ হুৰ হুৰ হুৰ হুৰাই দে'-আপোন পথাৰখন মোকলাই দে', 'নমতা আলহী চোতাল ভৰিছে-ঘৰে পথাৰে তোৰ- থলুৱাৰ পৰিচয় নৰ'বগৈ-থলুৱা বুলি তোৰ চিনাকি দে' আদি লিখাৰ পৰাই বুজিব পাৰি দেৱাশীষৰ মনৰ মাজত সোমাই থকা জাতীয়তাবোধৰ চেতনাক। একেদৰে 'জয় আই অসম' লিখিবলৈও পাহৰা নাই তেওঁ। ইক' কেম্পলৈ সোমালেই দেৱাশীষৰ সৃষ্টিশীল মনটোৰো উমান সকলোৱে পাব। প্ৰকৃততে দেৱাশীষৰ সৃষ্টিশীল মনটোকো প্ৰতিফলিত কৰিছে কিছু কাৰ্যই। পৰিষ্কাৰ-পৰিচ্ছন্ন এই নাগাজাংকা ইক' কেম্পৰ চৌহদক সুন্দৰ ৰূপত সজাই তোলা হৈছে। বিশেষকৈ নিশাৰ ভাগত মনোমোহা আলোকসজ্জাৰে অধিক আকৰ্ষণীয় হৈ পৰে এই নাগাজাংকা ইক' কেম্প। ইয়াৰ আটাইতকৈ লক্ষণীয় দিশটো হ'ল খাদ্যৰ ব্যৱস্থা। সম্পূৰ্ণ অসমীয়া থলুৱা খাদ্য-সম্ভাৰেৰে ভৰাই তোলা হৈছে ইক' কেম্প। বিশেষকৈ টোপোলা ভাত, পাতত দিয়া ভাত, চুঙাত সিজোৱা ভাত, হাঁহৰ মাংস, চুঙাত দিয়া গাহৰিৰ মাংস, খৰিকাত দিয়া গাহৰি- মাছ, লেটা-পলু আদিৰ ব্যঞ্জনৰ যথেষ্ট চাহিদা বাঢ়িছে এই ইক' কেম্পত। ইয়াৰোপৰি নিয়মীয়া অসমীয়া আহাৰো উপলব্ধ। অতি কম মূল্যত সুস্বাদু অসমীয়া ব্যঞ্জনৰ ব্যৱস্থা কৰিছে তেওঁ। ইয়াৰ সমান্তৰালকৈ দেৱাশীষে অঞ্চলটোৰ একাংশ নিবনুৱাকো দিছে কৰ্ম-সংস্থান। সম্প্ৰতি প্ৰায় ১৫জন স্থানীয় যুৱক ইয়াত নিয়োজিত হৈ আছে। ভৱিষ্যতে পৰ্যটকৰ সুবিধাৰ্থে অধিক ব্যৱস্থা কৰাৰ পৰিকল্পনা ৰাখিছে দেৱাশীষে। এইদৰেই শিক্ষিত যুৱকজনে দেখুৱাইছে অসমীয়াগিৰিৰ নিদৰ্শন। সমগ্ৰ অঞ্চলটোলৈ এক আশাৰ বাৰ্তা কঢ়িয়াই অনা এনে পৰ্যটন কেন্দ্ৰলৈ চৰকাৰে সুদৃষ্টি দিলে নিশ্চিতৰূপে প্ৰচুৰ সম্ভাৱনা মাতি আনিব। দেৱাশীষৰ দৰে উদ্যমী যুৱকসকলৰ এনে সৎ প্ৰচেষ্টাই অধিক প্ৰসাৰতা লাভ কৰক বুলি শুভেচ্ছা জনাইছে স্থানীয় লোকে।

# বিয়াগোম হাংগৰো ভক্ষণ কৰিছে ছীল মাছে

## সমুদ্ৰৰ প্ৰাণীজগতৰ ভৱিষ্যতক লৈ চিন্তিত প্ৰাণীবিজ্ঞানী

**নিউজ ব্যুৰ'**

**ছিডনী, ২৭ ডিচেম্বৰ ঃ** সাগৰীয় প্ৰাণী ছীল মাছক কেন্দ্ৰ নতুন এক তথ্য সম্প্ৰতি পোহৰলৈ আহিছে। এই প্ৰাণীবিদে হেনো সাগৰৰ বিয়াগোম আকৃতিৰ হাংগৰো ভক্ষণ কৰে। গৱেষণাত প্ৰথমবাৰলৈ এই তথ্য পোহৰলৈ আহিছে আৰু তাতেই বিস্মিত হৈ পৰিছে প্ৰাণীবিজ্ঞানীসকল।

এই পৰ্যন্ত সকলোৱে জানিছিল যে সচৰাচৰ সৰু প্ৰাণী খায়েই লিঅ'পাৰ্ড ছীল জীয়াই থাকে। এতিয়া গৱেষকে দাবী কৰিছে যে এইবিধ প্ৰাণীয়ে হাংগৰো খায়। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ এদল বিজ্ঞানীয়ে এই গৱেষণা কৰিছিল। গৱেষণাত তেওঁলোকে লিঅ'পাৰ্ড ছীলৰ চিকাৰ কৰাৰ অভ্যাস আৰু মল পৰীক্ষা কৰি চাইছিল। চিকাৰৰ অভ্যাস বিশ্লেষণ কৰি তেওঁলোকে দেখা পাইছে যে ছীলৰ শৰীৰত লুকাই আছে হাংগৰৰ স'তে যুঁজ কৰাৰ প্ৰমাণ। ইয়াৰ লগতে গৱেষকসকলে ছীলৰ মলত হাংগৰৰ শৰীৰৰ অৱশিষ্টও পায়।



বিজ্ঞানীসকলে জনাইছে যে লিঅ'পাৰ্ড ছীলে যদি সিহঁতৰ এই হাংগৰ চিকাৰ আৰু খোৱাৰ অভ্যাস অব্যাহত ৰাখে, তেন্তে সুদূৰ ভৱিষ্যতে এটা সময়ত হাংগৰৰ সংখ্যা হ্ৰাস পাবও পাৰে।

নিউজিলেণ্ডত লিঅ'পাৰ্ড ছীলৰ খাদ্যাভ্যাসক কেন্দ্ৰ কৰি সুবিস্তৃতভাৱে কৰা এই গৱেষণাত গৱেষকৰ দলটোৱে প্ৰাণীবিধৰ ৩৯টা চিকাৰৰ ঘটনা পৰ্যবেক্ষণ কৰে আৰু ১৯৪২ৰ পৰা ২০১৯ পৰ্যন্ত ১২৭টা নমুনাক লৈ পৰীক্ষা কৰে। গৱেষণাৰ অন্তত বিজ্ঞানীসকলে জনাইছে যে ছীলৰ খাদ্য তালিকাত হাংগৰ থকাৰ কথা জানি তেওঁলোক স্বাভাৱিকতে অবাক হৈ পৰিছে। লিঅ'পাৰ্ড ছীলে এলিফেণ্ট ফিছ (হাতীৰ শুঁৰৰ দৰে ডাঙৰ মুখবিশিষ্ট এবিধ মাছ) আৰু ঘোষ্ট শ্বাৰ্ক (এবিধ বিশেষ প্ৰজাতিৰ হাংগৰ) চিকাৰ কৰাৰ প্ৰমাণো তেওঁলোকে পাইছে। উল্লেখ্য যে লিঅ'পাৰ্ড ছীলক শীৰ্ষ চিকাৰী প্ৰাণীৰ অন্যতমৰূপে গণ্য কৰা হয়। তৎসত্বেও খোৱাৰ বাবে এইবিধ ছীলে সচৰাচৰ সৰু মাছ, চৰাই, পেংগুইনৰ উপৰি অন্যান্য ছীলসহ বিভিন্ন ধৰণৰ সৰু আকাৰৰ প্ৰাণী চিকাৰ কৰে। এইবিধ প্ৰাণীৰ খাদ্যাভ্যাসক কেন্দ্ৰ কৰি পূৰ্বেও গৱেষণা হৈছিল। অৱশ্যে ইমানদিনে বিজ্ঞানীসকলে লিঅ'পাৰ্ড ছীলে হাংগৰ চিকাৰ কৰি খোৱাৰ প্ৰমাণ পোৱা নাছিল।

# হিন্দু লোকৰ শেষকৃত্য সম্পন্ন কৰিলে মুছলমান ধৰ্মাৱলম্বী লোকে

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৭ ডিচেম্বৰ ঃ** সমাজত একাংশ লোকে হিন্দু-মুছলমানৰ মাজত বিভেদৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰাৰ সময়তে দুয়োটা সম্প্ৰদায়ৰ লোকে শিৱসাগৰত ভ্ৰাতৃত্ববোধৰ চানেকি দাঙি ধৰিছে। জিলাখনৰ শিৱসাগৰ নগৰৰ সমীপৰ হাতীখোক গাঁৱৰ মুছলমান লোকে নাৰায়ণ দত্ত নামৰ লোক এজনৰ শেষকৃত্য সম্পন্ন কৰি ভ্ৰাতৃত্ববোধৰ চানেকি দাঙি ধৰিছে। উল্লেখ্য যে ডিব্ৰুগড় জিলাৰ এই লোকজন হাতীখোক গাঁৱৰ হাফিজুল আলীৰ ঘৰত বিগত ২০ বছৰ ধৰি ভাৰাতীয়া হিচাপে বসবাস কৰি আহিছে। পৰিয়াল বুলিবলৈ আন কোনো নথকা দত্তৰ যোৱা নিশা ৮-৩০ বজাত মৃত্যু হোৱাত স্থানীয় মুছলমান ধৰ্মাৱলম্বী কেইজনমান যুৱকে বাঁহ কাটি সাঙী প্ৰস্তুত কৰি নগৰৰ শান্তিবন শ্মশানত শেষকৃত্য সম্পন্ন কৰে। এই শেষকৃত্যত গাঁওখনৰ গাঁওবুঢ়া জালালুদ্দিন আহমেদৰ লগতে ৱাৰ্ড মেম্বাৰগৰাকীয়েও সহযোগিতা আগবঢ়ায়। আনহাতে, এনে ভ্ৰাতৃত্ববোধৰ চানেকি দাঙি ধৰাৰ বাবে খনামুখ অঞ্চলৰ খৰি বিক্ৰেতাসকলেও লোকজনৰ শেষকৃত্যৰ বাবে প্ৰয়োজনীয় কাঠ বিনামূলীয়াকৈ যোগান ধৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও উক্ত গাঁওখনৰ এগৰাকী ইছলাম ধৰ্মাৱলম্বী মহিলাই হিন্দু লোক এজনৰ শেষকৃত্যত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই মানৱতাৰ নিদৰ্শন দাঙি ধৰিছিলো।

# নগৰবেৰাৰ জলজলী নদীত শিহুৰ মৃতদেহ উদ্ধাৰ

## নদীৰ পানী তৰাং হোৱাৰ বাবে মৃত্যু হোৱাৰ আশংকা

**আলোপতি, ২৭ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বকোৰ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ নিচেই সমীপত আজি এটা মৃত শিহু উদ্ধাৰ হয়। বনাঞ্চলিক কাৰ্যালয়ৰ কাষেৰে বৈ যোৱা জলজলী নদীত উদ্ধাৰ হৈছে মৃত শিহুটো। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, জলজলী নদীৰে মৃত শিহুটো ভাহি গৈ থকা অৱস্থাত নদীৰ পাৰত খেলি থকা একাংশ কিশোৰে প্ৰত্যক্ষ কৰি পাৰলৈ টানি আনে। একাংশ সচেতন লোকে ঘটনাৰ সন্দৰ্ভত বন বিভাগক খবৰ দিয়াত বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মৃত শিহুটো কাৰ্যালয়লৈ আনে। ইপিনে, শিহু মৃত্যুৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত পশ্চিম কামৰূপ বন সংমণ্ডলৰ ডিএফঅ' ডিম্পী বৰা উপস্থিত হৈ সমগ্ৰ ঘটনা পৰ্যবেক্ষণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃত শিহুটো গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বকোৰ মালিবাৰী আৰু কলহী নদীতো বিলুপ্তপ্ৰায় শিহুৰ মৃত্যু হৈছিল। এছিয়া মহাদেশৰ ভিতৰত বিৰল প্ৰজাতিৰ শিহুবিধৰ বিচৰণথলীৰূপে বিবেচিত কলহী আৰু জলজলী নদীত মাজে-সময়ে এনে শিহুৰ মৃত্যুৰ কিয় হ'ব পাৰে বুলি সোধা প্ৰশ্নৰ উত্তৰত ডিএফঅ' বৰাই কয়, 'বিভিন্ন সময়ত ৰোগাক্ৰান্ত হৈ এনে বিৰল প্ৰজাতিৰ শিহুৰ মৃত্যু হোৱা বুলি মৰণোত্তৰ প্ৰতিবেদনত প্ৰকাশ পাই আহিছে। অৱশ্যে শেহতীয়াকৈ ক্ৰমান্বয়ে কলহী আৰু জলজলী নদীৰ বুকু তৰাং হৈ অহাত পৰ্যাপ্ত পানী নথকাৰ বাবেও অনাকাংক্ষিতভাৱে শিহুৰ মৃত্যু হোৱাৰ কথাও নুই কৰিব নোৱাৰি।'






**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com